


# অন্বেষণ

একাদশ বছৰ ■ ষষ্ঠ সংখ্যা ■ জুলাই, ২০২৪

## টি টুৱেণ্টি ৱৰ্ল্ড কাপ

## এই পৃথিৱী এক ক্ৰীড়াংগণ



## ইউৰ' কাপ


## কোপা আমেৰিকা



লো-চাৰ উৎসব



Statue of Liberty




খেমেৰ সাম্ৰাজ্য



পশুপতিনাথ মন্দিৰ



পি ভি আকিলান

# অন্বেষণ


## একাদশ বছৰ, ষষ্ঠ সংখ্যা, জুলাই, ২০২৪ চন

**অন্বেষণ**, অসম জাতীয় বিদ্যালয়ৰ শিক্ষাৰ্থীৰ বাবে অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ দ্বাৰা প্ৰকাশিত সাধাৰণ জ্ঞান-ভিত্তিক এখন মাহেকীয়া আলোচনী

**ANWESHAN**, A Monthly inhouse journal of Assam Jatiya Bidyalay,
Published by Assam Jatiya Bidyalay Educational and Socio-Economic Trust
Email : assamjatiyabidyalay@gmail.com
Website : assamjatiyabidyalay.com


## সূচীপত্ৰ


২ **কৃত্ৰিম বুদ্ধিমত্তাৰ জগতখন**
■ অভিজিত শৰ্মা বৰুৱা

৬ **দেশ-বিদেশৰ খবৰ**
■ কুশল গোস্বামী

১০ **খবৰৰ লেছেৰি বোটলা**
■ কুশল গোস্বামী

১১ **চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা**

১৭ **জিন্দাবাদ বিষ্ণুপ্ৰসাদ—এক আলেখ্য**
■ অসীম কৃষ্ণ বৰুৱা

২০ **চুড'কু**

২১ **কূটনৈতিক উপহাৰ**
■ ৰাণু বুজৰবৰুৱা

২৩ **ডাইনীৰ কান্দোন**
■ বিৰিখ শৰ্মাচাৰ্য্য

২৪ **অৰুণাচলৰ লো-চাৰ**
■ মধুৰ মনীষ বৰপূজাৰী

২৫ **পুথি পৰিচয়**
■ ভায়লীনা বৰা

২৬ **ৰাভাদেউ উভতি আহা**
■ গুঞ্জনগীত পৰাশৰ

২৬ **কলাগুৰু**
■ অনৰণ্যা গোস্বামী

২৭ **চিত্ৰকৰ হিচাপে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা**
■ প্ৰজ্বলিতা বড়া

২৭ **ফেৰেংগাদাও আবৌ**
■ চতুৰ্থী শিৰম

২৮ **মানসিক সামৰ্থ্য বিকাশ**
■ ৰবীন্দ্ৰ বৰ্মন

২৯ **Stories from World Classics**
■ Pallavi Dutta

৩০ **Did You Know**
■ Binoy Bikash Gogoi

৩১ **স্কিমিং**
■ অৰ্পিতা দেৱী

৩২ **কুইজ**
■ দীপাংকৰ কৌশিক

৩৩ **খেমেৰ সাম্ৰাজ্য**
■ নৰজিৎ বৰুৱা

৩৪ **বিস্তীৰ্ণ পৰ্বতৰ দেশ নেপাল**
■ চন্দনা মেধি চৌধুৰী

৩৫ **সেউজ অৰ্থনীতি**
■ অপৰ্ণা দেৱী

৩৭ **পিভি আকিলান**
■ ববীস্মিতা শইকীয়া

৩৮ **টি ২০ ক্ৰিকেট বিশ্বকাপ, কোপা আমেৰিকা আৰু ইউৰ' কাপ**
■ অনুৰাগ ডেকা




| | | |
|---|---|---|
| **সম্পাদক** | : | ডা° নাৰায়ণ শৰ্মা (অবৈতনিক) |
| **সহযোগী সম্পাদক** | : | পংকজ দত্ত |
| **উপ-সম্পাদক** | : | কুশল গোস্বামী, ড° লিপিমণি দত্ত, ডিম্পল তালুকদাৰ |
| **ব্যৱস্থাপনা** | : | দিলীপ কুমাৰ দত্ত চৌধুৰী (অবৈতনিক) |
| **বেটুপাত** | : | কুঞ্জৰ দাস |
| **আলোকচিত্ৰ** | : | জাহ্নৱী বৰুৱা |
| **ছবি** | : | কন্দৰ্প শৰ্মা |
| **ডিটিপি** | : | প্ৰশান্ত বৰঠাকুৰ |
| **আৰ্হি পাঠ** | : | কুলধৰ কলিতা |
| **মূল্য** | : | পঁচিছ টকা |

*অসম জাতীয় বিদ্যালয় শৈক্ষিক আৰু আৰ্থ-সামাজিক ন্যাসৰ হৈ দিলীপ কুমাৰ দত্ত চৌধুৰীৰ দ্বাৰা প্ৰকাশিত, অজাবি ন্যাসৰ ছপাশাল, অসম জাতীয় বিদ্যালয় চৌহদ, নুনমাটি, গুৱাহাটী-৭৮১০২০৩ প্ৰণৱ শৰ্মাৰ দ্বাৰা মুদ্ৰিত।*

# কৃত্ৰিম বুদ্ধিমত্তাৰ জগতখন

■ **অভিজিত শৰ্মা বৰুৱা**



কৃত্ৰিম বুদ্ধিমত্তা হ'ল—মানুহ বা আন জীৱ-জন্তুৰ বুদ্ধিমত্তাৰ বিপৰীতে কোনো যন্ত্ৰই অনুভৱ কৰা, বিশ্লেষণ কৰা আৰু উপলব্ধি কৰা বুদ্ধিমত্তা। কৃত্ৰিম বুদ্ধিমত্তাৰ কেইটামান উদাহৰণ হ'ল— মাত চিনাক্তকৰণ, ছিৰি, এলেক্সা আদি এআই ব'টৰ (AI Bot) দ্বাৰা তথ্যৰ জ্ঞান লাভ, এটা ভাষাৰ পৰা আন এটা ভাষালৈ যন্ত্ৰই কৰা অনুবাদ আদি। প্ৰকৃততে 'ইণ্টেলিজেন্স' বুলি অভিহিত কৰিব পৰা এক পদ্ধতিৰে আচৰণ কৰা আৰু মানুহৰ চিন্তা আৰু আচৰণক অনুকৰণ কৰিব পৰা যন্ত্ৰকে কৃত্ৰিম বুদ্ধিমত্তাযুক্ত যন্ত্ৰ বুলি ক'ব পাৰি।

আজিকালি বেছিভাগ 'স্মাৰ্ট' আহিলাৰ ক্ষেত্ৰত সাধাৰণ প্ৰকাৰৰ বুদ্ধিমত্তা সদায়েই প্ৰয়োজন। উদাহৰণস্বৰূপে, স্মাৰ্ট বৈদ্যুতিক মিটাৰৰ কথাই ক'ব পাৰি। কৃত্ৰিম বুদ্ধিমত্তাই কিন্তু সেইবোৰক সামৰি লোৱা নাই। সেয়া এক গতানুগতিক বুদ্ধিমত্তা বুলিহে গণ্য কৰা হয়।

## নজনাকৈয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ব্যৱহাৰ

কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত এটা আমোদজনক কথা হ'ল যে বহুত মানুহে কৃত্ৰিম বুদ্ধিমত্তাৰ বিষয়ে একো নাজানিলেও প্ৰায়ভাগ মানুহৰে জীৱন ইয়াৰ ওপৰত নিৰ্ভৰশীল। উদাহৰণস্বৰূপে, আমি এতিয়াৰ ৰেপিড', অ'লা, উবেৰ আদি পৰিবহণ সেৱাৰ কথাই ক'ব পাৰোঁ। আমি যে সেই এপটো ম'বাইলত ইনষ্টল কৰি তাৰ নিৰ্দিষ্ট স্থানত আমি ক'ৰ পৰা ক'লৈ যাম লিখি দিলেই বা 'ল'কেছন' দি দিলেই ওচৰতে থকা মটৰ চাইকেল বা গাড়ীয়ে গম পাই যায় আৰু আমাক বিচাৰি আহি পায়, সেয়া কৃত্ৰিম বুদ্ধিমত্তাৰে অৱদান। কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়তে আমি কোনো ঠাই বা প্ৰতিষ্ঠানৰ 'ল'কেছন' ম'বাইলত চাই সেই ঠাই ওলাব পাৰোঁ। কিন্তু আমি সেই কাম কৰি থকাৰ সময়ত কৃত্ৰিম বুদ্ধিমত্তাৰ কথা বা কেনেকৈনো এই কাম সম্ভৱ হৈছে, এই কথা নাভাবোঁ।

কোনো এখন পুৰণি ফটো আমি কৃত্ৰিম বুদ্ধিমত্তাৰ সহায়তে নতুন কৰি তুলিব পাৰোঁ। বৃহৎসংখ্যক তথ্যৰ ব্যৱস্থাপনাৰ যোগেদি কৃত্ৰিম বুদ্ধিমত্তাই এইবোৰ সম্ভৱ কৰি তুলিছে। উদাহৰণস্বৰূপে, ফটো নতুন কৰি তোলা ব্যৱস্থাটোত হাজাৰ-বিজাৰ ভাল ফটোৰ তথ্য সুমুৱাই ব্যৱস্থাটোক পিক্সেল, ডট, হ'ল, স্পেচ আদিৰ বিষয়ে জ্ঞান দিয়া হয় আৰু সেই জ্ঞানৰ আধাৰতে ই ফটোখনৰ উৰুলি যোৱা অংশ কেনে হ'ব পাৰে, তাৰ প্ৰায় সঠিক অনুমান কৰি ফটোখন সেইমতে নতুন কৰি তুলিব পাৰে। আনহাতে তেনে প্ৰকাৰৰ সঞ্চিত তথ্যৰ সহায়তে পুৰণি 'ব্লেক এণ্ড হোৱাইট' ফটো এখন ৰঙীন কৰি তুলিব পৰা যায়। দৰাচলতে আমি কৃত্ৰিম বুদ্ধিমত্তা বুলি ক'লেও আমিয়েই অজস্ৰ তথ্য আৰু এলগৰিথমৰ সহায়ত সেই বুদ্ধিমত্তাৰ সৃষ্টি কৰিছোঁ।

কৃত্ৰিম বুদ্ধিমত্তা এপ্লিকেছনৰ ভিতৰত আছে গুগল ছাৰ্চ ইঞ্জিনৰ দৰে ৱেব ছাৰ্চ, ইউটিউব, আমাজ'ন আৰু নেটফ্লিক্সৰ দৰে ৰিকমেণ্ডেছন ছিষ্টেম, ছিৰি আৰু এলেক্সাৰ দৰে মাত চিনাক্তকৰণ পদ্ধতি, ৱেমোৰ (Waymo) দৰে স্বয়ংচালিত পদ্ধতিৰ গাড়ী, চাট জিপিটি (chat GPT) আৰু এআই আৰ্টৰ দৰে সৃষ্টিশীল আহিলা, দবাৰ দৰে কৌশলগত খেল আদি।

## আধুনিক কৃত্ৰিম বুদ্ধিমত্তাৰ আৰম্ভণি

১৯৫০ চনত এজন বৃটিছ গৱেষক এলান টুৰিঙে নিজকে নিজে সুধিলে—“মেচিনে বাৰু চিন্তা কৰিব পাৰেনে?” কেৱল সোধাই নহয়, তেওঁ এই সম্পৰ্কত কামো আৰম্ভ কৰি দিলে। কিছু গুৰুত্বপূৰ্ণ সফলতা লাভ কৰাৰ পাছত তেওঁৰ মূৰত আন এটা তাৎপৰ্য্যপূৰ্ণ প্ৰশ্ন জাগিল— “যদি কোনো যন্ত্ৰই মানুহৰ কাম-কাজ কৰিব পাৰে, সেয়া যুক্তিপূৰ্ণ আৰু নৈতিক কথা হ’বনে?” তাৰ পাছত তেওঁ বিশ্ববিখ্যাত ‘টুৰিং টেষ্ট অব কেপ্টচা (CAPTCHA)’ সৃষ্টি কৰিলে। কোনো মানুহে আন কোনো মানুহৰ লগত যোগাযোগ কৰিছে নে আচলতে এক ‘ৰবটিক নিউৰেল নেটৱৰ্ক’ৰ (robotic nural network) লগত যোগাযোগ কৰিছে, সেই কথা নিশ্চিত কৰিবলৈ এতিয়া এই টেষ্ট ব্যাপকভাৱে ব্যৱহাৰ কৰা হয়। এই পৰীক্ষা আমাৰ বাবে কিছু বিৰক্তিদায়ক হ’লেও কিমান গুৰুত্বপূৰ্ণ, এতিয়া আমি নিশ্চয় উপলব্ধি কৰিছোঁ।

১৯৫৬ চনৰ গ্ৰীষ্মকালি ডাৰ্টমাউথ কলেজত এখন সন্মিলন অনুষ্ঠিত হয়। তাত এজন ডেকা আৰু উৎসাহী বিজ্ঞানীয়ে ‘আৰ্টিফিচিয়েল ইণ্টেলিজেন্স’ (artificial intelligence) শব্দ দুটা উল্লেখ কৰে। তেওঁ আছিল জন মেককাৰ্থি, যাক পাছত কৃত্ৰিম বুদ্ধিমত্তাৰ জনক বুলি অভিহিত কৰা হ’ল। এক শৈক্ষিক শাখা হিচাপে কৃত্ৰিম বুদ্ধিমত্তাৰ যুগ আৰম্ভ হয় ১৯৫৬ চনত। তাৰ পাছৰ পৰা নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে সেইবোৰ আগ বাঢ়ি আহিছে। প্ৰথম অৱস্থাত পুঁজিৰ অভাৱৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰগতি ব্যাহত হৈছিল। সেই সময়ছোৱাক কৃত্ৰিম বুদ্ধিমত্তাৰ ‘খৰাং কাল’ বুলি জনা যায়। তাৰ পাছত অৱশ্যে এই অসুবিধা দূৰ হ’ল আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ সুদিন আৰম্ভ হৈ গ’ল। কৃত্ৰিম বুদ্ধিমত্তাই বিভিন্ন সময়ত বিভিন্ন কাম কৰিবলৈ চেষ্টা কৰিছে আৰু তাৰে কিছুমান কাম ‘বলে নোৱৰা শিল’ বুলি গণ্য কৰি তাৰ পৰা আঁতৰিও আহিছে। উদাহৰণস্বৰূপে, মানৱ মস্তিষ্কৰ ছিমুলেছন (simulation) বা অনুৰূপণ মানুহৰ সমস্যা সমাধান সামৰ্থ্যৰ মডেলিং, পোহনীয়া জন্তুৰ অনুকৰণ আদিৰ কথা ক’ব পাৰি। অৱশ্যে সময়ৰ লগে লগে কৃত্ৰিম বুদ্ধিমত্তাৰ বাবে যে সেয়া বলে পৰা শিল হ’বগৈ পাৰে, সেয়াও নুই কৰিব নোৱাৰি।

কৃত্ৰিম বুদ্ধিমত্তাৰ কিছুমান উপক্ষেত্ৰও আছে। সেইবোৰ কিন্তু বিজ্ঞানৰ আন ক্ষেত্ৰৰ উপক্ষেত্ৰৰ দৰে নহয়, তাৰ বিপৰীতে কিবা এটা বিশেষ উদ্দেশ্য আগত ৰাখি সৃষ্টি কৰা উপক্ষেত্ৰহে। উদাহৰণস্বৰূপে, এটা ভাষাৰ পৰা আন এটা ভাষালৈ অনুবাদৰ কাৰ্য্যক লৈ এখন উপক্ষেত্ৰ সৃষ্টি হ’ব পাৰে, বিভিন্ন উচ্চ পৰ্য্যায়ৰ তথ্য বিশ্লেষণ কৰি কেন্সাৰৰ আগজাননী দিয়া বা সেই ৰোগক তেনেই প্ৰাথমিক অৱস্থাত ধৰা পেলোৱা আদি কাম আন এখন উপক্ষেত্ৰৰ অন্তৰ্গত হ’ব পাৰে।

## কৃত্ৰিম বুদ্ধিমত্তাৰ কিছুমান অনন্য ব্যৱহাৰ

কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি আমি যিকোনো বিষয়ত এখন ৰচনাও লিখিব পাৰোঁ। উদাহৰণস্বৰূপে, জেছপাৰৰ (Jasper) কথাই ক’ব পাৰি। জেছপাৰ হ’ল এক কৃত্ৰিম বুদ্ধিমত্তা পদ্ধতি, যি এক ‘নেচাৰেল লেংগুৱেজ প্ৰচেছিং ইঞ্জিন’ (natural language processing engine) ব্যৱহাৰ কৰি মানুহে কেনেকৈ কথা-বতৰা পাতে বা যোগাযোগ কৰে সেয়া জানি ল’ব পাৰে। জেছপাৰে যিকোনো বিষয়ৰ সম্পৰ্কত যিকোনো আকাৰত এখন ৰচনা লিখি দিব পাৰে। সাম্প্ৰতিকভাৱে চাটজিপিটি (ChatGPT) নামেৰে আন এক কৃত্ৰিম বুদ্ধিমত্তা ব্যৱস্থাৰ বিকাশ হৈছে। ইয়াক অ’পেনএআই (OpenAI) নামৰ এক প্ৰতিষ্ঠানে তৈয়াৰ কৰিছে। চাটজিপিটিৰ তথ্যভাণ্ডাৰ অতি বৃহৎ। ই যিকোনো প্ৰশ্নৰে বুদ্ধিদীপ্ত উত্তৰ দিব পাৰে। বৰ্তমান ChatGPT ৰ জনপ্ৰিয়তা যথেষ্ট বৃদ্ধি পাইছে।

মানৱৰ বুদ্ধিমত্তাক অনুকৰণ কৰাৰ সামৰ্থ্য আৰু মানুহৰ বাবে জটিল কামবোৰক অনায়াসে কৰি তোলাৰ সক্ষমতাৰ দ্বাৰা কৃত্ৰিম বুদ্ধিমত্তাই স্বাস্থ্যসেৱা, বিত্তীয়, পৰিবহণ, আমোদ-প্ৰমোদ আদি উদ্যোগত একপ্ৰকাৰ বিপ্লৱৰে সূচনা কৰিছে। বিত্তীয় ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাই তাত সঞ্চিত ব্যাপক তথ্যৰ সহায়ত কাৰ বিত্তীয় অৱস্থা ভালৰ ফালে গৈছে, কাৰ বেয়াৰ ফালে গৈছে, এই মুহূৰ্তত ক’ত বিনিয়োগ কৰা ভাল আৰু ক’ৰ পৰা বিনিয়োগ উঠাই অনা ভাল—এইবোৰ কথা প্ৰায়




সঠিকভাৱে জনাই বিনিয়োগকাৰী আৰু বিত্তীয় সংস্থাবোৰক লাভবান কৰি তুলিব পাৰে। আমাক আমোদ দিয়া বিভিন্ন ধৰণৰ 'হিউমেনয়ড ৰবট' (humanoid robot) কৃত্ৰিম বুদ্ধিমত্তা নহ'লে অচল।

কিছুবছৰৰ আগৰ পৰা কম্পিউটাৰ প্ৰযুক্তিৰ উচ্চতৰ বিকাশ, উচ্চ পৰ্য্যায়ৰ আৰু বৃহৎ পৰিমাণৰ তথ্যৰ উপলব্ধতা আদিয়ে কৃত্ৰিম বুদ্ধিমত্তাক এক নতুন ৰূপ দিছে। কৃত্ৰিম বুদ্ধিমত্তাৰ এক গুৰুত্বপূৰ্ণ উপাংশ 'মেচিন লাৰ্নিঙ'ৰ (Machine learning) ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অগ্ৰগতি হৈছে। যন্ত্ৰই তথ্যৰ পৰা বহুত কথা শিকিব পাৰিছে আৰু ফলত সেইবোৰৰ দক্ষতা আগতে ভাবিব নোৱৰা ধৰণে বাঢ়িছে। মেচিন লাৰ্নিঙৰে এক উন্নত সংস্কৰণ ডীপ লাৰ্নিঙে (deep learning) নিউৰেল নেটৱৰ্ক ব্যৱহাৰ কৰি বিভিন্ন ক্ষেত্ৰত (যেনে— ছবি আৰু মাত চিনাক্তকৰণ) উল্লেখযোগ্য কৃতিত্ব প্ৰদৰ্শন কৰিছে।

কিছুমান কাম মানুহে কৰিব পাৰিলেও সেইবোৰ কাম কৰাটো মানুহৰ জীৱনৰ বাবে বিপদজনক। এই ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাযুক্ত যন্ত্ৰ বা ৰবট প্ৰস্তুত কৰি সেই কামবোৰ কৰিব পৰা যায়। তেল কোম্পানীবোৰে তেলৰ বাবে খনন কৰা, সাগৰৰ তলিত তেল অন্বেষণ কৰা আদি কামত কৃত্ৰিম বুদ্ধিমত্তাযুক্ত যন্ত্ৰ ব্যৱহাৰ কৰে। আজিকালি ডাঙৰ ডাঙৰ কাৰখানা (যেনে— মটৰ গাড়ী তৈয়াৰ কৰা উদ্যোগ) আদিত কৃত্ৰিম বুদ্ধিমত্তা থকা যন্ত্ৰ-পাতিয়েই বেছিভাগ বিপদজনক কাম কৰে আৰু তাকো মানুহতকৈ বহুত বেছি দ্ৰুতভাৱে। এনে যন্ত্ৰবোৰক মানুহৰ দৰে জিৰণিও নালাগে। বুদ্ধিসম্পন্ন ৰবটে যিকোনো বিপৰ্য্যয়ৰ সময়ত উদ্ধাৰ কাৰ্য্য অধিক দক্ষতাৰে কৰিব পাৰে।

## আমি নোৱৰা কাম

কৃত্ৰিম বুদ্ধিমত্তাই আমি নোৱৰা কি কি কাম কৰিব পাৰে, আমি তাৰ এক তালিকাই কৰি পেলাব পাৰোঁ।

- কৃত্ৰিম বুদ্ধিমত্তাই ধুমুহা, ছুনামি, আগ্নেয়গিৰিকে ধৰি বিভিন্ন প্ৰাকৃতিক বিপৰ্য্যয়ৰ আগজাননী দিব পাৰে।
- কাষ্টমাৰ কেয়াৰ, ষ্টক মাৰ্কেট ট্ৰেডিং, স্বাস্থ্যসেৱা আদিত কৃত্ৰিম বুদ্ধিমত্তাই প্ৰভূত সহায় কৰিব পাৰে।
- কৃত্ৰিম বুদ্ধিমত্তাই কেন্সাৰৰ সৈতে যুদ্ধ কৰাত আৰু সেই যুদ্ধত জয়ী হোৱাত সহায় কৰে। কৃত্ৰিম বুদ্ধিমত্তাই বিভিন্ন ধৰণৰ তথ্য সংগ্ৰহ কৰি এই ৰোগৰ আগতীয়া চিনাক্তকৰণ কৰিব পাৰে আৰু বিশেষ ছুপাৰ কম্পিউটাৰৰ যোগেদি তাৰ চিকিৎসাতো সহায় কৰে।
- কৃত্ৰিম বুদ্ধিমত্তাই পুৰণি আৰু প্ৰায় বিধ্বস্ত ফটোবোৰ পুনৰুদ্ধাৰ কৰি নতুন ৰূপ দিব পাৰে। ই ব্লেক এণ্ড হোৱাইট ফটোবোৰো ৰঙীন কৰি তুলিব পাৰে।
- আমি আমাৰ মনোৰঞ্জনৰ বাবে সৃষ্টি কৰা খেলবোৰতো কৃত্ৰিম বুদ্ধিমত্তাই আমাক হৰুৱাব পাৰে।
- কৃত্ৰিম বুদ্ধিমত্তাই আমাক মনে বিচৰা প্ৰায় সকলো তথ্য দিব পাৰে। আজিকালি ৱেব ছাৰ্চ প্ৰতিষ্ঠানবোৰে ছিৰি, এলেক্সা, গুগল এছিষ্টেণ্ট আদি এআই ব'টৰ (AI Bot) সহায়ত তেনে তথ্যবোৰকে মনোৰঞ্জক আৰু আকৰ্ষণীয়কৈ পৰিৱেশন কৰে।
- কৃত্ৰিম বুদ্ধিমত্তাই আমাৰ হৈ কোনো বিষয় সম্পৰ্কত ৰচনা লিখি দিবও পাৰে। আনকি সৃষ্টিশীল ৰচনাৰ ক্ষেত্ৰতো কৃত্ৰিম বুদ্ধিমত্তা পিছ পৰি থকা নাই।

## কৃত্ৰিম বুদ্ধিমত্তাৰ সুবিধা

- কৃত্ৰিম বুদ্ধিমত্তা এনে কিছুমান কামৰ বাবে উপযুক্ত, যিবোৰ মানুহে সাধাৰণতে উপেক্ষা কৰে। সূক্ষ্ম পৰ্য্যায়ৰ তথ্যবোৰো নিৰ্ভুলভাৱে বিশ্লেষণ কৰি কৃত্ৰিম বুদ্ধিমত্তাই কিছুমান কেন্সাৰ ৰোগ চিনাক্তকৰণতো নিৰ্ভুলতা প্ৰদৰ্শন কৰিছে।
- কৃত্ৰিম বুদ্ধিমত্তাই অজস্ৰ তথ্য অতি কম সময়তে চালি-জাৰি চাই বেংক ব্যৱস্থা, বিত্তীয় বিনিয়োগ

আদিৰ ক্ষেত্ৰত বজাৰৰ প্ৰৱণতাৰ পূৰ্বাভাস দিব পাৰে।


- কৃত্ৰিম বুদ্ধিমত্তাই ৰবটবিজ্ঞানৰ লগত সমন্বিতভাৱে কাম কৰি কাম-কাজবোৰ স্বয়ংক্ৰিয়, দক্ষ আৰু সুৰক্ষিত কৰিব পাৰে।
- অবিচ্ছিন্নভাৱে শিকাৰ যোগেদি নতুন তথ্যৰ লগত খাপ খাই লোৱাৰ সামৰ্থ্য কৃত্ৰিম বুদ্ধিমত্তাৰ আছে। সেই বাবে তথ্য পৰ্য্যালোচনা, অনুবাদ আদিৰ ক্ষেত্ৰত ই ধাৰাবাহিকভাৱে নিজকে উন্নত কৰি নিৰ্ভৰযোগ্যতাৰ দিশত গতি কৰিছে।
- নিৰৱচ্ছিন্ন উন্নতিৰ জৰিয়তে কৃত্ৰিম বুদ্ধিমত্তাই ডিজিটেল প্লেটফৰ্মসমূহত গ্ৰাহকৰ সন্তুষ্টি বৃদ্ধি কৰিব পাৰে।
- কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰগ্ৰেমসমূহে জিৰণি লোৱা বা বিৰতি লোৱাৰ প্ৰয়োজন নাই বাবে সেইবোৰে দিনটোৰ ২৪ ঘণ্টাই সেৱা আগ বঢ়াব পাৰে।
- ইণ্টাৰনেটত অনুসন্ধান, ব্যৱসায়িক সিদ্ধান্ত আদিৰ ক্ষেত্ৰত অতি বৃহৎ পৰিমাণৰ তথ্য নিচেই কম সময়তে বিশ্লেষণ কৰিবলগীয়া হ'বলগীয়া হয়। এই ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰৰ আন বিকল্প নাই।
- কৃত্ৰিম বুদ্ধিমত্তাই গৱেষণা আৰু উন্নয়নৰ গতিক ত্বৰান্বিত কৰিব পাৰে। অনেক সম্ভাব্য পৰিস্থিতিৰ দ্ৰুত অনুকৰণ আৰু বিশ্লেষণ কৰি কৃত্ৰিম বুদ্ধিমত্তাৰ মডেলসমূহে গৱেষকসকলক নতুন ঔষধ, উপকৰণ আদি আৱিষ্কাৰ কৰোঁতে পৰম্পৰাগত পদ্ধতিতকৈ দ্ৰুত গতিত কাম কৰিব পাৰে।
- কৃত্ৰিম বুদ্ধিমত্তা আৰু মেচিন লাৰ্নিং এতিয়া ক্ৰমবৰ্ধমানভাৱে পৰিবেশগত পৰিবৰ্তনসমূহ নিৰীক্ষণ কৰিবলৈ আৰু বতৰৰ পূৰ্বাভাস দিবলৈ ব্যৱহাৰ হয়। কৃত্ৰিম বুদ্ধিমত্তাৰ উন্নতিৰ লগে লগে এই ক্ষেত্ৰত শুদ্ধতাও বাঢ়ি আহিছে।
- বিভিন্ন শিল্প আৰু উদ্যোগৰ জটিল প্ৰক্ৰিয়াসমূহক সুস্থিৰ আৰু স্বয়ংক্ৰিয় কৰিবৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ হয়। উদাহৰণস্বৰূপে, কৃত্ৰিম বুদ্ধিমত্তাই অদক্ষতা চিহ্নিত কৰিব পাৰে, উৎপাদনৰ পথত থকা বাধাসমূহৰ পূৰ্বাভাস দিব পাৰে, শক্তি খণ্ডত বিদ্যুতৰ চাহিদা আগতীয়াকৈ অনুমান কৰিব পাৰে আৰু সঠিক সময়ত সঠিক সৰবৰাহ কৰিব পাৰে।

## কৃত্ৰিম বুদ্ধিমত্তাৰ অসুবিধা

- কৃত্ৰিম বুদ্ধিমত্তা বিকাশ কৰা খুব ব্যয়বহুল হ'ব পাৰে। অ'পেন এআইৰ মুখ্য কাৰ্য্যবাহী বিষয়া ছাম অল্টমেনে কৈছে যে এই কোম্পানীৰ জিপিটি-৪ মডেলৰ প্ৰশিক্ষণৰ বাবে ৮৩০ কোটি টকা নিযুত ডলাৰতকৈয়ো বেছি খৰচ পৰিছে।
- কৃত্ৰিম বুদ্ধিমত্তা পদ্ধতিৰ বিকাশ, পৰিচালনা আৰু সমস্যা সমাধানৰ ক্ষেত্ৰত প্ৰচুৰ প্ৰযুক্তিগত জ্ঞানৰ প্ৰয়োজন। এনে জ্ঞান থকা লোকৰ অভাৱৰ বাবে বিকাশ আশা কৰামতে নহ'বও পাৰে।
- কৃত্ৰিম বুদ্ধিমত্তাৰ মডেলসমূহে, যিবোৰ কামৰ বাবে সেইবোৰক প্ৰশিক্ষিত কৰা হৈছিল, সেই নিৰ্দিষ্ট কামসমূহত প্ৰায়ে দক্ষতা অৰ্জন কৰে। কিন্তু যেতিয়া অভিনৱ পৰিস্থিতিৰ সমুখীন হ'বলগীয়া হয়, তেতিয়া ঠিকমতে কাম নকৰিবও পাৰে।
- আগতে মানৱ সম্পদৰ জৰিয়তে কৰা কামসমূহ যদি কৃত্ৰিম বুদ্ধিমত্তাই সম্পন্ন কৰে, তেতিয়া সেই লোকসকলে চাকৰি হেৰুৱাব পাৰে আৰু সেই পৰিয়ালসমূহ বিত্তীয় অস্থিৰতাৰ সমুখীন হ'ব পাৰে।
- হেকাৰসকলে কৃত্ৰিম বুদ্ধিমত্তাৰ পদ্ধতিসমূহ হেক কৰি গুৰুত্বপূৰ্ণ তথ্য উলিয়াই নিব পাৰে, সেইবাবে এই ক্ষেত্ৰত নিৰাপত্তাৰ সমস্যা হ'ব পাৰে।
- কৃত্ৰিম বুদ্ধিমত্তাৰ মডেলসমূহৰ কাম-কাজ পৰিচালনা কৰা তথ্য কেন্দ্ৰ আৰু নেটৱৰ্ক আন্তঃগাঁথনিসমূহে প্ৰচুৰ পৰিমাণে শক্তি আৰু পানী ব্যৱহাৰ কৰে। ইয়াৰ ফলত বতৰ আৰু জলবায়ুৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰে।
- কৃত্ৰিম বুদ্ধিমত্তাই বহুত ব্যক্তিগত আৰু গোপন তথ্যও ব্যৱহাৰ কৰে বাবে এই ক্ষেত্ৰত যথেষ্ট আইনী সমস্যাও আছে।

বৃত্তি হিচাপে কৃত্ৰিম বুদ্ধিমত্তা অভিযন্তাৰ বৃত্তি কিন্তু বেছ লোভজনক। 'ফৰ্বছ' আলোচনীৰ এক হিচাপ অনুসৰি এজন কৃত্ৰিম বুদ্ধিমত্তা অভিযন্তাই প্ৰতি বছৰে গড়ে প্ৰায় এক কোটি টকা উপাৰ্জন কৰে। ❖

## অসমৰ পাঁচগৰাকী সাহিত্যিকলৈ সাহিত্য অকাডেমি যুৱ-শিশু সাহিত্য পুৰস্কাৰ


ৰঞ্জু হাজৰিকা

যোৱা ১৫ জুন তাৰিখে অসমৰ পাঁচগৰাকী সাহিত্যিকে ২০২৪ বৰ্ষৰ সাহিত্য অকাডেমিৰ যুৱ বঁটা তথা শিশু সাহিত্য বঁটা লাভ কৰে। এই বৰ্ষত অসমীয়া ভাষাত নয়নজ্যোতি শৰ্মাই তেওঁৰ গল্পপুথি 'জাল কটা জুই'ৰ বাবে সাহিত্য অকাডেমিৰ যুৱ পুৰস্কাৰ লাভ কৰিছে। ২০১৬ চনত 'নৈ আৰু মৰিশালি' গল্পৰে সাহিত্য জগতত ভুমুকি মৰা নয়নজ্যোতি শৰ্মা পেছাত এগৰাকী চিকিৎসক আৰু নলবাৰী চহৰৰ বাসিন্দা। আনহাতে 'ছাইখলুম' শীৰ্ষক বড়ো ভাষাৰ গল্পপুথিৰ বাবে ছেল্‌ফ মেড ৰাণী বড়োৱে যুৱ পুৰস্কাৰ লাভ কৰিছে। অসম বিধানসভাৰ কৰ্মচাৰী তথা খৈৰাবাৰী নিবাসী বড়োৰ গ্ৰন্থ 'ছাইখলুম' (ছায়া) ২০২২ বৰ্ষত প্ৰকাশিত গ্ৰন্থ। তদুপৰি বাংলা ভাষাৰ কাব্যগ্ৰন্থ 'দেৰাজে হলুদ ফুল গতজন্ম'ৰ বাবে সুতপা চক্ৰৱৰ্তীয়ে যুৱ পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছে। শিলচৰৰ বাসিন্দা তথা ৩২ বছৰীয়া ড° সুতপা চক্ৰৱৰ্তী বাংলা ভাষাত এই যুৱ বঁটা পোৱা অসমৰ প্ৰথমগৰাকী সাহিত্যিক।

এই বৰ্ষত অসমীয়া ভাষাৰ শিশু উপন্যাস 'বিপন্ন বিস্ময় খেল'ৰ বাবে ৰঞ্জু হাজৰিকাই সাহিত্য অকাডেমিৰ শিশু সাহিত্য পুৰস্কাৰ লাভ কৰে। ১৯৫২ চনৰ ২৪ জুলাইত জন্মগ্ৰহণ কৰা তথা তেজপুৰৰ বাসিন্দা হাজৰিকাৰ বঁটা বিজয়ী গ্ৰন্থখনৰ মূল উপজীব্য হৈছে দুটি শিশুৰ দুঃসাহসিক কাম-কাজৰ কাহিনী। লগতে কোকৰাঝাৰৰ ভাৰ্জিন জেকবা মুছাহাৰীয়ে 'বুহুমা বয়নিবো' (পৃথিৱী সকলোৰে) গ্ৰন্থখনৰ বাবে বড়ো ভাষাত শিশু সাহিত্য পুৰস্কাৰ লাভ কৰিছে।

এই বৰ্ষত সাহিত্য অকাডেমিয়ে ২৩ গৰাকী সাহিত্যিকক যুৱ পুৰস্কাৰ আৰু ২৪ গৰাকী সাহিত্যিকক শিশু সাহিত্য পুৰস্কাৰ আগ বঢ়াইছে। পুৰস্কাৰ প্ৰাপকসকলে বঁটাৰ লগতে ৫০ হাজাৰ টকা আৰু একোখনকৈ তাম্ৰপত্ৰ লাভ কৰিব।

## অসমত স্থাপন হ'ব আইআইএম

যোৱা ২ জুন তাৰিখে কেন্দ্ৰীয় চৰকাৰে অসমত এখন আইআইএম (Indian Institute of Management) স্থাপন কৰা হ'ব বুলি আনুষ্ঠানিকভাৱে ঘোষণা কৰে। অসম চৰকাৰৰ অনুৰোধৰ ভিত্তিত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অনুমোদন জনোৱাৰ পাছত এই উচ্চ শিক্ষাৰ সৰ্বভাৰতীয় প্ৰতিষ্ঠানখন কামৰূপ জিলাৰ গুৱাহাটী মহানগৰীৰ সমীপৱৰ্তী মাৰাভিঠাত স্থাপন কৰা হ'ব বুলি কেন্দ্ৰীয় শিক্ষা বিভাগে জাননী জাৰি কৰে। উল্লেখযোগ্য যে যোৱা ২০২২ চনৰ ২০ মে'ত কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীলৈ এক আবেদনযোগে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই গুৱাহাটীত এখন আইআইএম স্থাপনৰ বাবে প্ৰস্তাৱ দাখিল কৰিছিল। ১০০০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া এই আইআইএমখন দেশৰ ভিতৰত ২২ সংখ্যক হ'ব।

## অসম চৰকাৰৰ ৰাজ্যিক বঁটা


যোৱা ২০ জুন তাৰিখে তেজপুৰৰ দৰং মহাবিদ্যালয়ত অসম চৰকাৰে কেন্দ্ৰীয়ভাৱে আয়োজন কৰা বিষ্ণু ৰাভা দিৱসত লোকশিল্পী ধৰ্মেশ্বৰ নাথ আৰু চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্য্যক মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০২৪ বৰ্ষৰ বিষ্ণু ৰাভা বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। দৰং জিলাৰ ছিপাঝাৰ কবেইচুবা গাঁও নিবাসী লোকশিল্পীগৰাকীয়ে ২০২২ বৰ্ষত 'সংগীত নাটক অকাডেমি' বঁটা লাভ কৰিছিল। আন এগৰাকী বঁটাপ্ৰাপক বিশিষ্ট চিত্ৰশিল্পী দুৰ্লভ ভট্টাচাৰ্য্য হৈছে চৰকাৰী চাৰু কলা মহাবিদ্যালয়ৰ প্ৰায়োগিক কলা বিভাগৰ মুৰব্বী অধ্যাপক।

২০২৩ বৰ্ষৰ ৰাষ্ট্ৰীয় পৰ্য্যায়ৰ 'আজানপীৰ' বঁটা প্ৰদান কৰা হয় প্ৰবীণ চলচ্চিত্ৰ নিৰ্মাতা আনৱাৰ হুছেইনক। তদুপৰি অসমৰ কলা-সংস্কৃতি, সমাজ আৰু সাহিত্য জগতলৈ অমূল্য অৱদান আগ বঢ়োৱা আঠগৰাকী ব্যক্তিক ৰাজ্যিক পৰ্য্যায়ৰ বঁটাৰে উক্ত সভাতে সন্মানিত কৰা হয়। ৰাজ্যিক পৰ্য্যায়ৰ বঁটা আৰু বঁটাপ্ৰাপকসকল হৈছে—

গীতিকবি পাৰ্বতীপ্ৰসাদ বৰুৱা বঁটা—সংগীত শিল্পী, শাশ্বতী ভট্টাচাৰ্য্য; অমলপ্ৰভা দাস বঁটা—বিশিষ্ট

শিক্ষয়িত্ৰী শিল্পী বন্দনা দত্ত; চন্দ্ৰপ্ৰভা শইকীয়ানী বঁটা— সমাজসেৱিকা ড° সুনীতা চাংকাকতি; মামণি ৰয়ছম গোস্বামী বঁটা—বিশিষ্ট সাহিত্যিক ড° কৰবী ডেকা হাজৰিকা; চৈয়দ আব্দুল মালিক বঁটা—সাহিত্যিক জয়ন্ত মাধৱ বৰা; আহমদ আলী বাঁশকান্দি বঁটা—সাহিত্যিক তৰেণ চন্দ্ৰ বড়ো; গণেশ গগৈ বঁটা—কবি আনিছ উজ জামান; বীৰ ৰাঘৱ মৰাণ বঁটা—সাহিত্যিক জীৱেশ্বৰ মহন।

## জি-৭ শীৰ্ষ সন্মিলন সমাপ্ত : প্ৰধানমন্ত্ৰী মোডীৰ অংশগ্ৰহণ



যোৱা ১৩ জুনৰ পৰা তিনিদিনীয়া কাৰ্য্যসূচীৰে ইটালীৰ অপুলা চহৰত 'জি-৭' দেশসমূহৰ ৫০ সংখ্যক শীৰ্ষ সন্মিলন সফলতাৰে সামৰণি পৰে। ১৯৭৫ চনতে স্থাপিত বিশ্বৰ সাতখন উন্নত দেশৰ জি-৭ৰ এই বৰ্ষৰ শীৰ্ষ সন্মিলনত ভাৰতৰ প্ৰধানমন্ত্ৰী মোডীয়ে প্ৰযুক্তিবিদ্যাৰ সাৰ্বজনীন ব্যৱহাৰ আৰু যোগাত্মক প্ৰয়োগৰ বিষয়ে প্ৰস্তাৱ দাখিল কৰে। এই বৰ্ষৰ শীৰ্ষ সন্মিলনত সৰ্বসন্মতিক্ৰমে ইউক্ৰেইনক ৫০ বিলিয়ন মাৰ্কিন ডলাৰৰ সাহায্য প্ৰদান, ৰাছিয়াৰ লগত বেংকিং সেৱা বন্ধ কৰা, সকলো দেশে ৰাষ্ট্ৰসংঘৰ শান্তি নীতি মানি চলা, আফ্ৰিকাৰ দেশসমূহৰ লগত বন্ধুত্ব সুদৃঢ় কৰা, ঋণৰ ক্ষেত্ৰত থকা জটিলতা দূৰ কৰা, সংবেদনশীল প্ৰযুক্তিক সুৰক্ষা দিয়া আদি সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইউৰোপীয়ান ইউনিয়ন আৰু ব্ৰাজিল আদি দেশেও আমন্ত্ৰিত সদস্য হিচাপে যোগদান কৰা শীৰ্ষ সন্মিলনৰ পাছত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰণৰ লগত দ্বিপাক্ষিক বৈঠকত মিলিত হয় আৰু প্ৰতিৰক্ষা, পাৰমাণৱিক শক্তি আৰু মহাকাশ অধ্যয়ন বিষয়ত দ্বিপাক্ষিক ঐক্যমতত উপনীত হয়। উল্লেখযোগ্য যে জি-৭ গোটৰ সদস্য দেশসমূহ হ'ল— কানাডা, আমেৰিকা যুক্তৰাষ্ট্ৰ, ফ্ৰান্স, জাৰ্মানী, ইটালী, ইংলণ্ড আৰু জাপান।

## কিউএছ টাইমছ হায়াৰ ৰেংকিঙত এমআইটিৰ শীৰ্ষস্থান

যোৱা ৪ জুনত কিউএছ টাইমছ হায়াৰ এডুকেছনে প্ৰকাশ কৰা তালিকা অনুসৰি আমেৰিকা যুক্তৰাষ্ট্ৰৰ 'মেছাচুছেটচ ইন্‌ষ্টিটিউট অব টেকন'লজি'য়ে বিশ্ববিদ্যালয় ৰেংকিঙত শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হয়। বিশ্বৰ ১০৫ খন দেশত ৫৬৬৩ খন উচ্চশিক্ষা প্ৰতিষ্ঠানত চলোৱা সমীক্ষা অনুসৰি এই বৰ্ষত ইম্পেৰিয়েল কলেজ, লণ্ডনে দ্বিতীয় স্থান অধিকাৰ কৰে। এই তালিকাত অক্সফৰ্ড বিশ্ববিদ্যালয়, হাৰ্ভাৰ্ড বিশ্ববিদ্যালয় আৰু কেম্ব্ৰিজ বিশ্ববিদ্যালয়ে ক্ৰমে তৃতীয়, চতুৰ্থ আৰু পঞ্চম স্থান দখল কৰিবলৈ সমৰ্থ হয়। এমআইটিয়ে একেৰাহে ১৩ বছৰৰ বাবে শীৰ্ষস্থান অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হয়। শৈক্ষিক মান, গৱেষণাৰ গভীৰতা, ছাত্ৰ-শিক্ষকৰ অনুপাত, আন্তৰ্জাতিক গ্ৰহণযোগ্যতা, শৈক্ষিক পৰিৱেশ আদি বিভিন্ন বিষয় সূক্ষ্মভাৱে অধ্যয়ন কৰি এই তালিকা প্ৰস্তুত কৰা হয়। উল্লেখযোগ্য যে চলিত বৰ্ষত ভাৰতৰ পৰা মুঠ ৪৬ খন উচ্চ শিক্ষানুষ্ঠানে ১৫০০ খনৰ ভিতৰত স্থান লাভ কৰিছে আৰু বোম্বে আইআইটিয়ে ১১৮ সংখ্যক স্থানেৰে দেশৰ ভিতৰত শীৰ্ষস্থান দখল কৰিছে। এই তালিকাত অসমৰ পৰা একমাত্ৰ গুৱাহাটী আইআইটিয়ে ৩৪৪ নং স্থান দখল (দেশৰ ভিতৰত নৱম) কৰি ৰাজ্যখনলৈ সুনাম কঢ়িয়াই আনিছে।

## লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ ফলাফল ঘোষণা : নৰেন্দ্ৰ মোডী একেৰাহে তৃতীয়বাৰলৈ প্ৰধানমন্ত্ৰী নিৰ্বাচিত

যোৱা ৪ জুন তাৰিখে সমগ্ৰ দেশতে সাতটা পৰ্য্যায়ত অনুষ্ঠিত অষ্টাদশ লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ ৫৪৩ খন আসনৰ ফলাফল আনুষ্ঠানিকভাৱে ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি শাসনাধিষ্ঠ ভাৰতীয়

জনতা পাৰ্টিয়ে ২৪০ খন আসন আৰু ৰাষ্ট্ৰীয় গণতান্ত্ৰিক জোঁটবন্ধনে মুঠ ২৯০ খন আসন দখল কৰি একেৰাহে তৃতীয়বাৰলৈ শাসন ক্ষমতা লাভ কৰিবলৈ সক্ষম হয়। আনহাতে জাতীয় কংগ্ৰেছ নেতৃত্বাধীন 'ইণ্ডিয়া' মৰ্চাই ২৩৫ খন আসন আৰু জাতীয় কংগ্ৰেছ দলে ৯৯ খন আসন লাভ কৰি বিৰোধীৰ আসনত বহে। ১৮ খন আসন নিৰ্দলীয়ই দখল কৰে। এই বৰ্ষৰ নিৰ্বাচনত উজ্জীৱিত ফলাফল প্ৰদৰ্শন কৰা দল কেইটামান হৈছে—সমাজবাদী পাৰ্টি (৩৭), তৃণমূল কংগ্ৰেছ (২৯), সংযুক্ত জনতা দল (১২), তেলেগু দেশম (১৬), ডিএমকে (২২), শিৱসেনা (উদ্ধৱ) (৯) ইত্যাদি। এই বৰ্ষৰ নিৰ্বাচনত শাসনাধিষ্ঠ বিজেপিয়ে ৩৬.৬৬ শতাংশ ভোট লাভ কৰাৰ বিপৰীতে প্ৰধান বিৰোধী দল কংগ্ৰেছে ২১.৩২ শতাংশ ভোট লাভ কৰে।

লোকসভাৰ সাধাৰণ নিৰ্বাচনত অসমৰ ১৪খন আসনৰ বিজেপিয়ে নিজাকৈ ৯খন আৰু বিজেপি মিত্ৰজোঁটৰ অগপই এখন আৰু ইউপিপিএলে এখন আসন লাভ কৰাৰ বিপৰীতে বিৰোধী জাতীয় কংগ্ৰেছ দলে ৩ খন আসন দখল কৰিবলৈ সক্ষম হয়।

৯ জুন তাৰিখে বিজেপি তথা ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মিত্ৰজোঁটৰ নেতা নৰেন্দ্ৰ মোডীয়ে একেৰাহে তৃতীয়টো কাৰ্য্যকালৰ বাবে ভাৰতৰ প্ৰধানমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ছাৰ্ক দেশসমূহৰ ৰাষ্ট্ৰনেতাসকলৰ উপস্থিতিত শপত গ্ৰহণ কৰা মোডী মন্ত্ৰীসভাত ৩০ জন কেবিনেট, ৫ জন স্বতন্ত্ৰ ৰাজ্যমন্ত্ৰী আৰু ৩৬ জন ৰাজ্যিক মন্ত্ৰী অন্তৰ্ভুক্ত কৰা হৈছে। অসমৰ দুজন সাংসদ ক্ৰমে প্ৰাক্তন মুখ্যমন্ত্ৰী তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেবিনটে মন্ত্ৰী তথা ৰাজ্যসভাৰ সাংসদ পবিত্ৰ মাৰ্ঘেৰিটাই ৰাজ্যিক মন্ত্ৰী হিচাপে মোডী মন্ত্ৰীসভাত স্থান লাভ কৰে।

মোডী মন্ত্ৰীসভাৰ কেইগৰাকীমান কেবিনেট মন্ত্ৰী আৰু দপ্তৰসমূহ এনে ধৰণৰ :

১। নৰেন্দ্ৰ দামোদৰ দাস মোডী—প্ৰধানমন্ত্ৰী, পাৰ্ছনেল, আণৱিক শক্তি, আনক নিদিয়া দপ্তৰসমূহ; ২। ৰাজনাথ সিং—প্ৰতিৰক্ষা; ৩। অমিত শ্বাহ—গৃহ, সমবায়; ৪। নীতিন গাডকাৰী—পথ পৰিবহণ আৰু ৰাষ্ট্ৰীয় ঘাইপথ; ৫। জেপি নাড্ডা—স্বাস্থ্য, পৰিয়াল কল্যাণ, ৰসায়ন আৰু সাৰ; ৬। শিৱৰাজ চৌহান—কৃষি, গ্ৰামোন্নয়ন; ৭। নিৰ্মলা সীতাৰমণ—বিত্ত, কোম্পানী পৰিক্ৰমা; ৮। মনোহৰ লাল খাট্টাৰ—শক্তি, নগৰ পৰিক্ৰমা, আবাসন; ৯। এইচডি কুমাৰস্বামী—গুৰু উদ্যোগ, তীখা; ১০। পীয়ুষ গোয়েল—বাণিজ্য আৰু উদ্যোগ; ১১। ধৰ্মেন্দ্ৰ প্ৰধান—শিক্ষা; ১২। সৰ্বানন্দ সোণোৱাল—বন্দৰ, জাহাজ আৰু জলপথ; ১৩। অশ্বিনী বৈষ্ণৱ—ৰেলৱে, তথ্য আৰু সম্প্ৰচাৰ, প্ৰযুক্তিবিদ্যা; ১৪। কিৰেন ৰিজিজু—সংসদীয় পৰিক্ৰমা, সংখ্যালঘু পৰিক্ৰমা।

তদুপৰি লোকসভাৰ সাধাৰণ নিৰ্বাচনৰ সময়তে চাৰিখন ৰাজ্য ক্ৰমে অন্ধ্ৰপ্ৰদেশ, ওড়িশা, ছিকিম আৰু অৰুণাচল প্ৰদেশত অনুষ্ঠিত বিধানসভা নিৰ্বাচনৰ ফলাফলো ঘোষণা কৰা হয়। ঘোষিত ফলাফল অনুসৰি অন্ধ্ৰপ্ৰদেশত তেলেগু দেশম দলে ক্ষমতা দখল কৰে আৰু চন্দ্ৰবাবু নাইডুৱে চতুৰ্থবাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে শপত গ্ৰহণ কৰে। ওড়িশাত বিজেপি দলে প্ৰথমবাৰৰ বাবে সংখ্যাগৰিষ্ঠতা লাভ কৰে আৰু মোহন চৰণ মাঝিয়ে প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰে। ছিকিমত ক্ৰান্তিকাৰী মৰ্চাই সংখ্যাগৰিষ্ঠতা লাভ কৰে আৰু প্ৰেম সিং তামাং একেৰাহে তৃতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হয়। তদুপৰি অৰুণাচল প্ৰদেশত বিজেপি দলে একক সংখ্যাগৰিষ্ঠতা লাভ কৰে। প্ৰেমা খাণ্ডুৱে একেৰাহে তৃতীয়বাৰৰ বাবে ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰে। ওম বিৰলা একেৰাহে দ্বিতীয়টো কাৰ্য্যকালৰ বাবে ধ্বনি ভোটত লোকসভাৰ অধ্যক্ষ নিৰ্বাচিত হয়।

## বাংলাদেশৰ প্ৰধানমন্ত্ৰীৰ ভাৰত ভ্ৰমণ; ১০ খন চুক্তি স্বাক্ষৰ

যোৱা ২১ জুন তাৰিখে বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেখ হাছিনাই দুদিনীয়া ভ্ৰমণসূচী লৈ ভাৰতত উপস্থিত হয় আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ লগত দ্বিপাক্ষিক বৈঠকত মিলিত হয়। দুয়োগৰাকী প্ৰধানমন্ত্ৰীৰ মাজত মুঠ ১০ খন দ্বিপাক্ষিক চুক্তি স্বাক্ষৰিত হয় আৰু ঘনিষ্ঠ সহযোগিতাৰ মাজেৰে বিভিন্ন দিশত একেলগে

কাম কৰি যোৱাৰ ঐক্যমতত উপনীত হয়। ভাৰত-প্ৰশান্ত মহাসাগৰীয় সমুদ্ৰ অঞ্চলত দ্বিপাক্ষিক সহযোগিতা বৃদ্ধি, প্ৰতিৰক্ষা, ৰেল যোগাযোগ, মহাকাশ গৱেষণা, তথ্য প্ৰযুক্তি, পৰমাণু গৱেষণা আদি বিষয়ত দ্বিপাক্ষিক বুজাবুজিৰ চুক্তি সাক্ষৰিত কৰা হয়। দুয়োগৰাকী মুৰব্বীয়ে যুটীয়া সংবাদ মেলত ৰংপুৰত বাংলাদেশৰ বাসিন্দাসকলৰ সুবিধা হোৱাকৈ সহকাৰী উচ্চায়ুক্তৰ কাৰ্য্যালয় স্থাপন, ভাৰতত উন্নত চিকিৎসাৰ বাবে আগ্ৰহী বাংলাদেশী লোকক ই-মেডিকেল ভিছা প্ৰদান, দুয়োখন দেশৰ মাজত ভাৰতীয় টকাৰে বাণিজ্য আৰম্ভ কৰা, সীমান্তত বন্ধুত্বপূৰ্ণ পাইপলাইন স্থাপন কৰা আদি সিদ্ধান্তৰ কথা সদৰি কৰে।

## চলচ্চিত্ৰ পৰিচালিকা ৰীমা দাস অস্কাৰ সমিতিলৈ মনোনীত



ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পুৰস্কাৰপ্ৰাপ্ত অসমীয়া চলচ্চিত্ৰ পৰিচালক ৰীমা দাসে যোৱা ২৬ জুন তাৰিখে অস্কাৰ সমিতিলৈ মনোনীত হৈ ৰাজ্যখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সমৰ্থ হয়। অকাডেমি অৱ ম'শ্বন পিকচাৰ আৰ্টছ এণ্ড ছায়েন্সে ঘোষণা কৰা অনুসৰি ৰীমা দাসৰ লগতে ভাৰতৰ পৰা প্ৰখ্যাত অভিনেত্ৰী শ্বাবানা আজমী, বিশিষ্ট পৰিচালক এছ এছ ৰাজামৌলী, কষ্টিউম ডিজাইনাৰ ৰামা ৰাজামৌলী, প্ৰযোজক ৰিতেশ সিধৱানি আদিও উক্ত সমিতিলৈ মনোনীত হৈছে। 'ভিলেজ ৰকষ্টাৰ্ছ', 'তৰাজ হাজবেণ্ড', 'বুলবুল কেন ছিং' আদি ছবিৰে কৃতিত্ব অৰ্জন কৰাৰ বাবে অস্কাৰ বঁটাৰ নিৰ্বাচক সমিতিৰ সদস্যৰূপে ৰীমা দাসক মনোনীত কৰা হৈছে বুলি 'অকাডেমি এৱাৰ্ডছ' কৰ্তৃপক্ষই আনুষ্ঠানিকভাৱে ঘোষণা কৰে। উল্লেখযোগ্য যে ৰীমা দাসৰ 'ভিলেজ ৰকষ্টাৰ্ছ' চলচ্চিত্ৰখনে ৰাষ্ট্ৰীয় চলচ্চিত্ৰ বঁটাৰ শ্ৰেষ্ঠ সন্মান 'স্বৰ্ণকমল' বঁটা লাভ কৰাৰ পাছত এই চলচ্চিত্ৰখনে ভাৰতৰ পৰা অস্কাৰত অংশগ্ৰহণ কৰাৰ বাবে বিবেচিত হৈছিল। অস্কাৰ সমিতিলৈ মনোনীত হোৱা ৰীমা দাস হৈছে প্ৰথমগৰাকী অসমীয়া মহিলা পৰিচালক। ইয়াৰ পূৰ্বে ২০১৭ চনত অমৃত প্ৰীতম আৰু ২০১৮ চনত দেৱজিৎ চাংমাই এই আন্তঃৰাষ্ট্ৰীয় কৃতিত্বৰ অধিকাৰী হৈছিল। 'অকাডেমি অৱ ম'শ্বন পিকচাৰ আৰ্টছ এণ্ড ছায়েন্সে'এ ২০২৪ বৰ্ষত ৬৮ খন দেশৰ মুঠ ৪৮৭ গৰাকী চলচ্চিত্ৰ ক্ষেত্ৰৰ ব্যক্তিক সদস্য হিচাপে মনোনীত কৰিছে। নতুন সদস্যসকলৰ ভিতৰত ৭১ গৰাকী অস্কাৰলৈ মনোনীত ব্যক্তিত্ব আৰু ১৯ গৰাকী অস্কাৰজয়ী শিল্পী, কলা-কুশলী অন্তৰ্ভুক্ত হৈছে। বৰ্তমান অস্কাৰ সমিতিৰ মুঠ সদস্যৰ সংখ্যা ১০,৯১০লৈ বৃদ্ধি কৰা হয় আৰু ইয়াৰ ভিতৰৰ ৯,৯৩৪ গৰাকীয়ে ২০২৫ চনৰ ৯৭ সংখ্যক অস্কাৰ বঁটাৰ বাবে ভোটদান কৰিব পাৰিব। ❖

■ **সংগ্ৰহ : কুশল গোস্বামী**

# চুড'কুৰ শুদ্ধ উত্তৰ দিওঁতাসকল, জুন, ২০২৪

কুনাল কিশোৰ বৰ্মন (ষষ্ঠ ঘ)

# কুইজৰ উত্তৰসমূহ

১। আধাৰ লগো ২। ওডিছি ৩। মাৰ্ক'নি ৪। ছিকিম ক্ৰান্তিকাৰী মৰ্চা ৫। এডভাৰ্ড মান্স ৬। জেৰক্স ৭। আলিমুন্নিছা পিয়াৰ ৮। পাইক প্ৰথা ৯। ফ্ৰেন্স অ'পেন টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছত ১০। হাৰুপেশ্বৰ বা হটপেশ্বৰ ১১। লক্ষ্মীনাথ ফুকন ১২। ইউৰ' কাপ ১৩। ভেনিজুৱেলা ১৪। ইকিগাই ১৫। অন্ধ্ৰ প্ৰদেশৰ বৰ্তমানৰ উপ মুখ্যমন্ত্ৰী পৱন কল্যাণ ১৬। বব ডিলান। ❖

## খবৰৰ লেছেৰি বোটলা

**(২১ মে', ২০২৪ ৰ পৰা ২০ জুন, ২০২৪লৈ)**

২১ **মে'** : ৱৰ্ল্ড ইকন'মিক ফৰামৰ সূচকাংকত বিশ্ব পৰ্য্যটনত আমেৰিকা যুক্তৰাষ্ট্ৰই শীৰ্ষস্থান আৰু ভাৰতে ৩৯ সংখ্যক স্থান দখল কৰে।

২২ **মে'** : নৰৱে, আয়াৰলেণ্ড আৰু স্পেইনে পেলেষ্টাইনক ৰাষ্ট্ৰ হিচাপে স্বীকৃতি প্ৰদান কৰে।

২৩ **মে'** : নেপালৰ ৫৪ বছৰীয়া কামি ৰীতা শ্বেৰপাই সৰ্বাধিক ৩০ বাৰ মাউণ্ট এভাৰেষ্ট আৰোহণ কৰি বিশ্ব অভিলেখ ৰচনা কৰে।

২৪ **মে'** : ৭৭ সংখ্যক কেন (কঁ্যা) চলচ্চিত্ৰ মহোৎসৱত ভাৰতৰ ডাঃ চিদানন্দ এছ নায়ক পৰিচালিত 'চানফ্লাৱাৰচ ৱেৰ দা ফাৰ্ষ্ট ওৱানচ টু নো'এ 'লা চিনিফ' চলচ্চিত্ৰখনে বিদেশী শাখা শিতানত শ্ৰেষ্ঠতাৰ পুৰস্কাৰ লাভ কৰে।

২৫ **মে'** : কাঁ চলচ্চিত্ৰ মহোৎসৱত 'আনচাৰটেইন' শাখাত প্ৰথমগৰাকী ভাৰতীয় হিচাপে অনুসূয়া সেনগুপ্তই শ্ৰেষ্ঠ অভিনেত্ৰীৰ বঁটা লাভ কৰে।

২৭ **মে'** : বোম্বে ষ্টক এক্সচেঞ্জৰ সূচকাংকই সকলো অভিলেখ ভাঙি ৭৬,০০০ পইণ্ট স্পৰ্শ কৰে।

৩০ **মে'** : ভাৰতৰ বিকাশৰ হাৰ ২০২৫ বৰ্ষত ৭ শতাংশ হ'ব বুলি ভাৰতীয় ৰিজাৰ্ভ বেংকে বছৰেকীয়া প্ৰতিবেদনত প্ৰকাশ কৰে।

- ভাৰতে সফলতাৰে শ্ৰীহৰিকোটাৰ পৰা ঘৰুৱাভাৱে নিৰ্মিত থ্ৰি-ডি প্ৰিণ্টেড 'অগ্নিবন' ৰকেট উৎক্ষেপণ কৰে।

৩১ **মে'** : হাড়গিলা সংৰক্ষক, ৰাষ্ট্ৰসংঘৰ বঁটা বিজয়ী ডঃ পূৰ্ণিমা দেৱী বৰ্মন লুপ্তপ্ৰায় হাড়গিলা সংৰক্ষণৰ বাবে ফ্ৰান্সলৈ নিমন্ত্ৰিত হয়।

১ **জুন** : প্ৰায় ৩৫ বছৰৰো অধিক কাল ৰাষ্ট্ৰসংঘত থকা ভাৰতৰ স্থায়ী প্ৰতিনিধি জ্যেষ্ঠ কূটনীতিক ৰুছিৰা কম্বোজে অৱসৰ গ্ৰহণ কৰে।

২ **জুন** : চীন দেশে চন্দ্ৰলৈ প্ৰেৰণ কৰা মহাকাশযান 'চাংগে-৬'এ উপগ্ৰহটোৰ নেদেখা অঞ্চলত (বিশ্বৰ প্ৰথম) সফলতাৰে অৱতৰণ কৰে।

৪ **জুন** : নৰৱে আন্তৰ্জাতিক দবা প্ৰতিযোগিতাত বিশ্ব চেম্পিয়ন ডিং লিৰেনক পৰাস্ত কৰি ভাৰতৰ ৰমেসবাবু প্ৰজ্ঞানন্দই চমক সৃষ্টি কৰে।

৫ **জুন** : ভাৰতে ২০২৩-২৪ বিত্তীয় বৰ্ষত ৪৪.৪৩ বিলিয়ন মাৰ্কিন ডলাৰৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ লাভ কৰা বুলি কেন্দ্ৰীয় চৰকাৰে প্ৰকাশ কৰে।

৬ **জুন** : প্ৰথমগৰাকী অসমীয়া সাহিত্যিকৰূপে সাহিত্য অকাডেমি বঁটাপ্ৰাপক অনুৰাধা শৰ্মা পূজাৰী লণ্ডনৰ আন্তৰ্জাতিক সাহিত্য উৎসৱলৈ আমন্ত্ৰিত হয়।

৭ **জুন** : ভাৰতীয় মূলৰ মহাকাশচাৰী সুনীতা উইলিয়ামছ তৃতীয়বাৰৰ বাবে সফলতাৰে মহাকাশ অভিযান আৰম্ভ কৰি আন্তৰ্জাতিক মহাকাশ আস্থানত পদাৰ্পণ কৰে।

৮ **জুন** : বিশ্বৰ ১ নং খেলুৱৈ ইগা ছিয়াটেগে একেৰাহে তৃতীয়বাৰৰ বাবে ফ্ৰেন্স অপেনত চেম্পিয়নৰ খিতাপ দখল কৰে।

৯ **জুন** : ইউৰোপীয়ান পাৰ্লিয়ামেণ্টৰ নিৰ্বাচন অনুষ্ঠিত হয় আৰু ইউৰোপীয়ান পিপলছ পাৰ্টিয়ে ৭২০ জনীয়া সদনত সংখ্যাগৰিষ্ঠতা লাভ কৰে।

১০ **জুন** : মুম্বাইত অনুষ্ঠিত ষ্ট্ৰংমেন ইণ্ডিয়া লীগ, ২০২৪ত অসমৰ কেছিঅ'পিয়াৰ গোস্বামীয়ে ৮৯ কেজি শাখাত 'ষ্ট্ৰং ৱ'মেন ইণ্ডিয়া' খিতাপ দখল কৰে।

১৫ **জুন** : চেন্নাইত অনুষ্ঠিত ৰাষ্ট্ৰীয় উইণ্ডাছাৰ্ফিঙত অসমৰ নিশামণি বৰাই স্বৰ্ণ পদক লাভ কৰে (উত্তৰ-পূবৰ প্ৰথমগৰাকী)।

১৬ **জুন** : ৰাছিয়া আৰু ইউক্ৰেইনৰ মাজত শান্তি প্ৰতিষ্ঠাৰ বাবে ছুইজাৰলেণ্ডত সন্মিলন অনুষ্ঠিত হয় আৰু ইউক্ৰেইনৰ সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে ঐক্যমত পোষণ কৰে।

১৭ **জুন** : নিৰ্বাচনৰ ইভিএম হেক কৰিব পাৰি বুলি টেছলা-স্পেচ এক্সৰ মুখ্য কাৰ্য্যবাহী ইলন মাস্কে ঘোষণা কৰে। ❖

**■ সংগ্ৰহ : কুশল গোস্বামী**

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## বিপন্ন বিস্ময় খেল




'বিপন্ন বিস্ময় খেল' নামৰ গ্ৰন্থখনে বৰ্তমান সময়ত বিশেষ চৰ্চা লাভ কৰিছে। ৰঞ্জু হাজৰিকাই ৰচনা কৰা এই শিশু উপন্যাসখনে বিশেষ চৰ্চা লাভ কৰাৰ মূল কাৰণ হ'ল এই গ্ৰন্থখনে ২০২৪ চনত শিশু সাহিত্য অকাডেমি বঁটা লাভ কৰিছে।

মূলতঃ ভৌতিক আৰু থ্ৰিলাৰ কাহিনী ৰচনাৰে জনপ্ৰিয়তা অৰ্জন কৰা ৰঞ্জু হাজৰিকাই কল্পবিজ্ঞানমূলক, ৰহস্যধৰ্মী, জ্যোতিষ আদি বিভিন্ন বিষয়ক বহুসংখ্যক গ্ৰন্থ ৰচনা কৰিছে। ১৯৭৩ চনত তেওঁৰ প্ৰথমখন উপন্যাস প্ৰকাশ হোৱাৰ পাছৰে পৰা বৰ্তমানলৈকে ৭৫০ খনমান গ্ৰন্থ প্ৰকাশ পাইছে। ৰঞ্জু হাজৰিকা তেওঁৰ ছদ্মনামহে। তেওঁৰ প্ৰকৃত নাম কুমুদ চন্দ্ৰ হাজৰিকা। ১৯৫২ চনত শোণিতপুৰ জিলাৰ মোনাবাৰী চাহ বাগিচাত জন্মগ্ৰহণ কৰা ৰঞ্জু হাজৰিকাৰ উল্লেখনীয় গ্ৰন্থসমূহৰ ভিতৰত জুলু, এটা দ্বীপ সাতটা কবৰ, স্তব্ধ অৰণ্য, উত্তৰ ফাল্গুনী আদি অন্যতম।

'বিপন্ন বিস্ময় খেল' এখন শিশু উপন্যাস। দুটি কণমানি শিশুৰ অভিযানমূলক কিছু কৰ্ম-কাণ্ডৰ বৰ্ণনা থকা এখন মনোৰম গ্ৰন্থ। উপন্যাসখনৰ মূল চৰিত্ৰত থকা জিতু-নীতুৰ বয়স ১০/১১ বছৰমান। মাক-দেউতাকৰ একমাত্ৰ সন্তান জিতু চেণ্ট্ৰেল স্কুলৰ ষষ্ঠ শ্ৰেণীৰ ছাত্ৰ। জিতু অত্যন্ত চতুৰ ল'ৰা। প্ৰত্যুৎপন্নমতিতা আৰু দূৰদৰ্শিতাৰ বাবে স্কুলৰ ভিতৰতে সি জনপ্ৰিয়। আনহাতে নীতু নামৰ ছোৱালীজনী জিতুহঁতৰ চুবুৰীয়া। নীতু জিতুতকৈ বয়সত এবছৰমান সৰু যদিও দুয়ো একে শ্ৰেণীত পঢ়ে। নীতু জিতুৰ সমান চোকা নহয়; যিকোনো কথা বুজি উঠোঁতে তাইৰ সদায় পলম হয়।

এই জিতু-নীতুয়েই আৰম্ভ কৰিছে কিছু দুঃসাহসিক অভিযান। ভূত থকা বুলি মানুহে বিশ্বাস কৰা ঠাইলৈ গৈ আৱিষ্কাৰ কৰিছে যে তাত প্ৰকৃততে ভূতৰ সলনি ডকাইতৰ দল এটাইহে আশ্ৰয় লৈ বিভিন্ন দুষ্কাৰ্য্যৰ পৰিকল্পনা কৰিছে। জিতু-নীতুৱে নিজলৈ অহা বিপদকো আওকাণ কৰি সাহসিকতাৰ পৰিচয় দি ডকাইতৰ দলটোক কৰায়ত্ত কৰাত সহায় কৰিছে। জিতু-নীতুৰ অভিযানৰ তিনিটা কাহিনী উপন্যাসখনত সন্নিৱিষ্ট হৈছে। প্ৰথমটো খণ্ড বিপন্ন বিস্ময় খেল, দ্বিতীয়টো হেৰোৱা ফাইলৰ সন্ধানত আৰু তৃতীয়টো বিপদৰ মুখামুখি। এই তিনিওটা কাহিনীতে জিতুৱে উপস্থিত বুদ্ধি আৰু দূৰদৰ্শী চিন্তাৰে বিভিন্ন অপকাৰ্য্যৰ মূল অপৰাধীক ধৰা পেলোৱাত আৰক্ষীক সহায় কৰিছে। নিজেও দুৰ্বৃত্তৰ কবলত পৰি মৃত্যুৰ দুৱাৰডলিত ভৰি থ'ব লগা হৈছে। অৱশ্যে প্ৰতিবাৰেই জিতু-নীতুৱে বিজয় হৈছে। দুই কিশোৰীৰ মনৰ কল্পনা আৰু ৰহস্যসন্ধানী মানসিকতা সুন্দৰভাৱে প্ৰকাশ ঘটিছে উপন্যাসখনত। শিশুসকলৰ লগতে জ্যেষ্ঠসকলেও পঢ়ি আমোদ পাব পৰা এই 'বিপন্ন বিস্ময় খেল' নামৰ গ্ৰন্থখন প্ৰকাশ পাইছিল ২০১৯ চনত। প্ৰকাশক জ্যোতি প্ৰকাশন। ❖

## চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

# দুগৰাকী প্ৰখ্যাত অসমীয়া নাৰী



**আইদেউ সন্দিকৈ :** আইদেউ সন্দিকৈ অসমীয়া চলচ্চিত্ৰৰ প্ৰথমগৰাকী অভিনেত্ৰী। জ্যোতিপ্ৰসাদ আগৰৱালাৰ দ্বাৰা নিৰ্মিত প্ৰথম অসমীয়া বোলছবি 'জয়মতী'ত (১৯৩৫) তেওঁ অভিনয় কৰিছিল। আইদেউ সন্দিকৈৰ জন্ম হৈছিল ১৯২০ চনৰ চ'ত মাহত গোলাঘাটৰ পানী-দিহিঙীয়া গাঁৱত। তেওঁৰ পিতৃৰ নাম নীলাম্বৰ সন্দিকৈ আৰু মাকৰ নাম মা-লক্ষ্মী। জ্যোতিপ্ৰসাদ আগৰৱালাই 'জয়মতী' চিনেমাৰ বাবে মহিলা শিল্পী বিচাৰি থকাৰ সময়ত আইদেউৰ সম্বন্ধীয় ককায়েক ডিম্ব গোহাঁয়ে আইদেউক জ্যোতিপ্ৰসাদ আগৰৱালাৰ লগ লগাই দিয়ে। প্ৰথমে আইদেউ সন্দিকৈয়ে বোলছবিত অভিনয় কৰিবলৈ মান্তি হোৱা নাছিল যদিও, পাছলৈ দেউতাকৰ সন্মতিক্ৰমে ছবিত অভিনয় কৰে। অভিনয় কৰাৰ সময়ত তেওঁৰ বয়স আছিল ষোল্ল বছৰ। সেই সময়ত মহিলাই অভিনয় কাৰ্য্যত অংশগ্ৰহণ কৰাটো সমাজে সহজভাৱে লোৱা নাছিল। সেয়েহে চলচ্চিত্ৰত অভিনয় কৰাৰ দোষত তেওঁক সামাজিকভাৱে বৰ্জন কৰা হৈছিল। তেওঁ নিজে অভিনয় কৰা 'জয়মতী' চলচ্চিত্ৰও বহু পলমকৈহে ১৯৮৫ চনতহে দেখিবলৈ পায়। অসমীয়া চলচ্চিত্ৰ জগতৰ পথ-প্ৰদৰ্শক আইদেউ সন্দিকৈৰ ২০০২ চনৰ ১৭ ডিচেম্বৰত মৃত্যু হয়। ❖

**চন্দ্ৰপ্ৰভা শইকীয়ানী :** চন্দ্ৰপ্ৰভা শইকীয়ানী অসমৰ এগৰাকী স্বাধীনতা সংগ্ৰামী, সমাজসেৱী তথা সাহিত্যিক। তেওঁ অসমৰ নাৰীবাদী আন্দোলনৰ পথ-প্ৰদৰ্শক স্বৰূপ আছিল। তেওঁ মহিলাসকলৰ কল্যাণৰ হকে কাম কৰা বেচৰকাৰী সংস্থা 'সদৌ অসম প্ৰাদেশিক মহিলা সমিতি'ৰ প্ৰতিষ্ঠাপকসকলৰ অন্যতম আছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলন আৰু ১৯২০-২১ চনৰ অসহযোগ আন্দোলনত সক্ৰিয় ভূমিকা গ্ৰহণ কৰা চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি স্বাধীন ভাৰতৰ ৰাজনীতিত আগভাগ লোৱা প্ৰথমগৰাকী মহিলা হিচাপে পৰিগণিত হৈছিল। বৰ্তমানৰ বজালী জিলাৰ দৈশিঙৰী গাঁৱত ১৯০১ চনৰ ১৬ মাৰ্চত চন্দ্ৰপ্ৰভা




শইকীয়ানীৰ জন্ম হৈছিল। জন্মৰ সময়ত দিয়া তেওঁৰ নাম আছিল চন্দ্ৰপ্ৰিয়া। ৰামেশ্বৰী আছিল চন্দ্ৰপ্ৰিয়াৰ ভনীয়েক। দুয়োভনীৰ নাম পাছলৈ চন্দ্ৰপ্ৰভা আৰু ৰজনীপ্ৰভা কৰা হৈছিল। উল্লেখযোগ্য যে ৰজনীপ্ৰভা অসমৰ প্ৰথমগৰাকী এমবিবিএছ ডিগ্ৰীধাৰী মহিলা আছিল।

সৰুৰে পৰা অধ্যয়নৰ প্ৰতি ধাউতি থকা চন্দ্ৰপ্ৰভাই স্বাধীনতা সংগ্ৰামত অংশগ্ৰহণ কৰি নাৰী জাগৰণৰ বাবে কাম কৰিছিল। পৰ্দাপ্ৰথা, দেৱদাসী প্ৰথা আদি সমাজৰ পৰা নোহোৱা কৰিবৰ বাবে তেওঁ যৎপৰোনাস্তি চেষ্টা চলাইছিল। স্বাধীনতা সংগ্ৰামত অংশ লৈ তেওঁ দুবাৰ কাৰাবাস খাটিবলগীয়া হৈছিল। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে তিনিখন উপন্যাস লিখিছিল যদিও 'পিতৃ ভিঠা' নামৰ উপন্যাসখনেহে প্ৰকাশৰ মুখ দেখিছিল। এইখন এখন নাৰীবাদী উপন্যাস। 'মোৰ কবিতা' তেওঁৰ কবিতাপুথি।

১৯৭২ চনত তেওঁ পদ্মশ্ৰী বঁটা লাভ কৰে। ২০০২ চনত ভাৰত চৰকাৰে সামাজিক সংগঠক হিচাপে শইকীয়ানীৰ অৱদানক সুঁৱৰি এটি স্মৃতিচাৰক ডাক টিকট প্ৰকাশ কৰে। ১৯৭২ চনৰ ১৬ মাৰ্চত তেওঁৰ মৃত্যু হয়। ❖

## চিতা বাঘ : দ্ৰুতবেগী স্থলচৰ প্ৰাণী



চিতা বাঘ বিশ্বৰ আটাইতকৈ দ্ৰুতবেগী স্থলচৰ প্ৰাণী। দৌৰি থকাৰ সময়ত ইহঁতৰ বেগ ঘণ্টাত ১১২ কিল'মিটাৰ পৰ্য্যন্ত হ'ব পাৰে। স্থিৰ অৱস্থাৰ পৰা গতি আৰম্ভ কৰাৰ দুই ছেকেণ্ডৰ ভিতৰতে ইহঁতে বহু বেছি বেগত গতি কৰিব পাৰে। এনে কাৰণতে চিতা বাঘক দ্ৰুতবেগী স্থলচৰ প্ৰাণী আখ্যা দিয়া হৈছে। দৌৰিবৰ বাবে ইহঁতৰ দেহৰ গঠন, ঠেঙৰ দৈৰ্ঘ্য, হাতোৰাৰ খামোচ সকলো সুবিধাজনক। চিতা বাঘৰ ৰাজহাড়ডাল লেতু সেতু। যাৰ বাবে ইহঁতে দীঘল দীঘল বেঙা মেলিব পাৰে। আনহাতে ইহঁতৰ ঠেঙৰ পতাকেইখন অলপ বহল হোৱা বাবে এই পতাৰ সহায়ত ইহঁতে অতি বেগেৰে দৌৰিব পাৰে। দৌৰাৰ সময়ত নেজডালে ইহঁতৰ দেহৰ ভাৰসাম্য ৰক্ষাত সহায় কৰে। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য

## শুৱলা ভাষা

আমি সততে ভুল কৰি থকা কেইটিমান শব্দৰ শুদ্ধ মান্য ৰূপ এনে ধৰণৰ—

| ভুল | শুদ্ধ | প্ৰায়োগিক বাক্য |
|---|---|---|
| ক্ষন্তেক সময়ৰ পাছত | ক্ষন্তেক পাছত | ক্ষন্তেক পাছতে অনুষ্ঠানটো আৰম্ভ হ'ব। |
| বজ্ৰপাত পৰি মৃত্যু | বজ্ৰ পৰি মৃত্যু/ বজ্ৰপাতত মৃত্যু | কালি নিশা বজ্ৰপাতত মানুহজনৰ মৃত্যু ঘটিল। |
| তোমাৰ মা | তোমাৰ মাৰা | তোমাৰ মাৰা ঘৰত আছেনে? |
| তথাপিও | তথাপি | মই ইমান মাতিলোঁ, তথাপি সি নাহিল। |
| আমিবোৰ | আমি | আমি আজি চিনেমা চাবলৈ যাম। |
| বানপানী | বান | এইবাৰ বানত শতাধিক গাঁও ক্ষতিগ্ৰস্ত হৈছে। |
| পৰিপক্ক | পৰিপক্ক | ল'ৰাটোৰ পৰিপক্ক চিন্তাই মোক আকৃষ্ট কৰিছে। ❖ |

## মৰুভূমিত ৰাতি অতিশয় চেঁচা কিয়?



মৰুভূমি হ'ল এক অতি শুকান বিস্তৃত অঞ্চল বা ভূমণ্ডল। বালিময় মৰুভূমিবোৰত নামমাত্ৰ গছ-গছনিহে দেখিবলৈ পোৱা যায়। বৃষ্টিপাত কম আৰু বাষ্পীভৱন বেছি হোৱাৰ বাবেই সাধাৰণতে মৰুভূমিৰ সৃষ্টি হয়। উষ্ণ মৰুভূমিত তাপমাত্ৰা বেছি বাবে বাষ্পীভৱনো বেছি। মৰুভূমিৰ আকাশত সাধাৰণতে মেঘ নাথাকে। সেয়ে দিনৰ ভাগত মৰুভূমিৰ ভূ-ভাগে সূৰ্য্যৰ প্ৰায় আটাইখিনি তাপ শোষণ কৰে। আনহাতে ৰাতি ঠিক তাৰ ওলোটাটো ঘটে। আকাশত মেঘ নথকা বাবে ভূ-ভাগৰ তাপ দ্ৰুততাৰে বিকিৰিত হয় বা ওলাই যায় আৰু চৌপাশ অতি চেঁচা হৈ পৰে। মৰুভূমিত সাধাৰণতে দিনৰ গড় তাপমাত্ৰা ৩৮ ডিগ্ৰী চেলছিয়াছ। আনহাতে ৰাতি এই তাপমাত্ৰা -৪ ডিগ্ৰী চেলছিয়াছ পৰ্য্যন্ত হয়। ❖

# ভাৰতৰ বিভিন্ন ৰাজ্যৰ জাতীয় গছসমূহ

**হোলোং গছ (ইংৰাজী** : Hollong Tree), বৈজ্ঞানিক নাম : *Dipterocarpus macrocarpus*। হোলোং গছ হৈছে অসম আৰু অৰুণাচলৰ জাতীয় গছ। হোলোং এক সাধাৰণ মধ্যম বৰ্গৰ কাষ্ঠল বৃক্ষ। এই ডাঙৰ আকাৰৰ গছজোপা ডিপ্টেৰ'কাৰ্পাছিয়া (Dipterocarpaceae) পৰিয়ালৰ অন্তৰ্গত। এইবিধ গছ চীন, ভিয়েটনাম, ফিলিপাইনছ, ম্যানমাৰ, মালয়েছিয়া, ইণ্ডোনেছিয়া, কম্বোডিয়া, ভাৰত ইত্যাদি দেশত পোৱা যায়। এই গছবিধ প্ৰায় 20ৰ পৰা 30 মিটাৰ ওখ হয়। এইবিধ গছ সাধাৰণতে সমভূমিৰ ঘন অৰণ্য, পাহাৰৰ ঢাল, নদীৰ কাষ আৰু ভিতৰৰ অৰণ্যত পোৱা যায়। ভাৰতবৰ্ষত এইবিধ গছৰ পৰা কাঠ আৰু প্লাইউডৰ বিভিন্ন আচবাব বনোৱা হয়। হোলোং গছক অসমৰ মৰাণ জনগোষ্ঠীৰ লোকসকলে পবিত্ৰ গছ বুলি বিশ্বাস কৰে। কাঠ আৰু ৰেজিনৰ বাবে প্ৰধানকৈ এই গছৰ খেতি কৰা হয়। চীন দেশত এইবিধ গছৰ কাঠ নিৰ্মাণ কাৰ্য্যত ব্যৱহাৰ কৰা হয়। কম্বোডিয়াৰ পাহাৰীয়া অঞ্চলৰ মানুহে টৰ্চ আৰু মমবাতি তৈয়াৰ কৰাৰ উদ্দেশ্যে হোলোং গছ ব্যৱহাৰ কৰে। সাধাৰণতে ঘৰৰ খুঁটা আৰু তক্তা আদি তৈয়াৰ কৰাৰ বাবে এই কাঠ উপযুক্ত। ❖



**আঁহত গছ (ইংৰাজী** : Sacred Fig or Peepal Tree), বৈজ্ঞানিক নাম *Ficus religiosa*। আঁহত গছ বিহাৰ আৰু হাৰিয়ানা ৰাজ্যৰ জাতীয় গছ। আঁহত গছ হৈছে ম'ৰাছিয়া (Moraceae) পৰিয়ালৰ অন্তৰ্গত এবিধ ডিমৰু জাতীয় গছ। আঁহত গছক অন্য বহুতো নাম যেনে—বোধি গছ (bodhi tree), পিপল গছ (peepal tree), অশ্বত্থ গছ (ashwattha tree) ইত্যাদি নামেৰে জনা যায়। আঁহত এবিধ পৰ্ণপাতী বা পাৰ্শ্বীয় চিৰসেউজীয়া উদ্ভিদ। এই গছজোপাৰ উচ্চতা 30 মিটাৰ পৰ্য্যন্ত হোৱা দেখা যায়। আঁহত গছ ভাৰত, বাংলাদেশ, নেপাল, পাকিস্তান, শ্ৰীলংকা, দক্ষিণ-পশ্চিম চীন, ইণ্ডোনেছিয়া আদি দেশত স্থানীয়ভাৱে পোৱা যায়। এইবিধ গছ বহুত বছৰলৈ জীয়াই থাকে। পৰম্পৰাগতভাৱে আঁহত গছৰ বিভিন্ন অংশ ঔষধ হিচাপে ব্যৱহাৰ কৰা হয়। তথ্য অনুসৰি প্ৰায় 50 বিধ সৰু-বৰ ৰোগ যেনে—বহুমূত্ৰ, হাপানী, ডায়েৰিয়া, হৃদযন্ত্ৰৰ বিভিন্ন বিসংগতি আদিত এই উদ্ভিদবিধ ব্যৱহৃত হয়। আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিতো আঁহত গছৰ বিভিন্ন অংশ বহুলভাৱে ব্যৱহাৰ কৰা হয়। ❖

# চতুৰ্থৰ পৰা ষষ্ঠ শ্ৰেণীৰ শিক্ষাৰ্থীৰ বাবে বিশেষ পৃষ্ঠা

**আন সকলো শ্ৰেণীৰ বাবেও প্ৰযোজ্য**

## শব্দ শিকোঁ (এদিনত এটাকৈ, এমাহৰ বাবে ৩০টা শব্দ)

## প্ৰশাসনীয় পৰিভাষা

| অসমীয়া | ইংৰাজী | অসমীয়া | ইংৰাজী |
|---|---|---|---|
| বন্ধকত থোৱা | mortgage | মনোনীত ব্যক্তি, প্ৰতিনিধি | nominee |
| শোক কৰা | mourn | অদাহ্য | non-flammable |
| প্ৰস্তাৱক | mover | সাংকেতিক লিপি | notation |
| নৰহত্যা | murder | অধিসূচনা, বিজ্ঞপ্তি | notification |
| সংগ্ৰহালয় | museum | আপদীয়া বস্তু | nuisance |
| পৌৰ, নগৰ-সম্বন্ধীয় | municipal | ধাত্ৰী | nurse |
| নৌ-পৰিবহণ গতিপথ নিৰ্দেশনা | navigation | পৰিপুষ্টি | nutrition |
| নাৱিক | sailor, navigator | শপত | oath |
| নৌ-সেনা | navy | বাধ্য কৰা | oblige |
| বন্দবস্ত | negotiation | কৰ্তব্য | duty |
| নিৰপেক্ষ, প্ৰশম | neutral | অপ্ৰচলিত | obsolete |
| যাযাবৰ, অঘৰী | nomad | স্পষ্ট | obvious, distinct |
| নামকৰণ-পদ্ধতি | nomenclature | দখল কৰা | occupy |
| মনোনয়ন, নামকৰণ | nomination | অপৰাধ, দোষ | offence |
| | | পেচা, বৃত্তি | occuption |
| | | বেতনধাৰী পদ | office of profit ❖ |

*(উৎস : অসম চৰকাৰৰ ৰাজনৈতিক বিভাগে প্ৰকাশ কৰা প্ৰশাসনীয় পৰিভাষা)*

# জিন্দাবাদ বিষ্ণুপ্ৰসাদ

■ অসীম কৃষ্ণ বৰুৱা

**ধাৰা বিৱৰণী :** ৩১ জানুৱাৰী, ১৯০৯ চন। সুজলা-সুফলা, শস্য-শ্যামলা নদ-নদী, জান-জুৰি, হাবি-বননি, নানা জাতি-জনগোষ্ঠীৰে পৰিপূৰ্ণ আই অসমী, এই অসম দেশ। আই অসমীৰ এজন শ্ৰেষ্ঠতম পুত্ৰ, নাম তেওঁৰ বিষ্ণুপ্ৰসাদ ৰাভা। পিতৃ গোপাল চন্দ্ৰ ৰাভা আৰু মাতৃৰ নাম গেঠিবালা ৰাভা।

কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা, কমৰেড বিষ্ণুপ্ৰসাদ ৰাভা। সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা। শ্ৰীমন্ত শংকৰদেৱৰ নীতি-আদৰ্শ আৰু নিজস্ব জীৱন আৰু কৰ্মৰাজিৰে এজন সৰ্বাংগ-পূৰ্ণাংগ মহাপুৰুষ বিষ্ণুপ্ৰসাদ ৰাভা। অসমীয়া জাতিৰ বৈভৱ নাইবা অভাৱ, আশা নাইবা দুৰ্ভাৱনা, শক্তি নাইবা দুৰ্বলতা, সাতোৰঙী ৰামধেনুৰ স্বৰূপ কোনোবাই যদি মৰ্মে মৰ্মে অনুভৱ কৰিছিল, সেয়া আছিল বিষ্ণুপ্ৰসাদ ৰাভা। আজি ২০ জুন, কলাগুৰুৰ মহাপ্ৰয়াণৰ দিন। আমি আয়োজন কৰিছোঁ বিষ্ণু ৰাভা দিৱস। আমাৰ শ্ৰদ্ধাৰ্ঘ্য যাচিছোঁ এইদৰে—

*গীত : আজি মন্দিৰ দুৱাৰ খোলা*
*আজি মন্দিৰ দুৱাৰ খোলা.....*

**ধাৰা বিৱৰণী :** এই মন্দিৰ জাতীয় জীৱনৰ কলা-কৃষ্টি, ভাষা-সংস্কৃতি, ৰাজনীতি, সমাজনীতি, অৰ্থনীতিৰ মন্দিৰ। আমাৰ আৰাধনাৰ পীঠস্থান-তীৰ্থস্থান। আহকচোন সেই বীক্ষা-দীক্ষা-শিক্ষাৰে আমি অনুধাৱন কৰোঁ এই মহাপুৰুষ কলাগুৰুৰ জীৱনাদৰ্শ। কিদৰে ব্যক্তি সত্তাৰ পৰা সমাজ সত্তাৰ সন্ধান পাব পাৰোঁ, ছন্দ বিচাৰি পাওঁ জীৱনৰ—

*গীত : মোৰ কবিতাৰ ছন্দ লাগি*
*স্পন্দন তোৰ জাগেনে...*

**ধাৰা বিৱৰণী :** এই ছন্দ লাগক, লগাওক। নহ'লে জাতি নাবাচে, মাটি নাথাকে, ভেটি নাথাকে। এই ছন্দ-লয়-তান, সমলয়, কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া জাতিক প্ৰদান কৰা অমোঘ অস্ত্ৰ জীৱন যুঁজৰ, অস্তিত্ব ৰক্ষাৰ অভেদ্য কৱচ। সেয়েহে কবিতাৰে আহ্বান...

কবিতা : হেৰ' বিপ্লৱী বিদ্ৰোহী বীৰ
তোল তোৰ অৱনত শিৰ।
অতদিন কিয় তই
আছিলি সুষুপ্ত
পৰ পদানত
নিৰ্য্যাতিত নিপীড়িত
দলিত পতিত...

**ধাৰা বিৱৰণী :** প্ৰতিজন মানুহেই একোজন বিপ্লৱী, বিপ্লৱে কি কয়? কয় সমাজ বিবৰ্তনৰ কথা। অন্যায়ৰ বিৰুদ্ধে সংগ্ৰামৰ কথা। প্ৰতিগৰাকী মানুহৰ মনত থাকে এই বিপ্লৱী সত্তা। যদি থাকে তেওঁৰ সততা, সাধুতা, সাহস। নিঃস্বাৰ্থ প্ৰকৃতিৰ ৰাভাদেৱৰ আছিল এই সকলোৰে আকৰ, উৎস।

*গীত : নাহৰ ফুলে নুশুৱায়*
*তগৰ ফুলে শুৱাব...*

**ধাৰা বিৱৰণী :** এফালে বিপ্লৱী সত্তাৰ প্ৰতিভূ আৰু আনফালে নাহৰ-তগৰ-কপৌ ফুলৰ সুবাস, কোমলতাৰে উথপথপ থৌকি-বাথৌ ৰাভাদেৱৰ প্ৰেমিক অন্তৰ। সেই প্ৰেম ব্যক্তিবাদী নহয়। সেয়া জগতৰ প্ৰেম, জীৱনৰ প্ৰেম। সেয়াই সৈনিক শিল্পী বিষ্ণুপ্ৰসাদ ৰাভা।

*কবিতা : আই মোৰ ভাৰতী জননী*
*লখিমী দুখুনী;*
*ভাৰতবাসীৰ হৃদয়ৰে ৰাণী*
*মোৰ পৰাণৰ...*

**ধাৰা বিৱৰণী :** জকাইচুকীয়া গাঁওখনৰ পৰা বুঢ়া লুইতৰ বুকুৰেদি দুয়ো পাৰেৰে সুবিশাল ভাৰতৰ সত্তা বিচাৰি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে সন্ধান পাইছিল বিশ্ব আত্মাৰ, বিশ্ব নাগৰিকত্বৰ, মানৱতাৰ। জাতীয়তাবোধ, দেশাত্মবোধ, মানৱতাবোধৰ আদিপাঠ তেওঁ গভীৰতম ৰূপত অনুভৱ কৰিছিল। সেয়াই আছিল তেওঁৰ জীৱনবোধ, জীৱনাদৰ্শ।

সেই নীতি-আদৰ্শক লৈ তেওঁ জীৱনৰ কণ্টকাকীৰ্ণ, প্ৰত্যাহ্বানৰ চূড়ান্ত বাটেৰে আগ বাঢ়িছিল, ৰচনা কৰিছিল, সুৰ কৰিছিল, সংগীতেৰে এই ভূখণ্ডক আহ্বান জনাইছিল—

যিসকল তেজোদ্দীপ্ত, যাৰ আছে স্বদেশ-স্বজাতিৰ প্ৰতি দুৰ্বাৰ আগ্ৰহ-আকৰ্ষণ, কৰ্তব্যনিষ্ঠা সেইসকলক বিষ্ণুপ্ৰসাদ ৰাভাদেৱে ডেকা মানুহ/ডেকা দল বুলি কৈছিল। কৈছিল/ আহ্বান জনাইছিল কেনেদৰে? এনেদৰে...

*গীত : অ' অসমীয়া ডেকা দল*
*অ' অসমীয়া ডেকা দল...*

**ধাৰা বিৱৰণী :** এতিয়া দায়িত্ব আমাৰ—এই আহ্বানক সাৱোগত কৰি সময়ৰ প্ৰত্যাহ্বানৰ সৈতে মোকাবিলা কৰোঁ আহক। ৰাভাদেৱে সমাজৰ মুক্তিৰ বাবে জীৱন উছৰ্গা কৰিছিল। বুজি পাইছিল—জীৱন-জগত-সমাজৰ দুখ-বেদনা—সেয়েহে কবিতাৰে তেওঁ প্ৰকাশ কৰিছিল তেওঁৰ দায়বদ্ধতা।

*কবিতা : বুদ্ধ হ'ল অৱৰুদ্ধ...*
*হিংসাৰ কাৰাত হ'ল অহিংসা নিৰুদ্ধ*
*মিছা হ'ল অহিংসা প্ৰচাৰ*
*হ'ল চউপাশে দিশে হিংসাৰ প্ৰসাৰ...*

**ধাৰা বিৱৰণী :** একেদৰেই জাতি সত্তাৰ প্ৰকৃত স্বৰূপৰ সন্ধান পাইছিল তেওঁ সৰ্বহাৰা মানুহৰ বুকুৰ ধপধপনিত। ৰণুৱা-বনুৱা-কৃষক, মেহনতী জনতাৰ মুক্তি-উন্নতি, সুখ-সমৃদ্ধিৰ হকে তেওঁ গ্ৰহণ কৰিছিল আজীৱন ৰণ কৰাৰ পণ। সেয়েহে গীতেৰে জনাইছিল উদগ্ৰ আহ্বান—

*গীত : ব'ল ব'ল ব'ল কৃষক শক্তি দল*
*অ' বনুৱা সমনীয়া আগ বাঢ়ি যাওঁ ব'ল...*

**ধাৰা বিৱৰণী :** এফালে কৃষক, ৰণুৱা-বনুৱাৰ প্ৰতি সেই আহ্বান—আনফালে শোষণকাৰীসকলৰ প্ৰতি চূড়ান্ত প্ৰত্যাহ্বান। জনতাৰ মুক্তিৰ স্বাৰ্থত ভাঙি পেলাব লাগিব শোষণতন্ত্ৰৰ পৰিকাঠামো। সেয়েহে লিখিছিল সেই অমোঘ কাব্যমন্ত্ৰ—

*কবিতা : ভাং ভাং ভাং ভাং লোহাৰ শিকলি ভাং*
*ছিং ছিং ছিং ছিং দাসৰ বান্ধোন ছিং*
*খোল খোল খোল খোল কাৰাৰ ফাটক খোল।*

**ধাৰা বিৱৰণী :** জীৱন সংগ্ৰামক, জনতাৰ সংগ্ৰামক তেওঁ দিছিল সেই চূড়ান্ত কলাত্মক ৰূপ। এহাতে বন্দুক, এহাতে কলম। বিষ্ণুপ্ৰসাদ ৰাভাদেৱে সেই ঐকতান সৃষ্টি কৰিছিল। ছন্দ বিচাৰি পাইছিল—সন্ধান দিছিল মহা আনন্দৰ অক্ষয় খনিৰ উৎস। গীতৰ ভাষাৰে ...

*গীত : বিশ্বৰে ছন্দে ছন্দে*
*মহানন্দে আনন্দে...*

**ধাৰা বিৱৰণী :** বিশ্বৰ ছন্দ বিচাৰি পোৱা মহাপুৰুষ বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু কৰ্মৰ আলোকপাত এক বিশাল অধ্যয়ন আৰু গৱেষণাৰ কাম। এয়া এক অনুভৱৰ একাত্মতা সৃষ্টিৰ ক্ষুদ্ৰ প্ৰয়াসহে মাথোন।

সংগীত, কবিতা, গদ্য, নাটক, অভিনয়, চিনেমা, জনসংগ্ৰামৰ মাজত ৰাভাদেৱৰ ব্যক্তিত্ব হিমালয়ৰ দৰে সুউচ্চ। আহকচোন এইবাৰ আমি বিষ্ণুপ্ৰসাদ ৰাভাদেৱে ৰচনা কৰা এজেণ্টি মুলুক নাটকৰ কিয়দংশৰ মাজলৈ যাওঁ।

***মণিৰাম :*** *তেতিয়া ক'ত আছিল আপোনালোক? ক'ত আছিল আপোনালোকৰ সেই শক্তি? যি শক্তিৰে এদিন আপোনালোকেই ৰংপুৰৰ কাৰেংঘৰ অধিকাৰ কৰি আহোমৰ সিংহাসনৰ সাতোলা আসনত বহি অসমখন চলাইছিল, যি শক্তিৰে আপোনালোকে নিজ বাহুবলেৰে এই ডিব্ৰুগড় অঞ্চল অধিকাৰ কৰি বেলেগে এখন মটক ৰাজ্য স্থাপন কৰিছিল। অথচ আপোনালোকৰ বুকু গচকি, গৰকি মানে আহি আপোনালোকৰ ল'ৰা-ছোৱালী আচাৰি-আফালি খেলিছিল, আপোনালোকৰে বাই-ভনীৰ গৰ্ভ ফালি সন্তান উলিয়াই সেই সন্তান ফৰ্মুটিয়াই গছৰ ফল পাৰিছিল—আপোনালোকৰ বুকুৰ কলিজা আহোমৰ অচমৰ মন্ত্ৰী কলিবৰ গোহাঁইক নিষ্ঠুৰভাৱে হত্যা কৰিছিল, আপোনালোকৰে এজন গুৰু-গোসাঁইক ধৰি নি বন্দী কৰি থৈছিল—তেতিয়া ক'ত আছিল সেই শক্তি, ক'ত আছিল?...*

*মই আজি হ'লোঁ সেই বিশ্বাসঘাতক বদন চন্দ্ৰ বৰফুকন। শুনক বৰগোহাঁই। সঁচা কথা ময়েই আনিছিলোঁ সেই বগা বঙালৰ ইষ্ট ইণ্ডিয়া কোম্পানীৰ ৰঙা ফৌজ, ময়েই বাট দেখুৱাইছিলোঁ ডেভিদ স্কট আৰু ডেভিদছনে মান খেদি অসমলৈ আহোঁতে কেপ্টেইন হৰ্ছবৰাৰ তলে*

*যিটো পল্টন আহিছিল, সেই পল্টনক গুৱাহাটীৰ পৰা কলিয়াবৰলৈ ময়েই আহিছিলোঁ, কৰ্নেল ৰিচাৰ্ডছ চাহাবৰ লগত দিখৌমুখেদি ৰংপুৰলৈ, আৰু এতিয়া ময়েই আনিছোঁ এই বিৰিমফিন চাহাবক আপোনাৰ প্ৰতিশ্ৰুত ভায়েকক এই শদিয়ালৈ; বদনৰ দৰে মান আনি অসমখন ছাৰখাৰ কৰিবলৈ নহয়; অসমী আইৰ ধ্বংস হোৱা মূৰতি জোৰা দি পুনৰ গঢ়ি শুৱনি কৰি পুঁজিবলৈ; শান্তিৰ প্ৰতিমূৰ্তি আগত লৈ সেৱা কৰিবলৈ। কওক কওক যদি মোৰ কিবা দোষ হৈছে। যদি মোৰ কিবা দোষ হৈছে তেন্তে মোক শাস্তি দিয়ক, শাস্তি দিয়ক। সেই শাস্তি মই হাঁহিমুখে ল'ম, হাঁহিমুখে ল'ম।...*

বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ আছিল সুতীব্ৰ ইতিহাস চেতনা। সেই চেতনাই তেওঁক সৃষ্টিৰ সুবিশাল জগতখনলৈ লৈ গৈছিল।

*(আলেখ্যৰ বাবে নিৰ্ধাৰিত কৰা সময় অনুসৰি ৰাভাদেৱৰ আন আন নাটকৰ দৃশ্যাংশৰ অভিনয়ো যোগ দিব পাৰি।)*

**ধাৰা বিৱৰণী :** এনেদৰে অনিৰ্বচনীয় সুবিশাল ব্যক্তিত্বৰ অধিকাৰী কলাগুৰু, কমৰেড, সেউজ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাদেৱে মানুহ, জাতি, দেশক প্ৰদান কৰি গ'ল জীয়াই থকাৰ মহামন্ত্ৰ। সংগ্ৰামৰ আদৰ্শ। ১৯৬৯ চনৰ ২০ জুন তাৰিখে তেওঁ কায়িক দেহ ত্যাগ কৰি ৰচনা কৰি গ'ল—

*গীত : এয়ে মোৰ শেষ গান*
*মোৰ জীৱন নাটৰ শেষ ৰাগিণী*
*কল্যাণ খৰমান...*

**ধাৰা বিৱৰণী :** শেষ গান, অন্তিম গান গাই ৰাভাদেৱে হুঁচিয়াৰ কৰি থৈ গ'ল নতুন প্ৰজন্মক। সৰ্বহাৰাৰ মুক্তি সংগ্ৰামৰ অক্লান্ত যোদ্ধাজনে ইংৰাজৰ ঔপনিৱেশিক শাসনৰ বিৰুদ্ধে হোৱা সংগ্ৰামৰ শেষত কৈছিল "য়ে আজাদী জুথা হে"— এই স্বাধীনতা ভুৱা। ৰাভাদেৱে বুজি পাইছিল শোষণকাৰী শাসকৰ স্বৰূপ।

জনতাৰ সৰ্বাংগীণ কল্যাণ, সম্পদৰ সম-বিতৰণ নহ'লে স্বাধীনতাৰ অৰ্থ শূন্য। সেই অপৰাধতে তেওঁক হাতে-ভৰিয়ে শিকলি লগাই তেজপুৰৰ ৰাজআলিয়েদি স্বাধীন ভাৰতৰ শাসনতন্ত্ৰই গ্ৰেপ্তাৰ কৰি লৈ গৈছিল।

নৃত্যবিশাৰদ ৰাভাদেৱে নাচিছিল তাণ্ডৱ নৃত্য। যি নৃত্যই স্বদেশৰ পৰিধি ভাঙি ৰোমাঞ্চিত কৰিছিল অগণিত জনতাক। সেই একেজন ৰাভাদেৱে ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক উত্তৰণৰ নীতিগত আদৰ্শৰ সন্ধান দিছিল। জনতাক নেতৃত্ব দিছিল।

মানৱতা, সুন্দৰতাৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভাৰ মহাপ্ৰয়াণৰ এই পবিত্ৰ দিনত আমাৰ সংকল্প হওক এয়ে যে তেওঁৰ জীৱন আৰু কৰ্মেৰে আমি সুগভীৰ ৰূপত অনুপ্ৰাণিত হওঁ, স্বদেশ-স্বজাতিৰ প্ৰতি দায়বদ্ধ হওঁ। আহক সমস্বৰে কওঁ—

*বিষ্ণুপ্ৰসাদ ৰাভা*
*অমৰ হওক*
*বিষ্ণুপ্ৰসাদ ৰাভা অমৰ হওক*
*বিষ্ণুপ্ৰসাদ ৰাভা*
*জিন্দাবাদ জিন্দাবাদ জিন্দাবাদ।*

**বিশেষ দ্ৰষ্টব্য :**

*ক) 20 জুন, 2024 তাৰিখে অসম জাতীয় বিদ্যালয়ত আয়োজিত বিষ্ণু ৰাভা দিৱসত এই আলেখ্যখন অজাবিৰ একাংশ শিক্ষক-শিক্ষয়িত্ৰীৰ দ্বাৰা মঞ্চস্থ কৰা হৈছিল।*

*খ) বিষ্ণুপ্ৰসাদ ৰাভাদেৱৰ বিশাল ব্যক্তিত্বক এয়া ভুৰুকাত হাতী ভৰোৱাৰ দৰেহে এক প্ৰয়াস।*

*গ) আলেখ্যৰ ধাৰা বিৱৰণীৰ প্ৰক্ষেপণত নিয়ন্ত্ৰিত ৰূপত নাটকীয়তা থকা উচিত।*

*ঘ) গীতসমূহৰ সমান্তৰালভাৱে নিৰ্বাচিত নৃত্যৰূপ প্ৰদৰ্শন কৰিব।*

*ঙ) প্ৰতিটো গীত কমেও তিনি মিনিটতকৈ গাব পাৰিব।*

*চ) কবিতা আবৃত্তি অৰ্থ অনুসৰি সাংগীতিক হ'ব। নিৰ্ধাৰিত সময় অনুসৰি প্ৰতিটো কবিতাৰ নিৰ্বাচিত অংশ আবৃত্তি কৰিব।*

*ছ) নাট্যাংশৰ ক্ষেত্ৰত চৰিত্ৰৰ সাজ-সজ্জা, ৰূপসজ্জা, নেপথ্য সংগীত থকা উচিত।*

*জ) এই আলেখ্য মঞ্চস্থ কৰিলে পৰিচালকে নিজস্ব সৃজনশীল চিন্তা নিশ্চয়কৈ যোগ দিব পাৰিব। কোনোবাই মঞ্চস্থ কৰিলে খবৰ জনাব।* ❖

# চুড’কু

তলৰ আকৃতি এটাৰ ৯টা শাৰী আৰু ৯টা স্তম্ভৰ লগতে প্ৰতিটো বৰ্গক্ষেত্ৰত ১ৰ পৰা ৯লৈ সংখ্যাকেইটা এবাৰকৈহে বহিব।

## চুড’কু ২০৬

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| 8 | 5 | 4 | 3 | 6 | 1 | 2 | 9 | 7 |
| 7 | 3 | 1 | 9 | 2 | 8 | 5 | 4 | 6 |
| 6 | 2 | 9 | 4 | 7 | 5 | 8 | 3 | 1 |
| 4 | 9 | 2 | 7 | 5 | 3 | 1 | 6 | 8 |
| 3 | 8 | 7 | 6 | 1 | 2 | 9 | 5 | 4 |
| 1 | 6 | 5 | 8 | 9 | 4 | 3 | 7 | 2 |
| 2 | 1 | 6 | 5 | 3 | 7 | 4 | 8 | 9 |
| 5 | 7 | 8 | 1 | 4 | 9 | 6 | 2 | 3 |
| 9 | 4 | 3 | 2 | 8 | 6 | 7 | 1 | 5 |

## চুড’কু ২০৭

| | | | | | | | | |
|---|---|---|---|---|---|---|---|---|
| | | 5 | | | 8 | | 7 | |
| | | 1 | 5 | | | | | |
| 3 | 8 | | 7 | | | | | 5 |
| 5 | 7 | | | 2 | | | | |
| | | | | 4 | | | 5 | 7 |
| | | 9 | 1 | | 5 | 6 | | |
| | 3 | | | | 4 | | 6 | 8 |
| | | | | | 3 | 7 | | |
| 9 | | | 6 | | | 2 | | |

### তোমালোকে জানানে?

## গুহা চিত্ৰক পৃথিৱীৰ আদিমতম চিত্ৰকলা বুলি কোৱা হয় কিয়?



প্ৰাচীন মানুহে গুহাত বাস কৰিছিল। তেওঁলোকে চিকাৰ কৰি জীৱন নিৰ্বাহ কৰিছিল। তাৰ পাছত তেওঁলোকে চিকাৰ কৰা জন্তুবোৰৰ ছবি গুহাৰ বেৰত আঁকিবলৈ আৰম্ভ কৰিলে। সেইবোৰ আছিল বিশ্বৰ প্ৰথম চিত্ৰ। কেৱল এটা প্ৰাচীন সভ্যতাতে নহয়, বিশ্বৰ প্ৰায় সকলো প্ৰাচীন সভ্যতাতে প্ৰথমে গুহাৰ বেৰতে চিত্ৰাংকণ আৰম্ভ হৈছিল। আমাৰ ভাৰতৰ অজন্তা, ইলোৰাৰ উপৰি ইউৰোপ, আফ্ৰিকা, অষ্ট্ৰেলিয়া আদিতো প্ৰাচীন গুহা চিত্ৰৰ নিদৰ্শন পোৱা যায়। আটাইতকৈ পুৰণি গুহা চিত্ৰৰ নিদৰ্শন পোৱা গৈছে আফ্ৰিকাত। সেই চিত্ৰ এতিয়াৰ পৰা প্ৰায় ৩০,০০০ হাজাৰ বছৰ আগৰ। প্ৰথমে এঙাৰজাতীয় বস্তুৰে গুহা চিত্ৰবোৰ অংকন কৰা হ’লেও বিভিন্ন ৰঞ্জকৰ আৱিষ্কাৰ হোৱাৰ পাছত ছবিবোৰ ৰঙীন হ’বলৈ আৰম্ভ কৰিলে। প্ৰাক্‌ঐতিহাসিক কালৰ আটাইতকৈ সুন্দৰ গুহা চিত্ৰ পোৱা যায় দক্ষিণ-পশ্চিম ফ্ৰান্স আৰু স্পেইনত। ❖

উৎস : শান্তনু কৌশিক বৰুৱাৰ ‘কি, ক’ত, কিয়, কেনেকৈ’?

নিবন্ধ

# কূটনৈতিক উপহাৰ

■ ৰাণু বুজৰবৰুৱা

উপহাৰ ! যিকোনো বয়সৰ ব্যক্তিৰে ভাল লগা এটা শব্দ। সাধাৰণ যেন লগা উপহাৰো কাৰোবাৰ বাবে অতি মূল্যবান হ'ব পাৰে। কাৰণ উপহাৰৰ মাধ্যমেৰে এগৰাকী ব্যক্তিয়ে আন এগৰাকী ব্যক্তিৰ প্ৰতি থকা মৰম, আদৰ, আনন্দ, দায়িত্ববোধ আদি প্ৰকাশ কৰে। কোনো উপহাৰ যেতিয়া কোনো দুখন দেশ বা ৰাষ্ট্ৰৰ মাজৰ বন্ধুত্ব, সহযোগিতা, শান্তি-সম্প্ৰীতি আদিৰ প্ৰতিনিধিত্ব কৰে, তেতিয়া সেই উপহাৰ সাধাৰণ উপহাৰ হৈ নাথাকে। তেনে উপহাৰক কূটনৈতিক উপহাৰ (Diplomatic gift) বোলা হয়।

কূটনৈতিক উপহাৰে দুখন দেশৰ মাজৰ সম্পৰ্ক উন্নত কৰাৰ লগতে দেশসমূহৰ ঐতিহ্য, পৰম্পৰা, সাংস্কৃতিক প্ৰাচুৰ্য্য, হস্তকলা আদিও আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত তুলি ধৰে।

কূটনৈতিক উপহাৰ প্ৰদানৰ ব্যৱস্থা মানৰ সমাজত প্ৰাচীন কালৰ পৰাই প্ৰচলিত হৈ আহিছে। তেনে উপহাৰ প্ৰদানৰ উদ্দেশ্য ভিন ভিন হ'ব পাৰে। দুখন সাম্ৰাজ্যৰ মাজত বন্ধুত্ব গাঢ় কৰিবলৈ, কোনো এখন শক্তিশালী ৰাজ্যৰ আক্ৰমণৰ পৰা ৰক্ষা পাবলৈ, সেই ৰাজ্যৰ লগত বন্ধুত্ব গঢ়িবলৈ, অথবা তৃতীয় এখন ৰাষ্ট্ৰ বা ৰাজ্যক যুদ্ধত পৰাজিত কৰিবলৈও উপহাৰ দিয়া হৈছিল। এনে উপহাৰত হাতী, ঘোঁৰা, ধন-সোণ, মূল্যবান কাপোৰ, যুদ্ধৰ সামগ্ৰী আদি আছিল। কেতিয়াবা নিজৰ ৰাজ্যৰ কিছু অংশ শক্তিশালী ৰাজ্যলৈ উপহাৰ হিচাপে আগ বঢ়াই নিজৰ ৰাজত্ব অক্ষুণ্ণ ৰাখিবলগীয়া হৈছিল।

বিশ্বৰ ৰাষ্ট্ৰসমূহৰ মাজত শান্তি-সম্প্ৰীতি অটুট ৰখাত কূটনৈতিক উপহাৰে সদায় উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। বিশ্বৰ ইতিহাসত তেনে উদাহৰণ যথেষ্ট আছে। প্ৰাচীন বাইজেন্টিয়ান সাম্ৰাজ্যই পশ্চিমীয়া দেশসমূহক ৰেছমী কাপোৰ উপহাৰ দিছিল। অট'জ'ন সাম্ৰাজ্য আৰু বৃটিছ সাম্ৰাজ্যৰ মাজতো সু-সম্পৰ্কৰ বাবে কূটনৈতিক উপহাৰৰ আদান-প্ৰদান হৈছিল। অৱশ্যে তেনে উপহাৰৰ মাধ্যমেৰে অট'জ'ন সাম্ৰাজ্যই নিজৰ প্ৰভুত্ব সাব্যস্ত কৰিব বিচাৰিছিল। ঠিক তেনেদৰে ইংলণ্ড আৰু স্কটলেণ্ডৰ তিক্ত সম্পৰ্ক ভাল কৰিবলৈও সোণ, ৰূপ, ঘোঁৰা আদি উপহাৰৰ আদান-প্ৰদান চলিছিল।

আমাৰ দেশৰ ইতিহাসতো তেনে উদাহৰণ বহুতো আছে। প্ৰাচীন গ্ৰীক সাম্ৰাজ্যৰ লগত মৌৰ্য্য শাসকসকলে উপহাৰৰ আদান-প্ৰদান কৰি বাণিজ্যিক সম্পৰ্ক গঢ়ি তুলিছিল। তেনে সম্পৰ্কৰ প্ৰভাৱ সেই সময়ৰ স্থাপত্য আৰু সাহিত্যত দেখিবলৈ পোৱা যায়। গ্ৰীক ৰজা ছেলিউকাছে (Seleucus) চন্দ্ৰগুপ্ত মৌৰ্য্যলৈ তেওঁৰ অধীনৰ ভূখণ্ড (গান্ধাৰ আৰু আৰাকাচিয়া) উপহাৰ হিচাপে দিছিল আৰু চন্দ্ৰগুপ্তয়ো তেওঁলৈ যুদ্ধৰ প্ৰশিক্ষণপ্ৰাপ্ত ৫০০ হাতী উপহাৰ দিছিল। ঠিক একেদৰে কুশাণ সাম্ৰাজ্যৰ শাসকে ৰোমান সাম্ৰাজ্যলৈ বাঘ, সাপ, চৰাই, মূল্যবান মুকুতা আদি উপহাৰ হিচাপে দিছিল। এনে উপহাৰৰ আদান-প্ৰদানৰ প্ৰধান উদ্দেশ্য আছিল বাণিজ্যিক সম্পৰ্ক গাঢ় কৰা। কূটনৈতিক উপহাৰসমূহে এখন দেশৰ সম্পদৰ বিজ্ঞাপনৰো (advertisement) কাম কৰে।

আমাৰ ৰাজ্যৰ ইতিহাসতো তেনে উদাহৰণ আছে। প্ৰাচীন কামৰূপৰ বিখ্যাত শাসক ভাস্কৰ বৰ্মনে নিজৰ কূটনীতিৰ দ্বাৰা সৰ্বভাৰতীয় ৰাজনীতিত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিবলৈ সক্ষম হৈছিল। চিৰশত্ৰু বংগৰ ৰজাক পৰাস্ত কৰিবলৈ সেই সময়ৰ উত্তৰ ভাৰতৰ শক্তিশালী ৰজা হৰ্ষবৰ্ধনৰ লগত পত্ৰ আৰু বিভিন্ন কূটনৈতিক উপহাৰৰ মাধ্যমেৰে বন্ধুত্ব গঢ়ি তুলিছিল। উপহাৰসমূহৰ ভিতৰত সুস্বাদু খাদ্য সামগ্ৰী, নানাবিধ বস্ত্ৰ, অলংকাৰ, পিতলৰ বাঘ, কামৰূপৰ ৰজাঘৰত থকা বৰুণ দেৱতাৰ ছত্ৰ 'আভোগ' আদি প্ৰধান। সেই মিত্ৰতাৰ সূত্ৰে কোনো তৃতীয় পক্ষই আক্ৰমণ কৰিলে দুয়োখন ৰাজ্যই মিলি তাৰ বিৰুদ্ধে যুঁজ দিছিল।

বিশ্ব ইতিহাসত কূটনৈতিক উপহাৰৰ উদাহৰণ যথেষ্ট আছে। তেনে এক উদাহৰণ হ'ল—আমেৰিকাৰ নিউয়ৰ্ক চহৰত অৱস্থিত ৪৬ মিটাৰ ওখ 'ষ্টেচু অব লিবাৰ্টি' (Statue of Liberty)। এই মূৰ্তিটো তামেৰে নিৰ্মিত। ইয়াৰ নক্সা প্ৰস্তুত কৰিছিল ফ্ৰেডেৰিক অগষ্টে বাৰথ'ল্ডিয়ে (Frederic Auguste Bartholdi)। আমেৰিকাৰ স্বাধীনতা সংগ্ৰামত ফ্ৰান্সৰ নাগৰিকৰ সহযোগিতাৰ চিনস্বৰূপে আৰু আমেৰিকাৰ দাস প্ৰথা শেষ কৰি সকলো নাগৰিকে লাভ কৰা স্বাধীনতা আৰু গণতান্ত্ৰিক অধিকাৰক সন্মান জনোৱাৰ উদ্দেশ্যে এই উপহাৰ ফ্ৰান্সে আমেৰিকালৈ আগ বঢ়াইছিল। ফ্ৰান্সে ১৮৮৬ চনৰ ২৮ অক্ট'বৰত আমেৰিকাৰ স্বাধীনতাৰ শতবাৰ্ষিকী উপলক্ষে এই মূৰ্তিটো আমেৰিকালৈ হস্তান্তৰ কৰিছিল।

১৮৫০ চনত প্ৰায় ২০০ বছৰৰ অন্তত জাপানে আমেৰিকা আৰু ইউৰোপৰ লগত বাণিজ্যিক সম্পৰ্ক স্থাপন কৰিছিল। সেই উদ্দেশ্যে আমেৰিকালৈ যোৱা জাপানৰ প্ৰথমটো কূটনৈতিক দলে তেওঁলোকৰ দেশৰ নানান মূল্যবান সামগ্ৰী উপহাৰ হিচাপে লৈ গৈছিল। বিনিময়ত আমেৰিকাৰ ৰাষ্ট্ৰীয় সচিবে জাপানৰ দলটোলৈ তেওঁলোকৰ পদ অনুসৰি সোণ, ৰূপ আৰু ব্ৰঞ্জৰ পদক আগ বঢ়াইছিল।

বিশ্বৰ প্ৰতিখন দেশে নিজৰ দেশত পোৱা বিশেষ একোবিধ প্ৰাণীক নিজৰ ৰাষ্ট্ৰীয় জন্তু বা পক্ষী হিচাপে চিহ্নিত কৰে। তেনেবোৰ প্ৰাণীও কূটনৈতিক উপহাৰ হিচাপে আদান-প্ৰদান কৰা দেখা যায়। ১৯৮৬ চনত ইণ্ডোনেছিয়াৰ ৰাষ্ট্ৰপতি চুহাৰ্টোৱে আমেৰিকাৰ ৰাষ্ট্ৰপতি ৰ'নাল্ড ৰেগানলৈ ক'ম'ড ড্ৰেগন উপহাৰ দিছিল। ঠিক তেনেদৰে নেপালে চীনৰ ৰাষ্ট্ৰদূতলৈ গঁড় উপহাৰ দিছিল, বিনিময়ত চীনে বগা ওঁঠৰ হৰিণা, সাৰেং চৰাই, বিশেষ প্ৰজাতিৰ বান্দৰ (black-leaf monkey) উপহাৰ দিছিল। ভূমিকম্পৰ সময়ত সহায় আগ বঢ়োৱা ৰাছিয়ালৈ জাপানে কৃতজ্ঞতাৰ চিনস্বৰূপে এটা কুকুৰ (Akita dog) দিছিল আৰু ৰাছিয়াই জাপানলৈ ছাইবেৰিয়ান মেকুৰী উপহাৰ হিচাপে দিছিল।

২০২৩ চনৰ ৯ আৰু ১০ ছেপ্টেম্বৰত আমাৰ দেশত অনুষ্ঠিত ১৮তম G-20 সন্মিলনত অংশগ্ৰহণ কৰিবলৈ অহা দেশসমূহৰ ৰাষ্ট্ৰপ্ৰধানসকলক আমাৰ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে নানান উপহাৰেৰে সন্মানিত কৰিছিল। উপহাৰসমূহ এনেদৰে নিৰ্বাচন কৰা হৈছিল যাতে সেইবোৰে বিশ্বৰ আগত আমাৰ দেশৰ সাংস্কৃতিক, ভৌগোলিক, প্ৰাকৃতিক বিচিত্ৰতা আদিও দাঙি ধৰিব পাৰে। উপহাৰসমূহৰ ভিতৰত গোলাপৰ কাঠৰ চন্দুক, কাশ্মীৰৰ কেশৰ, দাৰ্জিলিং আৰু নীলগিৰিৰ চাহপাত, অন্ধ্ৰপ্ৰদেশৰ আৰাকু কফি, অসমৰ মুগাৰ শ্বল, কাঞ্জিভৰম আৰু বাৰানসীৰ শ্বল আদি প্ৰধান।

কূটনৈতিক উপহাৰৰ মূল উদ্দেশ্য যদিও আন্তঃৰাষ্ট্ৰীয় শান্তি, সম্প্ৰীতি তথা সহযোগিতা, কিন্তু কেতিয়াবা এনে উপহাৰ দুখন ৰাষ্ট্ৰৰ মাজত তিক্ত সম্পৰ্কৰ কাৰকো হৈ পৰে। পাশ্চাত্যৰ শিল্প বিপ্লৱৰ সফলতাক প্ৰতিনিধিত্ব কৰা বহুতো উপহাৰ বৃটেইনে চীন দেশৰ কিং সাম্ৰাজ্যলৈ (Qing dynasty) পঠিয়াইছিল। উদ্দেশ্য আছিল চীন দেশৰ লগত বাণিজ্যিক সম্পৰ্ক বৃদ্ধি কৰা। উপহাৰবোৰৰ ভিতৰত বৃটেইনৰ আটাইতকৈ ডাঙৰ যুদ্ধ জাহাজখনৰ এটা আৰ্হি আছিল, য'ত ১১০ বিধ গধুৰ যুদ্ধাস্ত্ৰ সজ্জিত হৈ আছিল। এই উপহাৰৰ মাধ্যমেৰে বৃটিছসকলে নিজৰ নৌসেনাৰ শক্তি প্ৰদৰ্শন কৰিব বিচাৰিছিল। কিন্তু চীনে এই উপহাৰক সহজভাৱে লোৱা নাছিল। কাৰণ তেওঁলোকে এনে উপহাৰ সামৰিক ভাবুকি বুলিহে গণ্য কৰিছিল।

আকৌ, ২০১৩ চনত বৃটিছ প্ৰধানমন্ত্ৰী জেমছ কেমেৰ'ণৰ ৰাছিয়া ভ্ৰমণৰ সময়ত ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনে কেমেৰ'ণক ৰাছিয়াৰ জুদ' খেলুৱৈয়ে খেল জিকাৰ এখন ছবি উপহাৰ দিছিল। এই উপহাৰক বৃটিছ সামাজিক মাধ্যমে সহজভাৱে গ্ৰহণ কৰা নাছিল।

সাৱধানতা আৰু সচেতনভাৱে নিৰ্ধাৰণ কৰা কূটনৈতিক উপহাৰে দেশসমূহৰ নিজৰ ইতিহাস, প্ৰাচুৰ্য্য, সফলতা বিশ্বৰ আগত দাঙি ধৰাৰ লগতে সেইবোৰ সংৰক্ষণৰ ক্ষেত্ৰতো সহায় কৰে। অতীজৰে পৰা বিশ্ব শান্তিৰ ক্ষেত্ৰত কূটনৈতিক উপহাৰে উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰি আহিছে। ❖

# ডাইনীৰ কান্দোন

■ বিৰিখ শৰ্মাচাৰ্য্য
সপ্তম শ্ৰেণী



আজি চম্পাৰ মাক কামৰ পৰা খৰধৰকৈ আহি ঘৰ সোমাল। তাকে দেখি চম্পাৰ মনত সন্দেহ হ'ল—“ক'ৰবাত নিশ্চয় কিবা ঘটিছে, সেইবাবে মাক ইমান লৰালৰিকৈ আহিছে।” মাকৰ হেঁফনি-ফেঁফনি দেখি তাই ভিতৰলৈ গৈ পানী এগিলাছ আনি হাতত দিলেহি। চম্পাই মাকক “অ' মা কি হৈছেনো কচোন” বুলি সোধাত মাকে ঢোকা-ঢোকে পানীগিলাছ গলাধঃকৰণ কৰি ক'বলৈ ধৰিলে—“অ' চম্পা, সেই... সেই বটগছডালৰ তলত... কোনোবাই কাৰোবাক... ব...বৰ... বেয়াকৈ মাৰ-ধৰ... কৰি আছে।”

এই কথা শুনিয়ে চম্পাই তাইৰ ভায়েকক লগত লৈ দৌৰি দৌৰি তিনিআলিৰ মূৰৰ সেই বটগছডালৰ তল পালেগৈ। হাতে হাতে লাঠী, জোং লৈ চিঞৰ-বাখৰ কৰি থকা মানুহৰ জুমটোৰ ভিতৰত কোনেনো ইমান কাতৰভাৱে আৰ্তনাদ কৰি আছে তাই ধৰিব নোৱাৰিলে। আক-তাক সুধিবলৈ গৈও বিফল হ'ল। মানুহবোৰৰ ভৰিৰ ফাঁকেৰে এপাকত তাই সেই আৰ্তজনক দেখি তাতেই থৰ লাগিল।

হঠাৎ কাৰোবাৰ কেঁকনিত তাইৰ সম্বিৎ ঘূৰি আহিল। তাইচোন এতিয়া এটা বগা কোট পৰিধান কৰি কাৰোবাক চিকিৎসাহে কৰি আছে। তাৰ মানে ইমান সময়ে তাই অতীতৰ কথাবোৰহে ৰোমন্থন কৰি আছিল।

সেইদিনা গছৰ তলত আৰ্তনাদ কৰি থকা মানুহজন আন কোনো নাছিল, তাইৰ ৰুগ্ন দেউতাক বুদ্ধেশ্বৰেই আছিল। গাঁওখনত সঘনাই হৈ থকা অপায়-অমংগলবোৰৰ বাবে তেৱেঁই দায়ী বুলি গাঁৱৰ মুখিয়ালে মানুহবোৰৰ মাজত অপপ্ৰচাৰ চলালে। সেইবাবে সকলোৱে মিলি তেওঁক এনেদৰে মৰ্মান্তিক অত্যাচাৰ চলাইছিল।

সেইদিনা অৰ্ধমৃত অৱস্থাত পৰি ৰোৱা দেউতাকক চিকিৎসালয়লৈ লৈ যাবলৈ পৰিয়ালৰ আন মানুহবোৰক কাতৰ অনুৰোধ কৰা সত্বেও কোনো ফল ধৰা নাছিল। অৱশেষত তাই, মাক আৰু তাইৰ ৮ বছৰীয়া ভায়েকে মিলি কোনোমতে ঠেলা এখনত তুলি দেউতাকক গাঁৱৰ একেবাৰে সিটো মূৰত থকা চৰকাৰী হাস্পতালখনলৈ লৈ গৈছিল। কিন্তু তাতো বিধিৰ বিপাকে লগ এৰা নাছিল। ডাক্তৰ আৰু নাৰ্চৰ অভাৱত বিনা চিকিৎসাই তাতেই দেউতাকে শেষ নিশ্বাস ত্যাগ কৰিছিল।

আজিও চম্পাই চাকৰি কৰা হাস্পতালখনতো তেনে এক অনুৰূপ ঘটনাই ঘটিছিল। কেন্দ্ৰীয় লোকসেৱা আয়োগৰ পৰীক্ষাত উত্তীৰ্ণ হৈ আৰক্ষীৰ ডাঙৰ বিষয়া হোৱা চম্পাৰ ভায়েকেই মৃতপ্ৰায় এই মানুহজনক তাইৰ হাতত গতাই থৈ গৈছিল। সিহঁতৰ দেউতাকক যিদৰে মানুহে ডাইনী সজাই হত্যা কৰিছিল, এই মানুহজনকো কিছুমান অবিবেচকী আৰু অন্ধবিশ্বাসী মানুহে কঠোৰ শাস্তি দি হত্যা কৰিবলৈ লৈছিল। ঠিক সেই সময়তে তাইৰ ভায়েক গৈ তাত উপস্থিত হৈছিল।

চম্পাই দিনে-ৰাতিয়ে কৰা হাড়ভঙা পৰিশ্ৰমৰ অন্তত আজি সম্পূৰ্ণ ডেৰমাহৰ মূৰত মানুহজনৰ শেঁতা মুখখনত এটা উজ্জ্বল হাঁহি বিৰিঙি উঠিছে। আওহতীয়া গাঁওখনৰ হাস্পতালখনৰ ভগা খিৰিকীৰে সেই সময়ত আবেলিৰ সূৰুযৰ ৰঙীন ছিটিকনি আহি তাইৰ মুখত পৰিল। ❖

# অৰুণাচলৰ লো-চাৰ

■ মধুৰ মনীষ বৰপূজাৰী
ষষ্ঠ শ্ৰেণী



অৰুণাচলৰ মন্‌পা, খামটি আদি বৌদ্ধ জনজাতিসকলে বসন্ত কালত উলহ-মালহেৰে লো-চাৰ উৎসৱ পালন কৰে। উল্লেখযোগ্য যে প্ৰায় দুহাজাৰ বছৰ পুৰণি এই উৎসৱ পূৰ্বতে বসন্তকালৰ আগমনৰ লগে লগে পালন কৰা হৈছিল যদিও বৰ্তমান সময়ত এই উৎসৱ বসন্তকালৰ শেষত নতুন উদ্যমেৰে কৃষিকাৰ্য্যত জড়িত হোৱাৰ প্ৰস্তুতিৰূপে উদ্‌যাপন কৰা হয়।

মূলতঃ কৃষিভিত্তিক উৎসৱ যদিও এই উৎসৱৰ জৰিয়তে নতুন বছৰকো আদৰা হয়। লোৰ অৰ্থ বছৰ, চাৰৰ অৰ্থ নতুন, লো-চাৰ শব্দই তাকে প্ৰকাশ কৰে। জনশ্ৰুতি মতে এই সময়ছোৱাত আসুৰিক শক্তি নিধন কৰি বুদ্ধদেৱে এটা নতুন দিনৰ সূচনা কৰিছিল আৰু সেয়ে সেই সময়ৰ পৰা নতুন বছৰৰ আৰম্ভণি হয় বুলি বৌদ্ধধৰ্মী লোকসকলে মানি আহিছে।

লো-চাৰৰ প্ৰস্তুতি অৰুণাচলত এমাহমান আগৰে পৰা হয়। এই সময়ছোৱাত সকলো মানুহে ঘৰ-দুৱাৰ চাফ-চিকুণ কৰি আটকধুনীয়াকৈ সজাই-পৰাই তোলে। আনহাতে লো-চাৰৰ আৰম্ভণিৰ প্ৰায় এসপ্তাহ-দুসপ্তাহৰ আগৰে পৰা মহিলাসকল ব্যস্ত হৈ পৰে 'বৰখু' (চাউলৰ পাপৰ), 'খাৱচে', 'অৱন্তি' আদি খাদ্য সম্ভাৰ তৈয়াৰ কৰা কাৰ্য্যত। লো-চাৰৰ আৰম্ভণিৰ আগদিনা নবিধ বস্তু পৃথক পৃথককৈ টোপোলা কৰি বান্ধি প্ৰত্যেক পৰিয়ালৰ সদস্যৰ মাজত লটাৰী কৰি প্ৰত্যেকেই বছৰটোৰ বাবে নিজৰ ভাগ্য নিৰ্ণয় কৰে। এই নবিধ বস্তুক একেলগে 'থুকপা গুতুক' বুলি কোৱা হয়। এই নবিধ বস্তু হ'ল—কয়লা, নিমখ, ঘেঁহু, চুৰুপি, মণি, তিল, সৰিয়হ, জলকীয়া আৰু ধূনা। ইয়াৰে কয়লা আৰু চুৰুপি যাৰ ভাগত পৰে গোটেই বছৰটোৰ বাবে তেওঁৰ ভাগ্য বেয়া বুলি মানে। আকৌ নিমখ, ঘেঁহু, মণি, তিল, ধূনা আদি ভাগত পৰিলে ভাগ্য ভাল বুলি বিশ্বাস কৰা হয়।

লো-চাৰৰ প্ৰথমদিনা পুৱাই ঠিক সূৰ্য্য উদয় হোৱাৰ লগে লগে পানী তুলি আনি সেই পানীৰে উপাস্য দেৱতা বুদ্ধদেৱৰ মূৰ্তিত পানী ঢালি গা ধুৱাই পূজা কৰি উৎসৱৰ আৰম্ভণি কৰে। বাকী ৰৈ যোৱা পানীৰ পাত্ৰত 'খাদা' (গামোচাসদৃশ কাপোৰ) বান্ধি থৈ দিয়ে। সেই পানী পবিত্ৰ বুলি জনগোষ্ঠীয় লোকসকলে মানি আহিছে। টাৱাং জিলাত যিজন মানুহে প্ৰথমে পানী তুলি আনি দেৱতাক দিব পাৰে, সেইজনক পুৰস্কৃত কৰা হয়। লো-চাৰৰ প্ৰথম তিনিদিন কোনো মানুহ আন মানুহৰ ঘৰলৈ নাযায় আৰু পোন্ধৰ দিন পৰ্য্যন্ত কৃষিৰ লগত জড়িত কাম-কাজো নকৰে। তিনিদিন পাছত নৱবৰ্ষ উপলক্ষে এটা পৰিয়ালে আন এটা পৰিয়াললৈ, এখন গাঁৱৰ পৰা আন এখন গাঁৱলৈ গৈ শুভেচ্ছা বিনিময় কৰে। পোন্ধৰ দিনৰ দিনা বৌদ্ধধৰ্মী লোকসকলে 'গ'মপা'ত (মন্দিৰ) লাংতা (পতাকা) আঁৰি দি দেৱতাক পূজা-অৰ্চনা কৰে যাতে গোটেই বছৰটো শান্তি-সুখেৰে দিন কটাব পাৰে।

লো-চাৰ উৎসৱ টাৱাং জিলাত এমাহ পৰ্য্যন্ত পালন কৰে। ডিৰাং, ছাংতিভেলী আদি ঠাইত তিনিদিনৰ পৰা পোন্ধৰ দিন জুৰি এই উৎসৱ পালন কৰা হয়। লো-চাৰ উৎসৱত 'য়াক' আৰু 'আজিলামু' নৃত্য-গীতত লোকসকল মতলীয়া হৈ পৰে।


নৱবৰ্ষক আদৰণি জনোৱা কৃষিমুখী লো-চাৰ উৎসৱৰ যোগেদি মন্‌পা, খামটি আদি বৌদ্ধ লোকসকলে প্ৰকৃতিৰ পৰা আনন্দ আৰু জীৱনক উপলব্ধি কৰাৰ অনুভূতি লাভ কৰে। ❖

# পুথি পৰিচয়

## কিতাপৰ নাম : মৰমৰ দেউতা লেখক : ভবেন্দ্ৰনাথ শইকীয়া

■ ভায়লীনা বৰা
অষ্টম শ্ৰেণী

ড° ভবেন্দ্ৰনাথ শইকীয়াৰ দ্বাৰা ৰচিত সোতৰটা খণ্ডত বিভক্ত 'মৰমৰ দেউতা' উপন্যাসখন বৰ মনোৰম। এইখন আচলতে এখন শিশু উপন্যাস যদিও ডাঙৰসকলেও এই উপন্যাসখন পঢ়ি বৰ ৰং পায়। 'মৰমৰ দেউতা' উপন্যাসখনত এগৰাকী পিতৃৰ সন্তানৰ প্ৰতি থকা মৰম-ভালপোৱা, খং আদি সকলো সুন্দৰকৈ প্ৰকাশ পাইছে।




ইয়াত এটা ল'ৰাৰ আচাৰ-ব্যৱহাৰ, আচৰণ আদিৰ কথা কোৱা হৈছে। তাৰ নাম বিপুল। তাৰ স্বভাৱ-চৰিত্ৰ বৰ ভাল নাছিল। তাৰ লগত তাৰ মাক, ভনীয়েক ৰাণী, ৰিণি আৰু ভায়েক মুকুল আছিল। বিপুলৰ দেউতাকে বৰ কষ্টেৰে এখন পৰ্বতীয়া নগৰত চাকৰি কৰিছিল। ঠাইখন আছিল সিহঁতৰ ঘৰৰ পৰা প্ৰায় ৩০০ কিমি. দূৰৈত। কেতিয়াবা তেওঁ বিভিন্ন ঠাই ভ্ৰমিও ফুৰিবলগীয়া হৈছিল। এনেবোৰ কাৰণত কেতিয়াবা খাবলৈও সময় নহৈছিল। কিন্তু তেওঁৰ এই কষ্টৰ কথা বিপুলে বুজিব পৰা নাছিল। বিপুলে সদায় তাৰ মাক, ভনীয়েকহঁতৰ ওপৰত বিভিন্ন কাৰণত, কেতিয়াবা কোনো কাৰণ নোহোৱাকৈ খং দেখুৱাইছিল। তথাপি দেউতাকে তাক যি বিচাৰে তাকে দিয়ে। কাৰণ, সি ঘৰৰ ডাঙৰ ল'ৰা। সি ভালকৈ থাকিলেহে ঘৰত শান্তি থাকিব।

তাৰ কেইটামান বন্ধু আছিল। সিহঁতৰ স্বভাৱো একে আছিল। সিহঁতকেইটাই সদায় গধূলি ওলাই যায় আৰু দেৰিকৈ ঘৰ সোমায়। বিপুলৰ এনেকুৱা কাম দেখি দেউতাকে চিনাকি মানুহক সুধি-পুছি পূজা-পাতলো কৰিছিল। কিজানি সি ভাল হয়েই ! কিন্তু বিপুলৰ কোনো পৰিবৰ্তন নেদেখি দেউতাকে বেলেগ সিদ্ধান্ত ল'বলৈ বাধ্য হৈ পৰিছিল। তেওঁ এদিন মনে মনে মিছাকৈ চাকৰি স্থানলৈ যোৱা বুলি কৈ আলেঙে আলেঙে বিপুলক অনুসৰণ কৰিছিল। যেতিয়াই তেওঁ বিপুলক চিগাৰেট এটা মুখত লোৱা দেখিছিল, তেওঁৰ ধৈৰ্য্যৰ বান্ধ ছিঙি গৈছিল। তেওঁ তেতিয়া বিপুলক বেয়াকৈ মাৰ শোধাইছিল। সঁচাকৈ নিজৰ সন্তানে এনে ধৰণৰ বেয়া কাম কৰিলে কোনগৰাকী পিতৃৰ খং নুঠিব বাৰু ! প্ৰত্যেকগৰাকী পিতৃয়েই মনত বৰ কষ্ট পাব। দেউতাকৰ অহৰহ চেষ্টাৰ ফলত বিপুল এদিন শুদ্ধ পথলৈ ঘূৰি আহিল। তেওঁলোকৰ ঘৰখনলৈও শান্তি ঘূৰি আহিল। সঁচাকৈ পিতৃসকলে যে সন্তানৰ বাবে কি কি নকৰে?

এই উপন্যাসখনত পিতৃক শ্ৰদ্ধা আৰু সন্মান কৰাৰ কথা বিশেষভাৱে কোৱা হৈছে যদিও মাতৃসকলকো আমি সমানেই শ্ৰদ্ধা আৰু সন্মান কৰা উচিত। পিতৃ-মাতৃয়ে সদায় আমাৰ ভালৰ বাবেই সকলো কথা কয়। সেয়েহে আমি সদায় নিজৰ পিতৃ-মাতৃৰ কথা শুনিব লাগে। এগৰাকী সন্তানৰ পিতৃ-মাতৃৰ প্ৰতি যি কৰ্তব্য থাকে, সেইবোৰো আমি ভালকৈ পালন কৰিব লাগে। ❖

# ৰাভাদেউ উভতি আহা

■ **গুঞ্জনগীত পৰাশৰ**
নৱম শ্ৰেণী

*"বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি*
*তুমি সাৰে আছা,*
*সাৰে আছোঁ আমি..."*
ৰাভাদেউ শুনিছানে তুমি...
কোন বিৰহী বাটৰুৱাই গাই যায় মাজনিশা
*'কিবা যেন নাই আজি নাই*
*আছে হুমুনিয়াহ হতাশ হিয়াৰ*
*কৰুণ বিননি হায়, হায়...'*
ৰাভাদেউ, এই সময় সম্প্ৰতি বৰ দুঃসময়
হত্যা, হিংসা, ধৰ্মীয়, গোড়ামি, মানৱীয় অধঃপতন
প্ৰেমহীনতাৰ বিষবাষ্পই
এতিয়া ছানি ধৰিছেহি আমাৰ চৌপাশ।
তুমি যে কৈছিলা—
*"শেষ যুদ্ধৰ আমি ৰণুৱা*
*পৃথিৱীৰ হালোৱা-বনুৱা*
*হ'ব বিজয়ী আমি দুখীয়া..."*
পিছে ক'তা, দুখীয়া কলিজাবোৰ হাতত লৈ
মাংসবোৰ ৰুকি ৰুকি, হাড়বোৰ চোবাই চুৰুকি
মহাজনসকল আৰু বেছি পেটুৱাহে হ'ল
সেই যে তুমি গুচি গ'লাগৈ
তেতিয়াৰে পৰা কথাবোৰ মাথোঁ সুৰ হৈ ৰ'ল
ৰাভাদেউ, তুমি আকৌ এবাৰ আহা
তাণ্ডৱ নৃত্যৰে জগাই তোলাহি
হতাশাত মলিন হৈ পৰা তেজাল বদনৰ
অসমীয়া ডেকাদলটিক। ❖




# কলাগুৰু

■ **অনৰণ্যা গোস্বামী**
অষ্টম শ্ৰেণী

শীতে কৰিছে বিদায়ৰ যো-জা
ফাগুনৰ পাই বতৰা।
অসমীয়া জাতিৰ হৈ আভা,
উপজিছিল তেতিয়া বিষ্ণু ৰাভা।
তাণ্ডৱ নৃত্যই যেন কঁপাইছিল ধৰণী,
সৰ্বেপল্লীয়ে দিছিল 'কলাগুৰু' উপাধি।
গীতিকাৰৰ কলমে লিখিছিল দি মন-প্ৰাণ,
স্বাধীনতাৰ গাই জয়গান।
পাহাৰে-ভৈয়ামে জয়গানৰ ধ্বনি,
স্বপ্নসৌধত ছপা কৰিছিল ছবি।
অসমীয়া জাতিৰ বাবে কৰা সু-কৰ্মৰ প্ৰতি,
শ্ৰদ্ধা জনাই বিষ্ণুপ্ৰসাদ ৰাভা দিৱসটি পাতি
অসমী আইৰ কোলাত স্মৃতি,
এতিয়াও দুনয়নত আছে জাগি
জোনাক জিলিকা অসীম ৰাতি,
তাতেই দেখোঁ তেওঁৰ স্মৃতি।
তেৱেঁই শান্তিৰ দূত ঘোৰ তমসাৰ
জনাওঁ প্ৰণাম আজি
শত শত বাৰ। ❖

# চিত্ৰকৰ হিচাপে কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা

■ প্ৰজ্বলিতা বড়া
দশম শ্ৰেণী

সুন্দৰৰ পূজাৰী বিষ্ণুপ্ৰসাদ ৰাভাদেৱ অত্যন্ত কলাসুলভ আছিল। তেওঁ মৰ্মে মৰ্মে বুজি পাইছিল যে কলাই জীৱন সুন্দৰ কৰে। কলাবিহীন জীৱন সাক্ষাৎ পশুৰ দৰে। সেয়েহে তেওঁ হাতত কলম তুলি লৈছিল আৰু লিখি গৈছিল জীৱনৰ সুখ-দুখৰ অভিজ্ঞতাসমূহ।

এইবোৰৰ লগতে ৰাভাদেৱে ছবি আঁকিও খুব ভাল পাইছিল। ফটা কাগজ, বাতৰি কাকত, যি য'ত পাইছিল তাতেই ছবি আঁকি মনৰ ভাববোৰ প্ৰকাশ কৰিছিল। ধনিক গোষ্ঠীয়ে সৰ্বহাৰা জনসাধাৰণৰ ওপৰত যি অত্যাচাৰ চলাইছিল, তাকে দেখি তেওঁ এখন খুব অৰ্থপূৰ্ণ ছবি আঁকিছিল—এজোপা বৃক্ষত এজনী শকত-আৱত ঢোঁৰা কাউৰীয়ে দণ্ডীয়মান মূৰ্তিত মুখখন মেলি বহি আছে। কাউৰীজনীৰ ভয়ানক ৰূপটো দেখি আন চৰাইবোৰে গছজোপাত বহিবলৈ সাহস কৰা নাই। গছজোপাত আগৰে পৰা বহি থকা ফেঁচু চৰাইজনীয়ে কাউৰীজনীৰ ভয়ত ডালটোৰ পৰা উৰি গৈছে।

ৰাভাদেৱে অতি নিপুণভাৱে নিজৰ প্ৰতিকৃতিখনো আঁকি উলিয়াইছিল। লগতে শ্ৰীমন্ত শংকৰদেৱৰ কাল্পনিক ৰূপ, 'বাঁহী' আলোচনীৰ বেটুপাত নীলৰঞ্জন ৰশ্মি, গাৰো পাহাৰৰ মনোৰম দৃশ্যাৱলী আৰু আন বহুতো মনীষীৰ প্ৰতিকৃতিও আঁকি উলিয়াইছিল।

এইগৰাকী নিপুণ চিত্ৰশিল্পীৰ চিত্ৰসমূহ সমগ্ৰ বিশ্বই চাব পৰাকৈ আমি কাৰ্য্যপন্থা হাতত ল'ব লাগিব। তেহে ৰাভাদেৱৰ অৰ্থবহ ছবিবোৰক আমি উচিত মূল্য দিব পাৰিম। ❖

---

# ফেৰেংগাদাও আবৌ

■ চতুৰ্থী শিৰম
ষষ্ঠ শ্ৰেণী

ৰাভা... তুমি
কাৰোবাৰ বাবে
ফেৰেংগাদাও আবৌ,
কাৰোবাৰ বাবে কমৰেড,
আকৌ তোমাক কোনোৱে
সৈনিক শিল্পী বুলিছে।
সৈনিক হৈ তুলিছিলা জগাই
অসম, অসমীয়াক
অসমীয়া জাতিৰ মন
কৃষক শ্ৰমিক মজদুৰৰ
ঘাম আৰু ৰক্তৰ গোন্ধ
তোমাৰ বিপ্লৱৰ শক্তি
তুমিয়েই নেকি বনুৱা?
তুমিয়েই নেকি ৰণুৱা?
পাইছিলা নেকি
ধনিক বণিকক
ধ্বংস কৰাৰ মন্ত্ৰ?
তোমাৰ গান
তোমাৰ শব্দ
তোমাৰ কবিতা
বিশ্বৰ ছন্দে ছন্দে
অনুৰণিত... ❖

## মানসিক সামৰ্থ্য বিকাশ

■ ৰবীন্দ্ৰ বৰ্মন

1. Nৰ ভনী হ'ল S। L হ'ল Hৰ পত্নী। W হ'ল Mৰ পত্নী। M হ'ল Hৰ পুত্ৰ। S হ'ল Wৰ জীয়ৰী।

(i) Hৰ নাতি কোন?

(a) M (b) N (c) W (d) L

(ii) S, Mৰ কি হয়?

(a) মা (b) জীয়ৰী (c) ভনী (d) নাতিনী

(iii) S, Lৰ কি হয়?

(a) মা (b) জীয়ৰী (c) ভনী (d) নাতিনী

2. A হ'ল Bৰ ভায়েক। C হ'ল Dৰ পত্নী। E, Fৰ পত্নী। F হ'ল Dৰ পুত্ৰ। B হ'ল Eৰ জীয়ৰী।

(i) Dৰ নাতি কোন?

(a) F (b) A (c) E (d) C

(ii) B, Fৰ কি হয়?

(a) মা (b) জীয়ৰী (c) ভনী (d) নাতিনী

(iii) B, Cৰ কি হয়?

(a) মা (b) জীয়ৰী (c) ভনী (d) নাতিনী

3. B, Mৰ পিতা, কিন্তু M, Bৰ পুত্ৰ নহয়। P, Mৰ জীয়ৰী। X, Bৰ পত্নী। Y, Mৰ ভাই। Z, Yৰ পুত্ৰ।

(i) Zৰ আইতা কোন?

(a) B (b) M (c) X (d) P

(ii) Xৰ পুত্ৰ কোন?

(a) Y (b) M (c) Z (d) P

(iii) P, Bৰ কি হয়?

(a) মা (b) নাতিনী (c) জীয়ৰী (d) আইতা

(iv) Z, Xৰ কি হয়?

(a) দেউতা (b) ককা (c) পুত্ৰ (d) নাতি


1. (i) b (ii) b (iii) d 2. (i) b (ii) b (iii) d 3. (i) c (ii) a (iii) b (iv) d

# Adventure of Huckleberry Finn

■ Pallavi Dutta

*(Continued from June issue)*

Pap, unable to get the money directly, kidnaps Huck and takes him to a remote cabin in the woods. There, Pap keeps Huck locked up and subjects him to abuse. Despite the dire situation, Huck begins to plot his escape and successfully does so. One day, when Pap leaves to go into town, Huck completes sawing through the wall and slips out. Huck finds a canoe that has drifted down the river and decides to escape by using it. But before leaving, Huck stages an elaborate scene to make it appear as if he has been murdered and his body disposed off in the river. He smashes the cabin door, kills a pig, spreads its blood around the cabin, and drags a sack filled with rocks to the river to leave a false trail.




Huck loads the canoe with essential supplies and sets off down the Mississippi River. He paddles to Jackson's Island, a secluded spot where he plans to hide out until it is safe to reveal himself. As Huck arrives on the island and begins to explore, he experiences a sense of freedom and relief, having successfully escaped his father's control and the constraints of civilization.

On that island Huck meets Jim, one of Miss Watson's slaves. Jim has run away from his owner after he overhears her conversation about selling him to a plantation. Huck teams up with Jim despite his reservations against helping a runaway slave.

Both Huck and Jim have a number of adventures together— they steal a raft, save a person's life, escape slave hunters, get entangled in the violent feud between the Grangerfords and the Shepherdsons, meet two con men who claim to be a Duke and the lost Dauphin (King) of France and are bound to go along with them to avoid trouble.

The two con men - the Duke and the King, concoct a plan to perform Shakespearean plays in the next town to swindle people out of their money.As they prepare for their performance in the town, Huck witnesses a murder and is deeply affected by the violence and mob mentality. The con men perform their show, "The Royal Nonesuch," which turns out to be a scam where they make a quick money from the audience before running away. The townspeople are initially outraged but then decide to get revenge by tricking others into seeing the show.

Later the Duke disguises Jim as a sick Arab so they can travel during the day

without arousing suspicion. They reach another town, and the King pretends to be a reformed pirate to solicit donations from the locals. When the King and the Duke learn of a recently deceased local named Peter Wilks, who left behind a large inheritance. they pose as Wilks' brothers from England to claim the inheritance and successfully fool most of the townspeople with their act.

Huck, however starts to feel guilty about the con men swindling the Wilks family and forms a plan to steal the money back from the King and the Duke and return it to the Wilks sisters. With this intention he hides the money in Peter Wilks' coffin but a commotion starts when the coffin is sealed, and Huck fears the money will be discovered. However, the coffin is buried without anyone realizing the money is inside. Finally, Huck plans to escape but is delayed. The unprecedented happen when the real Wilks brothers arrive, causing confusion and casting doubt on the King and Duke's claims. The townspeople are torn about who the real brothers are. ❖

*(To be continued)*

## Did You Know

# Hang Son Doong

■ **Binoy Bikash Gogoi**

Some of you, most probably have heard about different caves, and some might even have the experience of entering one. But, have you heard about a cave that has jungles, rivers, and its weather system inside?  Named Hang Son Doong, such a cave is there in Vietnam, and it is the world's largest natural cave discovered so far. This cave is believed to be around 5 million years old.

Located near the Laos-Vietnam border, Hang Son Doong has an internal, fast-flowing subterranean river. The name Hang Son Doong means 'cave of the mountain river. 'The entrance to Hang Son Doong was first discovered in 1991 by a local man named Ho Khanh. The cave is more than 5 kilometres long, 200 metres high, and 150 metres wide. Sunlight enters through areas where the ceiling of the cave has collapsed. This has resulted in the growth of trees and other vegetation. The cave is rich in different forms of life like, snakes, squirrels, rats, flying fox, and different birds. Explorers have also found new species of fish, spider, scorpion, shrimp etc. Interestingly all of them are completely white and without eyes, which is the consequences of living in complete darkness. One can also see natural swimming pools and different fossils inside the cave. Hang Son Doong is another marvel of nature, which attracts tourists and explorers from different parts of the world. ❖

# স্কিমিং

■ অৰ্পিতা দেৱী

কেতিয়াবা আমাৰ কিতাপ এখন বাছনি কৰি পঢ়িবলৈ খুবেই সমস্যাৰ সৃষ্টি হয়। কোনখননো পঢ়িম? কোনখন কিতাপ পঢ়িলে আমাক লগা দৰকাৰী বিষয়টো বিচাৰি পাম? বিশেষকৈ আমাৰ সমস্যাটো হয় যেতিয়া ছাৰ-বাইদেৱে নিৰ্দিষ্ট এটা বিষয়ত আমাক প্ৰবন্ধ বা টোকা এটা প্ৰস্তুত কৰিবলৈ দিয়ে। সাধাৰণতে প্ৰবন্ধই হওক বা কিবা বিশেষ লিখনীয়ে হওক যিহেতু আমাৰ হাতত সময় যথেষ্ট কম, গতিকে দৰকাৰী সকলো কিতাপেই আঁতি-গুৰি মাৰি পঢ়াটো সম্ভৱপৰ নহয়। এনে ক্ষেত্ৰত আমিনো কি কৰা উচিত?

এই ক্ষেত্ৰত আমি 'স্কিমিং' (skimming) কৌশলৰ দ্বাৰা পঢ়িব পাৰোঁ। স্কিমিং হৈছে এটা পঢ়া কৌশল যিয়ে আমাক এটা লিখনীৰ আটাইতকৈ গুৰুত্বপূৰ্ণ তথ্যসমূহ দ্ৰুতভাৱে চিনাক্ত কৰাত সহায় কৰে। ই এটা কৌশলগত, নিৰ্বাচিত পঢ়া পদ্ধতি, য'ত পাঠৰ মূল ধাৰণাসমূহতহে গুৰুত্ব প্ৰদান কৰা হয়। সাধাৰণতে বাতৰি কাকত পঢ়াৰ সময়ত আমি কেতিয়াও প্ৰতিটো শব্দ পঢ়ি নাচাওঁ। তাৰ পৰিবৰ্তে আমি ইয়াক 'স্কিম' কৰি মূল লেখাবোৰ কি বিষয়ত লিখা হৈছে তাৰ এটা সাধাৰণ ধাৰণা লওঁ। গতিকে আমি স্কিমিং প্ৰতিদিনেই কৰোঁ বাতৰি কাকত পঢ়াৰ ক্ষেত্ৰত। আমি হয়তো শিৰোনাম, ফটো আৰু কেপছন চায়েই লেখা এটাৰ সিদ্ধান্ত ল'বলৈ চেষ্টা কৰোঁ যে আমি অধিক গভীৰভাৱে জানিব বিচাৰোঁ নে সেইটো এৰি আৰু বেলেগ এটা প্ৰবন্ধত মনোনিবেশ কৰিব বিচাৰোঁ। গতিকে এই কৌশলৰ দ্বাৰা আমি দ্ৰুতভাৱে সিদ্ধান্ত ল'ব খোজোঁ এটা প্ৰবন্ধ বা বিষয়বস্তু আমাৰ বাবে কিমান উপযোগী, যাতে কম প্ৰাসংগিক বিষয়ত আমাৰ সময় নষ্ট নহয়। বিশেষকৈ গৱেষণা কৰা আৰু গৱেষণা-পত্ৰ লিখাৰ বাবে স্কিমিং এটা ভাল আহিলা হ'ব পাৰে।

এই পদ্ধতিৰে পঢ়াৰ সময়ত মন দিবলগীয়া কেইটামান গুৰুত্বপূৰ্ণ কথা হ'ল—

- প্ৰথমতে পঢ়াৰ এটা নিৰ্দিষ্ট উদ্দেশ্য চিনাক্ত কৰা উচিত। লিখনীটোৰ পৰা আমি কি উলিয়াব বিচাৰোঁ বা কিয় পঢ়ি আছোঁ?
- শিৰোনাম আৰু বিষয়বস্তুৰ তালিকাখনৰ পৰাও আমাৰ সুবিধা হয়।
- লিখনীটোৰ সাৰাংশ পঢ়িলে স্কিম ৰিডত সুবিধা হয়।
- লিখনীটোৰ প্ৰতিটো অনুচ্ছেদৰ প্ৰথম আৰু শেষ বাক্য পঢ়াটো গুৰুত্বপূৰ্ণ।
- কেপছন (caption), ব'ল্ড (bold) বা ইটালিকত (italic) থকা কথাবোৰত মন দিলে আমাৰ সুবিধা হয়।

এতিয়া মন কৰিবলগীয়া কথা এটা হ'ল যে এটা লিখনী দ্ৰুতভাৱে চকু ফুৰাই চোৱাটোৱে কিন্তু স্কিম কৰা নুবুজায় বা ই এটা পঢ়াৰ এলাহ জড়িত প্ৰচেষ্টাও নহয়। ইচ্ছাকৃতভাৱে নকৰিলে স্কিমিং এটা সমস্যা হ'ব পাৰে। স্কিমিং সাৱধানে আৰু কৌশলগতভাৱে ব্যৱহাৰ কৰাটো দৰকাৰী।

বৰ্তমানৰ দ্ৰুতগতিত চলি থকা পৃথিৱীখনত 'স্কিম ৰিডিং' এক মূল্যবান আহিলা হ'ব পাৰে, যিয়ে সময় বচায় আৰু মূল তথ্য চিনাক্তকৰণত সহায় কৰে। কিন্তু ইয়াৰ সীমাবদ্ধতা আৰু সম্ভাব্য অসুবিধাসমূহ চিনি পোৱাটো অতি প্ৰয়োজনীয়। পৰীক্ষাৰ ক্ষেত্ৰত আমি সকলো বিষয়েই 'স্কিম' কৰি পঢ়িব নোৱাৰোঁ। যিহেতু প্ৰশ্নকাকতত পাঠ্যপুথিৰ পৰা সৰু সৰু কথাবোৰো অন্তৰ্ভুক্ত কৰা হয়, এনে ক্ষেত্ৰত স্কিমিং কৰাটো অসুবিধাজনক।

গতিকে স্কিমিং কেৱল প্ৰসংগ অনুসৰিহে উপযুক্ত হ'ব পাৰে। ইয়াৰ প্ৰয়োজনীয়তা চাইহে আমি প্ৰয়োগ কৰা উচিত। ❖

■ দীপাংকৰ কৌশিক

১। অতুল সুধাকৰ ৰাও পাণ্ডে নামৰ ব্যক্তিগৰাকীয়ে কোনটো বিখ্যাত লগ' ডিজাইন কৰিছে ?

২। গতিপুৱা (Gotipuwa) ওড়িশাৰ পৰম্পৰাগত নৃত্য। এই নামটোৰ অৰ্থ হ'ল single boy। জগন্নাথ আৰু কৃষ্ণক প্ৰশংসা কৰি কিশোৰসকলে মহিলাৰ সাজ পিন্ধি নৃত্যবিধ প্ৰদৰ্শন কৰে। এই গতিপুৱা নৃত্যৰ পৰা কোনবিধ শাস্ত্ৰীয় নৃত্যৰ জন্ম হৈছিল ?

৩। ১৯০৯ চনত কাৰ্ল ফাৰ্ডিনাণ্ড ব্ৰাউনৰ সৈতে একেলগে কোনগৰাকী বিখ্যাত বিজ্ঞানীয়ে পদাৰ্থ বিজ্ঞানৰ ন'বেল বঁটা লাভ কৰিছিল ?

৪। প্ৰেম সিং টামাং ছিকিমৰ বৰ্তমানৰ মুখ্যমন্ত্ৰী। তেওঁ ২০১৩ চনত কোনটো ৰাজনৈতিক দল গঠন কৰিছিল ?

৫। 'The Scream' এখন বিশ্ববিখ্যাত পেইন্টিং। ন'ৰ্ৱেৰ কোনগৰাকী বিখ্যাত চিত্ৰশিল্পীৰ সৃষ্টি এইখন পেইন্টিং ?

৬। কোনটো বিখ্যাত কোম্পানীৰ প্ৰথম নাম আছিল 'দ্য হেলয়ড ফটোগ্ৰাফিক কোম্পানী' ?

৭। 'খোজ লাহকৈ দিবি সখী'—এটা বিখ্যাত অসমীয়া গীত। গীতটো গাইছিল পাৰ্বতী চুলতানাই। গীতটো কোনে লিখিছিল ?

৮। আহোম ৰজা প্ৰতাপ সিংহই কোনটো প্ৰথাৰ আৰম্ভ কৰিছিল, যিটো সুচাৰুৰূপে ৰূপায়ণ কৰিছিল মোমাই তামুলী বৰবৰুৱাই ?

৯। দ্য মাস্কিটীয়াৰ্ছ কাপ কোনখন টুৰ্ণামেণ্টৰ বিজয়ীজনক প্ৰদান কৰা হয় ?

১০। শালস্তম্ভ বংশৰ ৰজাসকলৰ ৰাজধানী চহৰখন ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত আছিল। চহৰখনৰ নামটো কি ?

১১। 'শ্ৰীমতী মহিমাময়ী'—পুলক গগৈয়ে পৰিচালনা কৰা এখন অসমীয়া চলচ্চিত্ৰ। এইখন চলচ্চিত্ৰৰ কাহিনী লিখিছিল এগৰাকী বিখ্যাত সাহিত্যিকে। সাহিত্যিকগৰাকীৰ নাম কি ?

১২। হেনৰী ডেলাউনে ট্ৰফী কোনখন বিখ্যাত টুৰ্ণামেণ্টৰ বিজয়ী দলক প্ৰদান কৰা হয় ?

১৩। বলিভাৰ কোনখন দেশৰ ৰাষ্ট্ৰীয় মুদ্ৰা ?

১৪। জাপানী ভাষাত 'to live' আৰু 'reason' বুজোৱা শব্দটো কি বাৰু ?

১৫। 'Akkada Ammayi Ikkada Abbayi'– ১৯৯৬ চনত মুক্তিপ্ৰাপ্ত এখন তেলেগু চলচ্চিত্ৰ। এই চলচ্চিত্ৰখনৰ জৰিয়তে কোনে অভিনয় জীৱনৰ আৰম্ভণি কৰিছিল ?

**চিত্ৰ সংকেত**

১৬। ন'বেল আৰু অস্কাৰ—এই দুয়োটা বঁটা লাভ কৰা তেওঁ বিশ্বৰ দ্বিতীয়গৰাকী ব্যক্তি। ব্যক্তি-গৰাকীৰ নাম কি ? ❖



# 'তোমালোকৰ বাবে প্ৰশ্ন'ৰ উত্তৰ, জুন, ২০২৪

১। গুৱাহাটী বিশ্ববিদ্যালয়
২। জয়পুৰ
৩। টালিমেৰন আও
৪। ক্ৰিছ গেইল
৫। ৰেমাল

# খেমেৰ সাম্ৰাজ্য

■ নৱজিৎ বৰুৱা

প্ৰতিখন সমাজৰে কিছুমান বিশেষ বৈশিষ্ট্য থাকে, যিবোৰে এখন সমাজ বা সাম্ৰাজ্যক এক সুকীয়া মাত্ৰা প্ৰদান কৰে। এনে ধৰণৰ কিছুমান স্বকীয় বৈশিষ্ট্যই নিৰ্দিষ্ট সমাজখনক পৃথককৈ প্ৰতিষ্ঠা কৰে। খেমেৰ সাম্ৰাজ্যও আছিল নিজস্ব কিছুমান বৈশিষ্ট্য আৰু অনন্য কাৰ্য্যৰ বাবে সমসাময়িক আন সাম্ৰাজ্যবিলাকতকৈ পৃথক।



আংকোৰ ৱাট মন্দিৰ

খেমেৰ সাম্ৰাজ্য আছিল দক্ষিণ-পূব এছিয়াৰ এখন হিন্দু-বৌদ্ধ সাম্ৰাজ্য। বৰ্তমানৰ উত্তৰ কম্বোডিয়াৰ মূল চহৰসমূহক কেন্দ্ৰ কৰি ই বিস্তৃত আছিল। ইয়াৰ বাসিন্দাসকলক কম্বোজ নামেৰে জনা গৈছিল। এই সাম্ৰাজ্যখন ৮০২ চনৰ পৰা ১৪৩১ চনলৈকে বৰ্তি আছিল। ইতিহাসবিদসকলে কম্বোডিয়াৰ ইতিহাসৰ এই সময়ছোৱাক খেমেৰ সাম্ৰাজ্যৰ ৰাজধানী আংকোৰৰ নামেৰে আংকোৰ যুগ বুলি নামকৰণ কৰিছিল।

খেমেৰ সাম্ৰাজ্যখন দক্ষিণ চীনলৈকে বিস্তৃত আছিল। উল্লেখযোগ্য যে খেমেৰ সাম্ৰাজ্যখন ইয়াৰ সমসাময়িক বাইজেণ্টাইন সাম্ৰাজ্যতকৈও ডাঙৰ আছিল।

খেমেৰসকল নিৰ্মাণ দক্ষতাৰ বাবে পৰিচিত আছিল। তেওঁলোকে বৃহৎ আকাৰৰ মন্দিৰ নিৰ্মাণ কৰিছিল। এই মন্দিৰসমূহ ঘাইকৈ শিৱ আৰু বিষ্ণু মন্দিৰ আছিল। এই মন্দিৰসমূহৰ ভিতৰত বৰ্তমানৰ কম্বোডিয়াৰ 'আংকোৰ ৱাট' অন্যতম। ইয়াক প্ৰথমে বিষ্ণুৰ নামত উৎসৰ্গা কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত ইয়াক বৌদ্ধ মন্দিৰলৈ ৰূপান্তৰিত কৰা হয়।

বিভিন্ন সময়ত বিভিন্ন শাসনকৰ্তাই খেমেৰ সাম্ৰাজ্যত শাসন কৰিছিল। এই শাসনকৰ্তাসকলৰ ভিতৰত দ্বিতীয় জয় বৰ্মন আছিল অন্যতম। তেওঁ ৭৯০ চনত পূব কম্বোডিয়াৰ ক্ষমতালৈ আহে। তাৰ পৰৱৰ্তী দহ বছৰ তেওঁ নিজৰ ক্ষমতা উত্তৰ দিশলৈ সম্প্ৰসাৰণ কৰে। তেওঁ সৰু সৰু ৰাজ্যবোৰক একত্ৰিত কৰি এখন বৃহৎ ৰাজ্য গঠন কৰিছিল। ৮০২ চনত জয় বৰ্মনক হিন্দু ৰীতি-নীতিৰ অধীনত 'দেৱ ৰজা' অৰ্থাৎ সাৰ্বজনীন শাসক হিচাপে ঘোষণা কৰা হয় আৰু সাম্ৰাজ্যখনক খেমেৰ সাম্ৰাজ্য হিচাপে নামকৰণ কৰা হয়। জয় বৰ্মনে আংকোৰ চহৰত ৰাজধানী স্থাপন কৰিছিল। আংকোৰ প্ৰায় ৬০০ বছৰ ধৰি খেমেৰ সাম্ৰাজ্যৰ ৰাজধানী আছিল।

জয় বৰ্মনৰ পৰৱৰ্তী শাসক ক্ৰমে প্ৰথম ইন্দ্ৰ বৰ্মন, প্ৰথম যশো বৰ্মন, প্ৰথম সূৰ্য্য বৰ্মন, দ্বিতীয় ৰাজেন্দ্ৰ বৰ্মন আদিয়ে এই সাম্ৰাজ্যত শাসন কৰিছিল।

ভাৰতীয় সংস্কৃতি আৰু ধৰ্ম, বিশেষকৈ হিন্দু আৰু বৌদ্ধ ধৰ্মই খেমেৰসকলক প্ৰভাৱিত কৰিছিল। ১৫ শতিকাত চুবুৰীয়া টাই জনগোষ্ঠীয়ে আংকোৰ দখল কৰাৰ পাছত খেমেৰ সাম্ৰাজ্য ছিন্ন-ভিন্ন হৈ পৰে।


জয় বৰ্মনৰ মৃত্যুৰ পাছত আংকোৰত কীৰ্তিচিহ্ন নিৰ্মাণ কাৰ্য্য বেছিভাগেই বন্ধ হৈ যায়। লাহে লাহে খেমেৰ সাম্ৰাজ্য সংকুচিত হ'বলৈ ধৰে।

ত্ৰয়োদশ শতিকাৰ আগভাগৰ পৰাই খেমেৰসকল থেৰভেদা নামৰ বৌদ্ধ ধৰ্মৰ এক শাখাৰ অনুগামী হ'বলৈ আৰম্ভ কৰে। এই ঘটনাই ৰাষ্ট্ৰখনক বা সাম্ৰাজ্যখনক ক্ষতিগ্ৰস্ত কৰিছিল। একাংশ ইতিহাসবিদৰ মতে এই ঘটনাই আংকোৰৰ অৱনতিত ক্ৰমান্বয়ে ইন্ধন যোগাইছিল। আন কিছুমানে ভাবে যে টাইসকলৰ সামৰিক অভিযানে আংকোৰৰ পতনত অৰিহণা যোগাইছিল। আকৌ অন্য কিছু ইতিহাসবিদৰ মতে পৰিৱেশৰ গুৰুতৰ ক্ষতি, জলসিঞ্চন ব্যৱস্থা তথা কৃষিৰ অৱনতিয়ে এই সাম্ৰাজ্যৰ পতনত বিশেষভাৱে অৰিহণা যোগাইছিল। ❖

ঠাইৰ চিনাকি

# বিস্তীৰ্ণ পৰ্বতৰ দেশ নেপাল

■ চন্দনা মেধি চৌধুৰী


পশুপতিনাথ মন্দিৰ

হিমালয় পাৰ্বত্য অঞ্চলৰ অন্তৰ্গত দক্ষিণ এছিয়াৰ স্থলবেষ্টিত এখন ৰাষ্ট্ৰ হৈছে নেপাল। পৃথিৱীৰ দহটা উচ্চতম শৃংগৰ আঠোটাই নেপালত অৱস্থিত। ইয়াতেই পৃথিৱীৰ সৰ্বোচ্চ শৃংগ মাউণ্ট এভাৰেষ্টো বিদ্যমান। ইয়াত ২০,০০০ ফুটৰো অধিক উচ্চতাৰ ২৪০টাৰো অধিক শৃংগ আছে। সেয়েহে বিশ্ববাসীৰ সমুখত নেপালৰ পৰিচয় হৈছে 'বিস্তীৰ্ণ পৰ্বতৰ দেশ'।

১৪৭,১৮১ বৰ্গকিল'মিটাৰ মাটিকালিৰে পৰিবেষ্টিত নেপালৰ জনসংখ্যা হৈছে প্ৰায় ৩.১ কোটি। প্ৰাকৃতিক সৌন্দৰ্য্যেৰে পৰিপূৰ্ণ ৰাষ্ট্ৰখনৰ উত্তৰে চীন দেশ, দক্ষিণ, পূব আৰু পশ্চিম দিশত ভাৰতবৰ্ষ অৱস্থিত। ৰাজধানী কাঠমাণ্ডু ৰাষ্ট্ৰখনৰ ভিতৰত বৃহত্তম মহানগৰ। কাঠমাণ্ডুৰ মুঠ জনসংখ্যা প্ৰায় ১৬ লাখ। নেপালৰ দক্ষিণ অঞ্চলটো সাৰুৱা আৰু আৰ্দ্ৰ হোৱা হেতু ইয়াৰ জনবসতি বেছি।

উল্লেখযোগ্য যে এই দেশ কেতিয়াও আন ৰাষ্ট্ৰৰ অধীন হোৱা নাছিল বাবে আমাৰ দেশৰ দৰে স্বাধীনতা দিৱস হিচাপে কোনো দিৱস পালন কৰা নহয়। ই এখন সৰু ৰাষ্ট্ৰ, তথাপি ইয়াৰ জনসাধাৰণৰ মাজত ১২৩টাতকৈও অধিক ভাষা প্ৰচলিত। যদিও ভাৰতত হিন্দু ধৰ্মাৱলম্বী লোক অধিক আছে, ধৰ্ম নিৰপেক্ষ ৰাষ্ট্ৰ হোৱা বাবে ভাৰতক হিন্দু ৰাষ্ট্ৰ বুলি ক'ব নোৱাৰি। আনহাতে নেপালত ৮০ শতাংশতকৈও অধিক লোক হিন্দু ধৰ্মাৱলম্বী হোৱা বাবে সমগ্ৰ বিশ্বত নেপাল একমাত্ৰ হিন্দুৰাষ্ট্ৰ হিচাপে পৰিগণিত। ২০০৬ চনত নেপাল এখন ধৰ্মনিৰপেক্ষ ৰাষ্ট্ৰ বুলি ঘোষণা কৰা হৈছে। হিন্দু ধৰ্মত গৰুক পবিত্ৰ বুলি মানি পূজা কৰে। তেনেদৰে নেপালতো গৰুক পবিত্ৰ বুলি মানি পূজা কৰা হয় আৰু ইয়াত গো-হত্যা আইন বিৰুদ্ধ বুলি গণ্য কৰা হয়। আনহাতে গৰু এই ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় জন্তু হিচাপেও স্বীকৃত।

পৰ্বতাৰোহণকাৰীসকলৰ বাবে নেপাল হৈছে শ্ৰেষ্ঠতম দেশ। ইয়াত থকা পানীৰ উৎসসমূহক উন্নত প্ৰযুক্তিগত কৌশলেৰে ব্যৱহাৰ কৰিব পাৰিলে নেপাল বিশ্বৰ অন্যতম জলবিদ্যুৎ উৎপাদনকাৰী দেশ হ'লহেঁতেন! কিন্তু দুখৰ বিষয় ইয়াত জনসাধাৰণে প্ৰতিদিনে ৯ৰ পৰা ১২ ঘণ্টালৈহে বিজুলীৰ সুবিধা লাভ কৰে। সেইবাবে উদ্যোগ-কাৰখানা আদিয়ে লাভ কৰিব লগা সুবিধাসমূহৰ ক্ষেত্ৰত ই আন ঠাইৰ তুলনাত বহুত পিছপৰা। অতি পৰিতাপৰ কথা যে পৃথিৱীৰ দুখীয়া দেশসমূহৰ তালিকাত নেপালৰ নামটোও সন্নিৱিষ্ট হৈছে। কিয়নো, ইয়াৰ আধাতকৈও বেছি জনসাধাৰণৰ দৈনিক উপাৰ্জন এক ডলাৰতকৈও (প্ৰায় 83 টকা) কম। নেপালৰ মুদ্ৰাৰ নাম হৈছে 'নেপালী ৰুপী'। ভাৰতৰ এক টকা নেপালৰ ১.৬৯ নেপালী ৰুপীৰ সমান।

নেপালৰ জনসাধাৰণ শান্ত প্ৰকৃতিৰ আৰু বন্ধুভাবাপন্ন। নেপাল ভাৰতৰ বন্ধু ৰাষ্ট্ৰ হিচাপে পৰিগণিত। ভাৰতৰ লোকক নেপালৰ সৈন্যবাহিনীত আৰু নেপালৰ লোকক ভাৰতীয় সৈন্যবাহিনীত ভৰ্তি কৰাৰ সুবিধা উভয় ৰাষ্ট্ৰই প্ৰদান কৰি আহিছে। একতা আৰু দেশভক্তিৰ ক্ষেত্ৰত নেপালক এখন বিশেষ ৰাষ্ট্ৰ হিচাপে অভিহিত কৰিব পাৰি। নেপালত জাতি-বৰ্ণ-ধৰ্ম সংক্ৰান্তীয় বিষয়ত আজিকোপতি কোনো সংঘৰ্ষ হোৱাৰ নজিৰ নাই। ভগৱান বুদ্ধৰ প্ৰতি জনসাধাৰণৰ অসীম শ্ৰদ্ধা আৰু ভক্তি থকা দেখা যায়। তদুপৰি মহাশিৱৰাত্ৰিৰ

দিনটো ইয়াত বৃহৎ উৎসৱ হিচাপে পালন কৰা হয়।

চাৰিওদিশে পাহাৰ আৰু ইয়াৰ মাজে মাজে থকা জলৰাশিৰে পৰিবেষ্টিত নেপালৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবলৈ দূৰ-দূৰণিৰ পৰা পৰ্য্যটকসকল আহে। ইয়াৰ অৰণ্যসমূহত থকা বন্যপ্ৰাণীৰ ভিতৰত এটা শিং থকা গঁড়, ৰয়েল বেংগল টাইগাৰ প্ৰসিদ্ধ।

পৰ্য্যটন উদ্যোগে নেপালৰ অৰ্থনৈতিক ক্ষেত্ৰত উল্লেখযোগ্য ভূমিকা পালন কৰে। ৰাজধানী চহৰ কাঠমাণ্ডু কলা-সংস্কৃতিৰ দিশত আগ বঢ়া। বৌদ্ধ ধৰ্মৰ স্তূপ আৰু বিশেষ শৈলীৰে নিৰ্মিত ঘৰ আদিৰ বাবে এই চহৰ ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰত অন্তৰ্ভুক্ত হৈছে। পোখৰা হৈছে প্ৰাকৃতিক সৌন্দৰ্য্যেৰে পৰিবেষ্টিত নেপালৰ আন এখন উল্লেখযোগ্য চহৰ। সৰোবৰৰ পাৰত নীৰৱে বহি প্ৰাকৃতিক সংগীতৰ মূৰ্চ্ছনা উপভোগ কৰাৰ আনন্দ পোখৰা চহৰে প্ৰদান কৰিব পাৰে। সৰোবৰৰ বিনন্দীয়া ৰূপ প্ৰত্যক্ষ কৰিলে এনে লাগে যেন সৃষ্টিকৰ্তাই প্ৰাকৃতিক সৌন্দৰ্য্যৰ সকলোখিনি ৰূপ ইয়াতেই প্ৰদান কৰিছে। সমুদ্ৰপৃষ্ঠৰ পৰা ৯০০ মিটাৰতকৈও অধিক উচ্চতাত এই চহৰ অৱস্থিত। বিখ্যাত পশুপতিনাথ মন্দিৰো এই চহৰত অৱস্থিত। কাঠমাণ্ডুৰ পৰা ৩২ কিল'মিটাৰ দূৰত অৱস্থিত 'নাগৰকোট' হৈছে আন এক পৰ্য্যটন থলী। ৭০০০ ফুট উচ্চতাত অৱস্থিত নাগৰকোটৰ পৰা হিমালয়ৰ সুউচ্চ শৃংগবোৰৰ উপৰি মাউণ্ট এভাৰেষ্টত সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ মনোমোহা দৃশ্য উপভোগ কৰিব পাৰি।

নেপালক বৌদ্ধ ধৰ্মৰ পবিত্ৰ স্থল হিচাপে জনা যায়। এই ৰাষ্ট্ৰৰ 'লুম্বিনী' চহৰ হ'ল ভগৱান গৌতম বুদ্ধৰ জন্মস্থান। বিভিন্ন ধৰ্মীয় ক্ষেত্ৰ তথা পৰ্বতৰ নৈসৰ্গিক সৌন্দৰ্য্যেৰে ভৰপূৰ নেপাল পৃথিৱীৰ যিকোনো পৰ্য্যটকৰ বাবে এখন হেঁপাহৰ পৰ্য্যটনস্থলী। ❖



# সেউজ অৰ্থনীতি

**■ অপৰ্ণা দেৱী**

পৰিবেশ অৰ্থনীতিৰ সৈতে জড়িত অৰ্থনীতিৰ আন এক শাখা হ'ল সেউজ অৰ্থনীতি (Green Economy)। ই এক অৰ্থনৈতিক আৰ্হি। সহজ ভাষাত, পৰিবেশৰ কোনো ধৰণৰ অনিষ্ট সাধন নকৰাকৈ, সম্পদসমূহৰ সু-ব্যৱহাৰ নিশ্চিতকৰণেই হৈছে সেউজ অৰ্থনীতি। আমাৰ অৰ্থনীতিৰ বিকাশ সাধনৰ পথ প্ৰশস্ত কৰাটো সেউজ অৰ্থনীতিৰ লক্ষ্য বা উদ্দেশ্য।

শিক্ষাৰ্থীসকল, তোমালোকৰ নিশ্চয় জানিবলৈ মন গৈছে যে আমাৰ অৰ্থনীতিৰ বিকাশ সাধন কেনেকৈ কৰিব পৰা যায়। অৰ্থনীতিৰ বিকাশ সাধন কৰিবলৈ হ'লে প্ৰকৃতি সুৰক্ষিত কৰি ৰাখি উৎপাদন কৰিব লাগিব আৰু নিয়োগৰ সুবিধা সৃষ্টি কৰিব লাগিব। উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত প্ৰদূষণৰ যাতে সৃষ্টি হ'ব নোৱাৰে, তাৰবাবে সৌৰ শক্তিৰ লেখীয়া ইন্ধনৰ ব্যৱহাৰ কৰিব লাগিব। লগতে কম শক্তি ব্যৱহাৰ কৰি সা-সামগ্ৰীক পুনৰ ব্যৱহাৰযোগ্য কৰি তোলাৰ চেষ্টা কৰিব লাগিব। উৎপাদিত সামগ্ৰীসমূহ দীৰ্ঘদিন ধৰি ব্যৱহাৰৰ উপযোগী হৈ থকাৰ ওপৰতো গুৰুত্ব দিয়া হয়। আমি ব্যৱহাৰ কৰি থকা সম্পদবোৰ যাতে ভৱিষ্যৎ প্ৰজন্মই ব্যৱহাৰ কৰাৰ সুযোগ আৰু সুবিধা লাভ কৰে, তাৰবাবে অৰ্থনৈতিক বিকাশ সন্তুলিত কৰাৰ বাবে সেউজ অৰ্থনীতিয়ে বিভিন্ন ধৰণে চেষ্টা কৰি আছে।

সেউজ অৰ্থনীতি হৈছে এক অৰ্থনৈতিক ব্যৱস্থা। এই ব্যৱস্থাটোৱে পৰিবেশৰ বিপদ সংকুলতা হ্ৰাস কৰি বহনক্ষম উন্নয়নৰ পথ মুকলি কৰাৰ চেষ্টা কৰে। সেউজ অৰ্থনীতিয়ে প্ৰকৃতি, পৰিবেশ আৰু সামাজিক লক্ষ্যসমূহৰ মাজত ইতিবাচক ভাৰসাম্য ৰক্ষা কৰে।

পৰিবেশৰ বিভিন্ন প্ৰত্যাহ্বান নেওচি বহনক্ষম

উন্নয়নৰ দিশত অগ্ৰসৰ হোৱাৰ ক্ষেত্ৰত সেউজ অৰ্থনীতিয়ে বহুতো লক্ষ্য আৰু পণ আগত ৰাখি আগ বাঢ়িবলগীয়া হয়। যেনে—

ক) সম্পদৰ দক্ষতাপূৰ্ণ ব্যৱহাৰ ঃ সম্পদ সংৰক্ষণ কৰাৰ বাবে সম্পদৰ দক্ষতাপূৰ্ণ ব্যৱহাৰ অতি আৱশ্যকীয়। তাৰবাবে সম্পদৰ পুনৰ ব্যৱহাৰ, পুনঃচক্ৰীয়কৰণ আদি ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

খ) নবীকৰণযোগ্য শক্তি ব্যৱহাৰ ঃ সেউজ অৰ্থনীতিয়ে সৌৰশক্তি, বতাহ, জলবিদ্যুৎ শক্তি আদি ব্যৱহাৰ কৰি সম্পদৰ বহনক্ষমতা ৰক্ষা কৰিব পাৰে।

গ) সেউজ প্ৰযুক্তিৰ ব্যৱহাৰ ঃ যিবোৰ প্ৰযুক্তি কৌশলে পৰিবেশৰ ভাৰসাম্যতা ৰক্ষা কৰাত সহায় কৰে, সেয়াই হ'ল সেউজ প্ৰযুক্তি। বৈদ্যুতিক যান-বাহন, যন্ত্ৰপাতি, গৃহ নিৰ্মাণৰ সেউজ আচবাব আদিয়ে ভৱিষ্যৎ প্ৰজন্মৰ বাবে সম্পদ সংৰক্ষণত সহায় কৰে।

ঘ) বিশ্বব্যাপী সহযোগ ঃ জলবায়ু পৰিবৰ্তনৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগ চুক্তি, সন্ধি আদিৰ জৰিয়তে সেউজ অৰ্থনীতিয়ে নিজ উদ্দেশ্য সাধনৰ বাবে চেষ্টা কৰে।

ঙ) নিৰ্দিষ্ট নীতি আৰু কাৰ্য্যপন্থা ঃ সেউজ অৰ্থনীতিৰ ক্ষেত্ৰত চৰকাৰে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পৰিবেশ সুৰক্ষাৰ বাবে সেউজ অৰ্থনীতিৰ জৰিয়তে চৰকাৰে কিছুমান মানসম্পন্ন নীতি আৰু কাৰ্য্যপন্থা গ্ৰহণ কৰে।

চ) পাৰিবেশিক আন্তঃগাঁথনি ঃ বহনক্ষম উন্নয়নৰ বাবে সেউজ অৰ্থনীতিয়ে পাৰিবেশিক আন্তঃগাঁথনি বিশেষভাৱে গঢ়ি তোলে। আন্তঃগাঁথনি গঢ়ি তোলাৰ ক্ষেত্ৰত পৰিবেশ যাতে বিনষ্ট নহয়, তাৰবাবে অৰ্থনীতি সচেষ্ট হোৱা দেখা যায়।

ছ) চক্ৰীয় অৰ্থনীতি ঃ এই ধাৰণাটোৰ লক্ষ্য হ'ল সম্পদৰ ক্ষয়-ক্ষতি সীমিত কৰি, সম্পদৰ পুনৰ ব্যৱহাৰ, পুনৰ গঠন আদিৰ জৰিয়তে বহনক্ষম উন্নয়ন নিশ্চিত কৰা।

মুঠতে, সেউজ অৰ্থনীতিৰ মূলমন্ত্ৰ হ'ল অৰ্থনৈতিক বিকাশ সাধনৰ লগতে বহনক্ষম উন্নয়ন নিশ্চিত কৰা আৰু পৰিবেশ ৰক্ষা কৰি সামাজিক মংগল সাধনৰ চেষ্টা কৰা। এখন দেশৰ উন্নয়নৰ ক্ষেত্ৰত সেউজ অৰ্থনীতিয়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

*বহনক্ষম উন্নয়ন ঃ যি প্ৰক্ৰিয়াত প্ৰকৃতিৰ ভাৰসাম্যতা বিনষ্ট নোহোৱাকৈ কোনো ক্ষেত্ৰত উন্নয়ন সাধন কৰা হয় তেনে প্ৰক্ৰিয়াক বহনক্ষম উন্নয়ন বোলা হয়। এনে প্ৰক্ৰিয়াত বৰ্তমান প্ৰজন্মৰ লগতে ভৱিষ্যৎ প্ৰজন্ময়ো সমানে এনে উন্নয়নৰ সুফল লাভ কৰিব পাৰে।* ❖

## তোমালোকৰ বাবে প্ৰশ্নৰ শুদ্ধ উত্তৰ দিওঁতাসকল


তাচিন আহমেদ (ষষ্ঠ গ), কৌস্তভ নাথ (পঞ্চম গ), মৌচম তালুকদাৰ (ষষ্ঠ গ), জিয়ান ফুকন ঠাকুৰীয়া (পঞ্চম ঘ), প্ৰিয়াংশু প্ৰীতিশ শৰ্মা (ষষ্ঠ খ), অভিজ্ঞান দীপক বৰগয়াৰী (ষষ্ঠ ক), আবিৰ হুছেইন (ষষ্ঠ ঘ), তন্ময়ৰাজ চৌধুৰী (ষষ্ঠ ক), পল ভৰালী (ষষ্ঠ গ), টনবীৰ কাশ্যপ শৰ্মা (ষষ্ঠ ঘ)।

## তোমালোকৰ বাবে প্ৰশ্ন, জুলাই, ২০২৪

১। ভাৰতৰ ৰাষ্ট্ৰীয় ক্ৰিকেট দলত স্থান লাভ কৰা প্ৰথমগৰাকী অসমীয়া কোন বাৰু?
২। অৰ্জুন বঁটা লাভ কৰা উত্তৰ পূৰ্বাঞ্চলৰ প্ৰথমগৰাকী মহিলা কোন?
৩। লেৰাটানা—কোনটো জনগোষ্ঠীৰ লোকনৃত্য?
৪। কোনখন দেশৰ নামটোৰ অৰ্থ হৈছে - borderland?
৫। ছুইচ গাৰ্ড—কাৰ দেহৰক্ষী বাৰু?

# পিভি আকিলান

**■ ৰবীস্মিতা শইকীয়া**



ভাৰতীয় সাহিত্য অতি প্ৰাচীন কালৰ পৰাই চহকী। অতীজৰে পৰাই ভাৰতীয় সাহিত্যই স্বকীয় বৈশিষ্ট্যেৰে মহিমামণ্ডিত হৈ আহিছে।

ৰামায়ণ-মহাভাৰতকে আদি কৰি লিখিত সাহিত্য আৰম্ভ হোৱাৰ আগৰে পৰা বিভিন্ন লেখকে ভাৰতীয় সাহিত্য সমৃদ্ধ কৰি আহিছে। বিভিন্ন সময় তথা পৰিপ্ৰেক্ষিতত ভাৰতৰ সাহিত্যিক সকলে নিজস্ব শৈলীৰে অৱদান আগবঢ়াই আহিছে। ভাৰতৰ বিভিন্ন ৰাজ্যৰ সাহিত্যিক সকলৰ ভিতৰত তামিল সাহিত্যিক সকলৰ অৱদানো অতি গুৰুত্বপূৰ্ণ। তেনে এগৰাকী স্মৰণীয় তামিল সাহিত্যিক হ'ল পি ভি আকিলান। তেওঁৰ প্ৰকৃত নাম হ'ল আকিলনন্দম। ১৯২২ চনৰ ২৭ জুন তাৰিখে তামিলনাডুৰ পুডুকোট্টাই জিলাৰ পেৰুঙ্গলুৰ নামৰ এখন গাঁৱত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃ বেইথিয়া (বৈঠিয়া) লিংগম পিল্লাই এগৰাকী চৰকাৰী বিষয়া আছিল কিন্তু দুৰ্ভাগ্যক্ৰমে আকিলানে সৰু কালতেই পিতৃক হেৰুৱাব লগা হৈছিল। তেওঁৰ মাতৃ অমিৰথামল আছিল এগৰাকী সৃষ্টিশীল মনৰ মহিলা। সেইবাবেই তেওঁ পুত্ৰক এজন সফল লেখক ৰূপে গঢ়ি তুলিবলৈ সক্ষম হৈছিল।

আকিলান স্কুলীয়া দিনতে গান্ধীবাদী দৰ্শনৰ প্ৰতি আকৰ্ষিত হৈছিল। পুডুকোট্টাইত কলেজীয়া শিক্ষা আধাতে সামৰি আকিলানে ভাৰতৰ স্বাধীনতা সংগ্ৰামত যোগদান কৰিছিল। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পাছত তেওঁ ৰেল বিভাগৰ সেৱাত যোগদান কৰে আৰু তাৰ পাছত তেওঁ অল ইণ্ডিয়া ৰেডিঅ'ত যোগদান কৰে।

সৰু কালৰে পৰা সাহিত্য চৰ্চা কৰা আকিলানৰ এখন বিখ্যাত ঐতিহাসিক উপন্যাস হৈছে 'বেংগাইন মৈন্দান' (Vengayin Maindan)। এই উপন্যাসখনৰ বাবে তেওঁ ১৯৬৩ চনত সাহিত্য অকাডেমি বঁটা লাভ কৰে। ১৯৭৫ চনত তেওঁ 'চিত্ৰাপাৱাই' (Chitrapavai) নামৰ উপন্যাসখনৰ কাৰণে জ্ঞানপীঠ বঁটা লাভ কৰে। থাংগা নাগাৰাম (Thanga Nagaram), কানানা কানন (Kanana Kannan), নালা পয়ান (Nalla Payan) আদি তেখেতৰ শিশুসকলৰ উপযোগীকৈ লিখা গ্ৰন্থ। 'কানানা কানন' কিতাপখনে তামিলনাডুৰ শিক্ষা বিভাগৰ পৰা বিশেষ পুৰস্কাৰ লাভ কৰিছিল।

আকিলান এগৰাকী গল্পকাৰ, নাট্যকাৰ, সাংবাদিক আৰু ঔপন্যাসিক। 'আকিলান ছিৰুকথাইগান' (Akilan sirukathaigal), 'কম্বুথেন কলাই কৰণ' (Kombuthen Kolaikaran) ইত্যাদি তেওঁৰ উল্লেখযোগ্য চুটি গল্প। আকিলানৰ উপন্যাসসমূহ হৈছে—'চিত্ৰাপাৱাই' (Chirapavai), বেংগাইন মৈদান, পাৱাই বিলাকো, এংগেপোগিৰোম (Engepogirome), কায়ালভিজহি (Kayalvizhi), ভেটৰিথিৰুনগৰ (vetrethirunagar) ইত্যাদি। 'কায়ালভিজহি' উপন্যাসে তামিলনাডু চৰকাৰী বঁটা লাভ কৰিছিল। 'এংগেপোগিৰোম' নামৰ সামাজিক-ৰাজনৈতিক উপন্যাসখনৰ বাবে তেওঁ ১৯৭৫ চনত ৰাজা ছাৰ আন্নামালাই বঁটা লাভ কৰে। তেওঁৰ আত্মজীৱনীখনৰ নাম হ'ল 'ইলুথুম ভালকায়ুম' (Eluthum Valkayum)।

সৰুতেই মাতৃৰ পৰা অনুপ্ৰাণিত হোৱা আকিলানে তামিল সাহিত্য জগতলৈ বিশেষ বৰঙণি আগ বঢ়াই থৈ গৈছে। এইগৰাকী তামিল সাহিত্যিকৰ ১৯৮৮ চনত মৃত্যু হয়।❖

# টি ২০ ক্ৰিকেট বিশ্বকাপ, কোপা আমেৰিকা আৰু ইউৰ' কাপ

■ অনুৰাগ ডেকা

2024 বৰ্ষৰ জুন মাহটো ক্ৰীড়ানুৰাগীসকলৰ বাবে এক গুৰুত্বপূৰ্ণ মাহ হিচাপে পৰিগণিত হৈছে। এই মাহতে অনুষ্ঠিত ইউৰ' কাপ, কোপা আমেৰিকা, পুৰুষৰ টি-টুৱেণ্টি বিশ্বকাপ খেলে অনুৰাগীৰ মনত ৰোমাঞ্চ তথা উত্তেজনাৰ সৃষ্টি কৰিছে। ইউৰোপীয় ফুটবলৰ ছন্দময় শৈলী, আমেৰিকান ফুটবলৰ গতিময়তা আৰু টি টুৱেণ্টি ক্ৰিকেট খেলৰ গৌৰৱময় অনিশ্চতাই ক্ৰীড়াপ্ৰেমীসকলক এই সময়ত মোহাচ্ছন্ন কৰি ৰাখিছে।




**টি-২০ বিশ্বকাপ :** প্ৰথমে আইচিচি টি-20 বিশ্বকাপ নামেৰে জনাজাত টি-20 বিশ্বকাপ হৈছে 2007 চনৰ পৰা আৰম্ভ হোৱা আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটৰ এখন বিশ্বমানৰ প্ৰতিযোগিতাখন। এই প্ৰতিযোগিতাখন প্ৰতি দুবছৰৰ মূৰে মূৰে অনুষ্ঠিত হয়। 2007 চনত দক্ষিণ আফ্ৰিকাত অনুষ্ঠিত হোৱা প্ৰথমখন আই চি চি ৱৰ্ল্ড টি-20 প্ৰতিযোগিতাত ভাৰতে প্ৰথম চেম্পিয়ন হিচাপে আত্মপ্ৰকাশ কৰিছিল। ৰোমাঞ্চকৰ ফাইনেলত ভাৰতে পাকিস্তানক পৰাস্ত কৰিছিল। প্ৰতিযোগিতাখনৰ বৰ্দ্ধিত জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি আইচিচিয়ে অধিক দলক অন্তৰ্ভুক্ত কৰে আৰু প্ৰতিযোগিতাখনৰ ফৰ্মেট সলনি কৰি অধিক যোগ্যতা অৰ্জনকাৰী ৰাউণ্ড অন্তৰ্ভুক্ত কৰে। ইয়াৰ ফলত অধিক দলে অংশগ্ৰহণৰ সুযোগ লাভ কৰে।

দ্ৰুত গতি আৰু মনোৰঞ্জনৰ ওপৰত গুৰুত্ব দিয়া টি-20 ক্ৰিকেটে 2000 চনৰ আৰম্ভণিতে বিকাশ লাভ কৰিছিল। বিশেষকৈ 2008 চনত আত্মপ্ৰকাশ কৰা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগ (আই পি এল)ৰ দৰে ঘৰুৱা টি-২০ লীগে এই ফৰ্মেটটোক আৰু অধিক জনপ্ৰিয় কৰি তুলিলে। অন্যান্য খেল যেনে ফুটবল আৰু ৰাগবীৰ চুটি ফৰ্মেটৰ সফলতাই ক্ৰিকেট কৰ্তৃপক্ষক টি-20 ক্ৰিকেটৰ ওপৰত গুৰুত্ব আৰোপ কৰি বিশ্বব্যাপী প্ৰতিযোগিতা এখন অনুষ্ঠিত কৰিবলৈ অনুপ্ৰাণিত কৰিছিল।

আইচিচি টি-20 বিশ্বকাপৰো নিজা সুকীয়া ট্ৰফী আছে । টি-20 বিশ্বকাপ ট্ৰফীটো বিশেষভাৱে প্ৰতিযোগিতাখনৰ বাবে নিৰ্মিত এক অনন্য আৰ্হি। ইয়াত সাধাৰণতে এটা পেডেষ্টেলৰ ওপৰত এটা গ্ল'ব থাকে, যিয়ে প্ৰতিযোগিতাখনৰ বিশ্বব্যাপী গ্ৰহণযোগ্যতাক প্ৰতিনিধিত্ব কৰে।

টি-20 বিশ্বকাপৰ ইতিহাসত এখন মেচত সৰ্বাধিক ব্যক্তিগত ৰাণৰ অভিলেখ গঢ়িছিল নিউজিলেণ্ডৰ ব্ৰেণ্ডন মেককালামে। তেওঁ 2007 চনত আইচিচিৰ উদ্বোধনী টি-20 বিশ্বকাপত বাংলাদেশৰ বিৰুদ্ধে 58টা বলত ১২৩ ৰান সংগ্ৰহ কৰিছিল। ভাৰতৰ যুৱৰাজ সিঙৰ হাতত আছে টি-20 বিশ্বকাপৰ ইতিহাসত দ্ৰুততম পঞ্চাশৰ অভিলেখ। তেওঁ ২০০৭ চনত আইচিচিৰ উদ্বোধনী টি-20 বিশ্বকাপত ইংলেণ্ডৰ বিৰুদ্ধে মাত্ৰ ১২টা বলত পঞ্চাশ ৰান সংগ্ৰহ কৰিছিল। আই চি চি টি-20 বিশ্বকাপৰ একক সংস্কৰণত সৰ্বাধিক ৰান সংগ্ৰহৰ অভিলেখ ভাৰতৰ বিৰাট কোহলীৰ। বাংলাদেশত অনুষ্ঠিত ২০১৪ সংস্কৰণত তেওঁ ৩১৯ ৰান সংগ্ৰহ কৰিছিল। শ্ৰীলংকাৰ

অজন্থা মেণ্ডিছে টি-20 বিশ্বকাপৰ আটাইতকৈ সফল বলাৰ। ২০১২ চনৰ আইচিচি টি-20 বিশ্বকাপত জিম্বাবুৱেৰ বিৰুদ্ধে তেওঁ ৮ ৰানত ৬টা উইকেট দখল কৰিছিল। টি-20 বিশ্বকাপৰ ইতিহাসত সৰ্বাধিক ছয়ৰ ৰেকৰ্ড গঢ়িছে ৱেষ্ট ইণ্ডিজৰ ক্ৰীছ গেইলে। প্ৰতিযোগিতাখনৰ একাধিক সংস্কৰণত তেওঁ মুঠ ৬০টা ছয় কোবাইছে।

এইবৰ্ষৰ টি 20 বিশ্বকাপ ১ জুনৰ পৰা ২৯ জুনলৈ ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই যুটীয়াভাৱে আয়োজন কৰিছে। ২০ টা দলে যোগদান কৰা এই বিশ্বকাপত কানাডা, উগাণ্ডা আৰু আমেৰিকাই পোন প্ৰথমবাৰৰ বাবে যোগদানৰ বাবে যোগ্যতা অৰ্জন কৰে । ২০২৪ চনৰ বিশ্বকাপত ২০২২ বৰ্ষৰ প্ৰতিযোগিতাখনৰ শীৰ্ষ আঠটা দলৰ লগতে আয়োজক দল দুটা ক্ৰমে ৱেষ্ট ইণ্ডিজ আৰু আমেৰিকাই প্ৰতিযোগিতাখনৰ বাবে যোগ্যতা অৰ্জন কৰে। বাকী দলসমূহ আইচিচি ৰেংকিং তথা যোগ্যতা অৰ্জনকাৰী খেলৰ পৰা নিৰ্বাচন কৰা হৈছে। চাৰিটা গ্ৰুপত ভাগ কৰা ২০ টা দলৰ পৰা ৮ টা দল ছুপাৰ ৮ লৈ উন্নীত হয় আৰু পৰৱৰ্তী সময়ত ভাৰত, আফগানিস্থান, দক্ষিণ আফ্ৰিকা আৰু ইংলণ্ডে ছেমি ফাইনেলত প্ৰবেশ কৰে। ছেমি ফাইনেলত দক্ষিণ আফ্ৰিকাই আফগানিস্থান আৰু ভাৰতে ইংলণ্ডক হৰুৱাই ফাইনেল খেলাৰ যোগ্যতা অৰ্জন কৰে। ২৯ জুনত অনুষ্ঠিত শ্বাসৰুদ্ধকাৰী ফাইনেল খেলখনত ভাৰতে দক্ষিণ আফ্ৰিকাক ৭ ৰাণত হৰুৱাই ১৭ বছৰৰ পিছত দ্বিতীয় বাৰৰ বাবে টি টুৱেণ্টি বিশ্বকাপৰ চেম্পিয়নৰ খিতাপ দখল কৰে। ফাইনেল খেলত ৫৯ টা বলত ৭৬ ৰাণ কৰা বিৰাট কোহলি মেন অব দা মেচ হিচাপে বিবেচিত হোৱাৰ লগতে যশপ্ৰীত বুমৰাহে মেন অব দা টুৰ্ণামেণ্টৰ পুৰস্কাৰ লাভ কৰে। ভাৰতে প্ৰথমে বেটিং কৰি ১৭৫ ৰাণ কৰাৰ বিপৰীতে দক্ষিণ আফ্ৰিকাই নিৰ্ধাৰিত অ'ভাৰত ১৬৯ ৰাণ কৰিবলৈ সক্ষম হয়। অধিনায়ক ৰোহিত শৰ্মাৰ নেতৃত্বত ভাৰতৰ এই বিজয়ে ভাৰতীয় ক্ৰিকেটৰ শ্ৰেষ্ঠতা পুনৰবাৰ প্ৰতিপন্ন কৰে।

**কোপা আমেৰিকা :** 1916 চনত আৰ্জেণ্টিনাৰ ক্ৰীড়া সংগঠক হেক্টৰ ৰিভাডাভিয়া গোমেজৰ উদ্যোগত কোপা আমেৰিকা প্ৰতিযোগিতাখন আৰম্ভ হৈছিল । তেওঁ আৰ্জেণ্টিনাৰ স্বাধীনতাৰ শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি দক্ষিণ আমেৰিকাৰ ৰাষ্ট্ৰসমূহৰ বাবে মহাদেশীয় চেম্পিয়নশ্বিপ প্ৰতিযোগিতা এখন আয়োজন কৰাৰ প্ৰস্তাৱ আগবঢ়াইছিল। প্ৰথমে 'চাউথ আমেৰিকান চেম্পিয়নশ্বিপ অৱ নেছনছ' নামেৰে নামকৰণ কৰা এই প্ৰতিযোগিতাখন 1916 চনৰ 2 জুলাইৰ পৰা ১৭ জুলাইলৈকে আৰ্জেণ্টিনাত অনুষ্ঠিত হৈছিল।

ইয়াৰ প্ৰথম সংস্কৰণত চাৰিটা দলে অংশগ্ৰহণ কৰিছিল—আৰ্জেণ্টিনা, ব্ৰাজিল, চিলি আৰু উৰুগুৱে। আটাইকেইখন মেচতে জয়লাভ কৰি আৰ্জেণ্টিনাই প্ৰতিযোগিতাৰ প্ৰথম চেম্পিয়ন হিচাপে আত্মপ্ৰকাশ কৰে। প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ দৰে ৰাজনৈতিক প্ৰত্যাহ্বানৰ বাবে প্ৰথম অৱস্থাত এই প্ৰতিযোগিতাখন অনিয়মীয়াভাৱে অনুষ্ঠিত হৈছিল যদিও অৱশেষত ই দক্ষিণ আমেৰিকাৰ ফুটবলৰ প্ৰতি চাৰিবছৰৰ এক নিয়মীয়া সমাৰোহত পৰিণত হয়।

এই প্ৰতিযোগিতা অঞ্চলটোৰ ফুটবল সংস্কৃতিৰ এক আদৰৰ অংশ হৈ পৰিছে। কোপা আমেৰিকাই বহু কিংবদন্তি খেলুৱৈ উপহাৰ দিছে। উদাহৰণস্বৰূপে, বহুতে পেলে আৰু গাৰিঞ্চাৰ দৰে খেলুৱৈ ১৯৫৯ চনৰ কোপা আমেৰিকাৰ দান বুলি ক'ব খোজে।

অতীতৰে পৰা কোপা আমেৰিকাত অসংখ্য খেলুৱৈয়ে নিজৰ প্ৰতিভাৰ স্বাক্ষৰ বহন কৰি আহিছে। লিয়নেল মেছি, নেইমাৰ, আৰু এলেক্সিছ ছানচেজৰ দৰে খেলুৱৈয়ে ধাৰাবাহিকভাৱে উজ্জীৱিত প্ৰদৰ্শন আগবঢ়াইছে, নিজৰ প্ৰতিভা প্ৰদৰ্শন কৰি নিজ নিজ জাতীয় দলৰ সফলতাত অৰিহণা যোগাইছে।

কোপা আমেৰিকাৰ ট্ৰফিটোৰ ডিজাইন কৰিছিল আৰ্জেণ্টিনাৰ শিল্পী আলবাৰ্টো দা ছিলভাৰিয়া পিণ্টোৱে। 1916 চনত ছাউথ আমেৰিকান চেম্পিয়নশ্বিপ অৱ নেছনছৰ উদ্বোধনী প্ৰতিযোগিতাৰ বাবে ইয়াক প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা হৈছিল।

কোপা আমেৰিকাৰ শীৰ্ষ গীতটোক "Anthem of Glory" (স্পেনিছ ভাষাত Himno de la Gloria) বুলি কোৱা হয়। চিলিৰ সংগীতজ্ঞ আৰু সুৰকাৰ ৰেমন কাৰ্নিচাৰে ৰচনা কৰা এই গীতটি পৰম্পৰাগতভাৱে প্ৰতিযোগিতাখনৰ আৰম্ভণী অনুষ্ঠানৰ সময়ত, লগতে সমগ্ৰ প্ৰতিযোগিতাখনৰ বিভিন্ন গুৰুত্বপূৰ্ণ মুহূৰ্তত বজোৱা হয়। কোপা আমেৰিকা কেৱল এখন প্ৰতিযোগিতা নহয় বৰঞ্চ ই দক্ষিণ আমেৰিকাৰ ফুটবলৰ চহকী ইতিহাসৰ প্ৰদৰ্শনী।

এই বৰ্ষৰ 21 জুনৰ পৰা আমেৰিকাত আৰম্ভ হোৱা কোপা আমেৰিকা 2024 ৰ গ্ৰুপ পৰ্যায় ইতিমধ্যে সমাপ্ত হৈছে, 16 টা দলৰ ভিতৰত 8 টা দল কোৱাৰ্টাৰ ফাইনেললৈ আগবাঢ়িছে। কোৱাটাৰ ফাইনেলত দলসমূহে জয়ৰ বাবে যুঁজ দিয়াৰ লগে লগে অধিক ৰোমাঞ্চকৰ মেচসমূহৰ আৰম্ভণি হৈছে। কোপা আমেৰিকাৰ খেল সমূহ এতিয়া তীব্ৰতৰ হৈ উঠিছে। অহা 15 জুলাইত (ভাৰতীয় সময়মতে) ফাইনেল খেলখন অনুষ্ঠিত হ'ব।

**ইউৰ' কাপ :** সাধাৰণতে ইউৰ' কাপ নামেৰে জনাজাত ইউএফএ ইউৰোপিয়ান চেম্পিয়নশ্বিপ প্ৰতিযোগিতাখন আন্তঃৰাষ্ট্ৰীয় ফুটবলৰ অন্যতম সন্মানীয় প্ৰতিযোগিতা। ১৯২০ চনতে ইউৰোপীয় ফুটবল চেম্পিয়নশ্বিপৰ প্ৰতিযোগিতা এখন অনুষ্ঠিত কৰাৰ প্ৰস্তাৱ কৰা হৈছিল যদিও দ্বিতীয় বিশ্বযুদ্ধকে ধৰি বিভিন্ন কাৰণত 1960 চনলৈকে ই বাস্তৱায়িত নহ'ল। হেনৰী ডেলাউনে প্ৰমুখ্যে আৰু আন বহু ক্ৰীড়ানুৰাগীৰ প্ৰচেষ্টাৰ অন্তত 1960 চনত ফ্ৰান্সত অনুষ্ঠিত হয় প্ৰথমখন ইউৰ' কাপ প্ৰতিযোগিতা। ইয়াত মাথো চাৰিটা দলে অংশগ্ৰহণ কৰিছিল। এই দলকেইটা হ'ল ছোভিয়েট ইউনিয়ন, যুগোশ্লাভিয়া, চেকোশ্লাভ'কিয়া, আৰু আয়োজক দেশ ফ্ৰান্স। ছোভিয়েট ইউনিয়নে প্ৰথম চেম্পিয়ন হিচাপে আত্মপ্ৰকাশ কৰে। বছৰৰ পিছত বছৰ ধৰি প্ৰতিযোগিতাখনৰ জনপ্ৰিয়তা আৰু অংশগ্ৰহণকাৰী দলৰ সংখ্যা দুয়োটা দিশতে সম্প্ৰসাৰণ ঘটি আহিছে। শেহতীয়া প্ৰতিযোগিতাসমূহত 24টা দলে চূড়ান্ত প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। প্ৰতিযোগিতাখন গ্ৰুপ পৰ্যায়, নকআউট ৰাউণ্ড আৰু ফাইনেল পৰ্যায়ত অনুষ্ঠিত হয়।

ইউৰ' কাপ নামেৰে জনাজাত ইউএফএ ইউৰোপিয়ান চেম্পিয়নশ্বিপৰ বিজয়ীক প্ৰদান কৰা ট্ৰফীৰ এক সুকীয়া আৰু প্ৰতীকী ডিজাইন আছে। ইউএফএৰ প্ৰথমজন সাধাৰণ সম্পাদক তথা ইউৰোপীয় চেম্পিয়নশ্বিপ প্ৰতিষ্ঠাৰ আঁৰৰ অন্যতম ব্যক্তি হেনৰী ডেলাউনৰ সন্মানত আনুষ্ঠানিকভাৱে এই ট্ৰফীক হেনৰী ডেলাউনে ট্ৰফী নামেৰে নামকৰণ কৰা হৈছে। পেৰিছৰ আৰ্থাছ-বাৰ্ট্ৰাণ্ড কোম্পানীয়ে এই ট্ৰফীৰ আৰ্হি প্ৰস্তুত কৰিছিল। ট্ৰফীটো মূলতঃ ষ্টাৰলিং ৰূপেৰে নিৰ্মিত।


ইউএফএ ইউৰোপিয়ান চেম্পিয়নশ্বিপৰ শীৰ্ষ গীতটোক সাধাৰণতে ইউৰ' কাপৰ গীত বুলি জনা যায়। 1992 চনত ব্ৰিটিছ সুৰকাৰ টনি ব্ৰিটেনে ইউৰ' কাপৰ গীতটো ৰচনা কৰিছিল ।

এই বৰ্ষত জাৰ্মানীত অনুষ্ঠিত ইউৰ' ২০২৪ৰ গ্ৰুপ পৰ্য্যায় সমাপ্ত হৈছে, 24 টা দলৰ ভিতৰত বৰ্তমান 16টা দল নকআউটলৈ আগবাঢ়িছে।

এই সংস্কৰণত স্পেইনৰ কিশোৰ লামিন ইয়ামালে ইউৰ' কাপত অংশগ্ৰহণ কৰা আটাইতকৈ কম বয়সীয়া খেলুৱৈ হিচাপে ইতিহাস ৰচনা কৰে। প্ৰতিযোগিতাৰ আৰম্ভণিৰ সময়ত লামিন ইয়ামালৰ বয়স আছিল 16 বছৰ 338 দিন। ইয়াৰ পূৰ্বে এই অভিলেখ আছিল পোলেণ্ডৰ কাকপাৰ কজল'ভস্কিৰ নামত। তেওঁৰ ইউৰ' 2020ত স্পেইনৰ বিৰুদ্ধে এখন খেলত অভিষেক ঘটিছিল তেতিয়া তেওঁৰ বয়স আছিল 17 বছৰ 246 দিন। ইয়ামালতকৈ প্ৰায় 25 বছৰ ডাঙৰ পৰ্তুগালৰ প্ৰবীণ ডিফেণ্ডাৰ 'পেপে'ই এই বৰ্ষত গ্ৰুপ এফত চেক্ ৰিপাব্লিকৰ বিৰুদ্ধে খেলি ইউৰ' কাপত অংশগ্ৰহণ কৰা আটাইতকৈ বয়সীয়াল খেলুৱৈ হিচাপে পৰিগণিত হয়। সেই সময়ত তেওঁৰ বয়স হৈছিল 41 বছৰ ১১৭ দিন।

বৰ্তমান সময়ত গ্ৰুপ পৰ্য্যায়ৰ পৰা 16টা শীৰ্ষ দলে নক আউট ৰাউণ্ডত প্ৰবেশ কৰিছে আৰু সমান্তৰালভাৱে খেলৰ উত্তেজনা বৃদ্ধি পাইছে। 15 জুলাইত (ভাৰতীয় সময়মতে) ২০২৪ বৰ্ষৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব। ইউৰোপৰ নতুন চেম্পিয়ন দলৰ বাবে বিশ্বৰ ক্ৰীড়ানুৰাগীসকল অধীৰ আগ্ৰহেৰে বাট চাই আছে ।❖

# শিক্ষাৰ্থীয়ে আঁকা ছবি আৰু তোলা আলোকচিত্ৰ


নিয়ৰজ্যোতি ডেকা, নৱম খ


দেবাশীষ কাশ্যপ, দশম ঘ


সুপ্ৰতীক সঞ্জীৱ ডেকা, ষষ্ঠ ঘ


স্বৰ্ণভ গোস্বামী, সপ্তম খ


জ্যোতিষ্মান চৌধুৰী, পঞ্চম খ


অংশুমান কুমাৰ , ষষ্ঠ ঘ


পল ভৰালী , ষষ্ঠ গ

# বিভিন্ন দেশৰ ৰাষ্ট্ৰীয় প্ৰতীক



প'লেণ্ড




বেলাৰুছ



হণ্ডুৰাছ



উৰুগুৱে




পাৰাগুৱে



ছোমালিয়া



ইথিওপিয়া




টাছমেনিয়া




কুইন্সলেণ্ড



নিউগিনি



মালদ্বীপ



তুৰ্কমেনিস্তান